

# কাঁচিয়লি

সম্পাদক

বনজিৎ কলিতা

লভিতা দাস

# Editorial Board



**Advisor :**
Dr. Abhijit Dev Adhikary






**Teacher Members :**
Rekhamoni Dakua
Umanandaa Barua
Barnali Goswami
Karim Ali





**In-Charges :**
Aparajita Das
Himadri Biswas
Nafsun Ara Begum




**Editors :**
Banjit Kalita
Lavita Das



**Trainee Members:**
Hirakjyoti Kalita
Manas Jyoti Kalita
Geetima Nath
Moyudur R. Mondal
Manjit Sarma



Mridupawan Saloi
Jimut Choudhury
Biplab Nath
Gyandeep Saikia
Sujit Sarkar
Bhaswati Nath

# কাঁচিয়লি

বাৰ্ষিক আলোচনী

## কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

দ্বিতীয় সংখ্যা

২০২১-২২ বৰ্ষ

# KASIYALI

Annual Journal

**Krishna Ram Das College of Education, Chhaygaon**

Volume : II

Year : 2021-22

<u>সম্পাদক</u>

**বনজিৎ কলিতা**

**লভিতা দাস**

**Kasiyali :** *A annual journal of Krishna Ram Das College of Education, Chhaygaon, II issue, edited by Banjit Kalita and Lavita Das, published by K.R.D. College of Education, Chhaygaon family, dated 9th April, 2022.*

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড° অভিজিৎ দেৱ অধিকাৰী |
| তত্বাৱধায়ক | ঃ | অপৰাজিতা দাস |
| | | হিমাদ্ৰী বিশ্বাস |
| | | নাফচুন আৰা বেগম |
| শিক্ষক সদস্য | ঃ | ৰেখামণি ডাকুৱা |
| | | উমানন্দা বৰুৱা |
| | | বৰ্ণালী গোস্বামী |
| | | কৰিম আলী |
| সম্পাদকদ্বয় | ঃ | বনজিৎ কলিতা |
| | | লভিতা দাস |
| প্ৰশিক্ষাৰ্থী সদস্য | ঃ | মনজিৎ শৰ্মা |
| | | ময়ুদূৰ ৰহমান মণ্ডল |
| | | হীৰকজ্যোতি কলিতা |
| | | মানসজ্যোতি কলিতা |
| | | বিপ্লৱ নাথ |
| | | গীতিমা নাথ |
| | | মৃদুপৱন শালৈ |
| | | ভাস্বতী নাথ |
| | | জ্ঞানদ্বীপ শইকীয়া |
| | | জিমুৎ চৌধুৰী |
| | | সুজিত সৰকাৰ |
| প্ৰচ্ছদ | ঃ | লোহিত ৰাজবংশী |
| আৰ্হি আৰু অংগসজ্জা | ঃ | সম্পাদনা সমিতি |
| মুদ্ৰণ | ঃ | ডিজিট প্ৰিণ্টাৰ্চ, ছয়গাঁও |
| | | ফোন- ৭০০২৭৮৪৫৬৬ |

'কাঁচিয়লি'ত প্ৰকাশিত লেখনিসমূহ লেখকৰ সম্পূৰ্ণ নিজা।
কোনোধৰণৰ তথ্য বিভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উচৰ্গা

বৃটিছ শাসনকালত নিজৰ কৰ্মদক্ষতাৰে
এক সুকীয়া পৰিচয় লাভ কৰা ছয়গাঁও নিবাসী
কৃষ্ণৰাম দাসৰ সোঁৱৰণত তেখেতৰ সু-পুত্ৰ চিকিৎসক
ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতিদেৱে
পিতৃৰ নামেৰে 'কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়' স্থাপন
কৰিবলৈ তিনি বিঘা জমী আৰু এটি পকীঘৰ দান কৰে।
সোণালী আখৰেৰে জিলিকি থকা কৃষ্ণৰাম দাস আৰু
সুৰেন্দ্ৰ নাৰায়ণ কাকতি দেৱৰ কৰকমলত
'কাঁচিয়লি'ৰ
এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

— সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



বিশিষ্ট কণ্ঠশিল্পী
তথা সমাজসেৱিকা, লেখিকা
অঞ্জলি কাকতিৰ
২০২২ বৰ্ষৰ ৭ মাৰ্চ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।
প্ৰয়াত দাস কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁৱৰ
লগত আৰম্ভণিৰ পৰাই জড়িত তথা পৰিচালনা সমিতিৰ
এগৰাকী জ্যেষ্ঠ সদস্যা আছিল।
তেখেতলৈ যাচিলোঁ একাঁজলি গভীৰ শ্ৰদ্ধাঞ্জলি।

—সম্পাদনা সমিতি



Governing Body



Teaching Staff



Office Staff



Students' Union 2021-22



Morning Assembly



Yoga Class



Library



Group Presentation




# FROM PRINCIPAL'S DESK

I am delighted for Krishna Ram Das (K.R.D.) College of Education, Chhaygaon, Kamrup which is rendering best effort since 1993 to build a better society and better educational environment to prepare quality teachers to build up the nation in very progressive manner.

We are here providing an excellent educational environment and opportunities to our B.Ed. Trainees for over all development of their personality as well as build our nation with full of positive energy. We help our trainees to improve their hidden talent and personalities to be the best teacher who can give best impression to the schools, children and to the nation.

Krishna Ram Das (K.R.D.) College of Education is a premier institution that provides the B.Ed. Trainees Confidant, Discipline, Clarity in the thought and Decision Making ability to set and to achieve goals and above all to improve and accept social responsibilities for the challenge's of life.



**(Dr. Abhijit Dev Adhikary)**
Principal
Krishna Ram Das (K.R.D.) College of Education

রেকিবুদ্দিন আহমেদ
বিধায়ক, ৪৯ নং ছয়গাঁও বিধানসভা সমষ্টি
দিশপুৰ, অসম

ফোন ঃ ০৩৬১-২২৩৭৩৬৬ (কাৰ্যালয়)
০৩৬১-২২২৩৫৪৬ (গৃহ)
৯৯৮৪১-২১০১৭ (মোঃ)



## শুভেচ্ছা বাণী

পুৰাণ প্ৰসিদ্ধ চান্দ সদাগৰ, বেউলা-লখিন্দাৰ, মেৰঘৰ আৰু চণ্ডিকা দেৱালৰ ঐতিহ্যৰে মহিমামণ্ডিত ছয়গাঁৱৰ ঐতিহ্য বহনকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় 'কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও'ৰ বাৰ্ষিক আলোচনী 'কাঁচিয়লি' প্ৰকাশ হ'ব বুলি জানি নথৈ আনন্দিত হৈছো। মহাবিদ্যালয়ৰ আলোচনী এখন ন-শিকাৰু যুৱ প্ৰজন্মৰ সাহিত্য-চৰ্চাৰ কঠিয়াতলী সদৃশ। মই আশা ৰাখিছো , গভীৰ চৰ্চাৰে এওঁলোক ভৱিষ্যত একো একোজন সু-শিক্ষক হোৱাৰ লগতে একো একোগৰাকী সামাজিকভাৱে দায়বদ্ধ কবি-সাহিত্যিক, বুদ্ধিজীৱী হিচাপে সাহিত্যাকাশত জিলিকি থাকিব।

ছয়গাঁৱৰ প্ৰাণোচ্ছল নৈ কলহীৰ নিৰৱধি গতিৰ দৰে আমাৰ হেঁপাহৰ আলোচনী 'কাঁচিয়লি'ও নানা সমস্যা-সংঘাত অতিক্ৰম কৰি সম্ভাৱনাৰ চিত্ৰায়ণেৰে ধাৰাবাহিকভাৱে প্ৰকাশ হৈ থাকক— তাৰেই কামনাৰে 'কাঁচিয়লি'ৰ জৰিয়তে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, শিক্ষক-প্ৰশিক্ষাৰ্থী আৰু কৰ্মচাৰীবৃন্দলৈ শুভেচ্ছা জনালোঁ।

(ৰেকিবুদ্দিন আহমেদ)
০৫.০৪.২০২২

# শুভেচ্ছা বাণী



"কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়'ৰ বাৰ্ষিক মুখপত্ৰ **"কাঁচিয়লি"** প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

মহাবিদ্যালয়ৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চা বিকশিত কৰাত আৰু নতুন কবি-সাহিত্যাক সৃষ্টিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ মুখপত্ৰখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক, সাংস্কৃতিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশ গঠন প্ৰক্ৰিয়াত সবল ভূমিকা ল'ব বুলি আমাৰ দৃঢ় বিশ্বাস। মুখপত্ৰখন সকলো দিশৰ পৰা সৰ্বাংগসুন্দৰ হওঁক, এয়ে আমাৰ আন্তৰিক শুভকামনা।

বিনম্ৰতাৰে-

**বানেশ্বৰ দাস**
সভাপতি
পৰিচালনা সমিতি
কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও



## কৃতজ্ঞতা স্বীকাৰ ঃ


- ‘কাঁচিয়লি’ সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টা, তত্বাৱধায়ক, শিক্ষক সদস্য লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ....
- মহাবিদ্যালয় পৰিচালনা সমিতিৰ সমূহ বিষয়ববীয়ালৈ...
- যিসকল লেখক-লেখিকাৰ লেখনিৰে এই সংখ্যা ‘কাঁচিয়লি’ সমৃদ্ধ হ’ল সেইসকলোলৈ...
- মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সমূহ সদস্যলৈ...
- প্রচ্ছদ শিল্পী লোহিত ৰাজবংশীদেৱলৈ...
- বিভিন্ন দিহা-পৰামর্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকলোলৈ...
- চিন্ময় কলিতা, কল্পজ্যোতি কলিতা, ৰূপম দাস লগতে ডিজিট প্রিণ্টার্চৰ সমূহ কর্মচাৰীলৈ...
- মহাবিদ্যালয় পৰিয়ালৰ সদৌটিলৈ...

— সম্পাদক

# সম্পাদকীয়




বিপন্ন সময়, হতাশা, প্ৰমূল্যবোধৰ অৱক্ষয়, বিলুপ্ত নৈতিকতা, ভাৰসাম্যহীন সমাজ ব্যৱস্থা তাৰ মাজত ডিঙি উজাই উজাই জীয়াই থকাৰ উশাহকণ লৈ পোহৰসন্ধানী আমি যুৱ প্ৰজন্ম-সপোন-বহাগী বৰদৈচিলাই ধুই মোহাৰি আনিব কাঁচিয়লি ৰ'দ — ৰৌদ্ৰজ্বোল হ'ব আমাৰ পৃথিৱী — নতুনৰ পৃথিৱী।

**<u>নতুন শিক্ষা নীতি আৰু আমি ঃ</u>**

পকেটত টকা নহ'লেও গোটেই পাণবজাৰখন কিনাৰ সাহস দেখুওৱা আমি নতুন অসমীয়া। আই-পিতাইৰ মাটি বন্ধকত থৈ হ'লেও সমাজৰ লাখুটি ডাল হ'ম বুলি যোগ্যতা আহৰণ কৰিব বিচৰা প্ৰশিক্ষাৰ্থী আমি। প্ৰস্তাৱিত আৰু কাৰ্যকৰী হ'বলৈ গৈ থকা নতুন শিক্ষা নীতিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰি সংস্থাপনমুখী গতি ত্বৰান্বিত কৰিব বুলি আমি আশাবাদী। অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল যে উচ্চ শিক্ষা আহৰণৰ পথত যেন ভৱিষ্যত প্ৰজন্ম আৰ্থিক অনাটনৰ বাবে আদবাটতে ৰ'বলগীয়া নহয় সেয়া এই নতুন শিক্ষানীতিয়ে স্পষ্টকৈ দেখুৱাই দিয়াটো আমি বিচাৰোঁ। কাৰ্যক্ষেত্ৰত এই শিক্ষা নীতি 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' নহ'ব বুলি আমি আশা কৰিলোঁ।

**<u>শিক্ষক, শিক্ষা, দিঠক আৰু সপোন ঃ</u>**



শ্ৰেণীত পাঠদানত অৱহেলা, বিদ্যালয়ত অনুপস্থিতি, মধ্যাহ্ন ভোজনৰ অংক, নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়ত পঢ়োৱা, মহাবিদ্যালয় শিক্ষক হ'লে নামমাত্ৰ

শ্ৰেণী কৰি সুবিধাভোগী বুদ্ধিজীৱীৰ ভাৱ, নিজৰ প্ৰাপ্য বিচাৰি ৰাস্তাত আন্দোলন, ৰজাঘৰীয়াৰ সময়ে সময়ে শিক্ষকক ৰাজহুৱা অপমান— এই মূলুকৰ শিক্ষকৰ এইবোৰ সৰ্বজনবিদিত বৈশিষ্ট্য। এনে প্ৰেক্ষাপটত আমাৰ শিক্ষা ব্যৱস্থা কিমানদূৰ গুণগত মানসম্পন্ন সেয়া সকলোৰে বাবে এক বুমেৰাং!!!

এনে সময়তে আমি প্ৰশিক্ষাৰ্থী সমাজ শিক্ষা সংস্কাৰৰ নতুন ৰেঙণি হৈ কাঁচিয়লি পোহৰ হ'ব পাৰো নে নোৱাৰো এইয়া প্ৰত্যেকেই মনতে আওঁৰাব লগীয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ যদি যোগাত্মক নহয় তেন্তে শিক্ষা আৰু শিক্ষকতা সেৱা নহয় কেৱল মাত্ৰ জীৱিকাহে হৈ ৰ'ব আৰু সমাজে কেতিয়াও সংস্কাৰৰ পথ নেদেখিব।

**<u>কৃতজ্ঞতাৰ পাণবঁটা ঃ</u>**

আলোচনীখনৰ প্ৰতিটো কাম নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰিছো। এইক্ষেত্ৰত বিশেষভাৱে সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° অভিজিৎ দেৱ অধিকাৰী, সম্পাদনা সমিতি, শিক্ষাগুৰু, মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীবৃন্দ তথা আলোচনীখন মুদ্ৰণ কৰা ডিজিট প্ৰিণ্টাৰ্চলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। অজানিতে হোৱা ভুল-ভ্ৰান্তিবোৰৰ ক্ষমা মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ দ্বিতীয় সংখ্যক আলোচনী 'কাঁচিয়লি' আপোনালোকৰ ওচৰত অৰ্পণ কৰিলোঁ।

।। জয়তু কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও।।

(বনজিৎ কলিতা)

লভিতা দাস
(লভিতা দাস)

সম্পাদক 'কাঁচিয়লি'

# 'কঁাচিয়লি'ৰ পাতে পাতে


- ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি ঃঃ ড° সংগীতা কাকতি/১
- কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয় ঃ কিছু মিঠা সোঁৱৰণ ঃঃ উমানন্দা বৰুৱা/৫
- বগেজাৰী গীতৰ কথাৰে...ঃঃ অপৰাজিতা দাস/৮
- গীত, চলচ্চিত্ৰ আৰু মাজুলী ঃঃ জ্ঞানদীপ শইকীয়া/১০
- নাৰীৰ সমঅধিকাৰএক আলোকপাত ঃঃ সাগৰিকা দৈমাৰী/১৩
- উপস্থিতি ঃঃ পৰিস্মিতা দত্ত বৰুৱা/১৫
- সমাপ্তিও এটা আৰম্ভণি... ঃঃ মধুস্মিতা ৰয়/১৬
- অপ্ৰত্যাশিত দৃশ্যপট ঃঃ বৰ্ষা মালী/১৭
- ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ঃ প্ৰয়োজনীয়তা, সম্ভাৱনা আৰু প্ৰত্যাহ্বান ঃঃ সুজিত সৰকাৰ /১৯
- বৰ্তমানৰ শিশু আৰু নিচুকণি গীত ঃঃ হীৰকজ্যোতি কলিতা/২২
- এক পৰিকল্পিত হত্যা ঃঃ ময়ুদুৰ ৰহমান মণ্ডল/২৩
- বিজ্ঞাপন ঃ বৰ্ণভিটা, অফিচাৰ্ছ ছয়ছ ইত্যাদি ঃঃ অৰ্পণা ৰাভা/২৫
- ভাৰতীয় সমাজত নাৰীৰ স্থান আৰু নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা ঃঃ ভাস্বতী নাথ/২৮
- কল্পনা ঃঃ অজয় কলিতা/৩১
- অসমীয়া চলচ্চিত্ৰত এক ব্যতিক্ৰমী কাহিনীৰে নিৰ্মিত ভাস্কৰ হাজৰিকাৰ আমিষ ঃঃ লভিতা দাস/৩৫
- অপৰিহাৰ্য ঃঃ মৃদুপৱন শালৈ/৩৭
- ভাৰতীয় শিল্পকলাত অজন্তা আৰু ইলোৰা গুহাৰ ভূমিকা ঃঃ জেচমিনা ইয়াচমিন/৪০
- অচিন চিনাকী ঃঃ হিয়াশ্ৰী দাস/৪২
- সমাজৰ উত্তৰণত যুৱ-প্ৰজন্মৰ ভূমিকা ঃঃ ৰিম্পি গোস্বামী/৪৪
- প্ৰসংগ ঃ নিউজ পৰ্টেল ঃঃ অমল ঠাকুৰীয়া/৪৬
- আকৰ ঃঃ মনজিত শৰ্মা/৪৭
- এক অনুভূতি ঃঃ পূৰবী কলিতা/৪৭

- **ভাগৰুৱা পথিকৰ বিলাপ** ঃঃ হিমাদ্ৰী বিশ্বাস/৪৮
- **অকবিতাৰ গাথাৰে** ঃঃ প্ৰত্যাশা শৰ্মা/৪৯
- **দৈনন্দিন** ঃঃ লুকেশ কলিতা/৪৯
- **শিক্ষক** ঃঃ অনামিকা দাস/৫০
- **সপোনৰ ঠিকনা বিচাৰি** ঃঃ সুস্মিতা কুমাৰী/৫০
- **কে.আৰ.ডি. কলেজ অব এজ্যুকেচন** ঃঃ লীনা শৰ্মা/৫১
- **মাথো তুমি** ঃঃ জেছমিনা আহমেদ/৫১
- **পুথি মুকুতা** ঃঃ আব্দুছ ছালাম/৫২
- **কবিতা** ঃঃ সীমা মেধি/৫২
- Importance of B.Ed. Course for Prospective Teachers :: Md. Karim Ali/৫৩
- Role of Chandraprabha Saikiani in the Freedom Struggle of India :: Anamika Das/৫৬
- Emotional Health and Its Relevance inToday's World :: Niharika Bujar Baruah/৫৯
- Importance of Yoga In Students' Life :: Dulumoni Medhi /৬০
- Li-Fi :: Munmi Das /৬৪
- Black Hole :: Deepjyoti Das /৬৫
- Nature's Love :: Dimpal Boro /৬৬
- **बागुरुम्बा** :: सांग्रिला बसुमतारी /৬৬
- Until we meet again :: Himashree Das /৬৭
- ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিবেদন/৬৮
- বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ/৭৬
- List of Governing Body /৮০
- Staff OF K.R.D. College of Education, Chhaygaon /৮১
- Members of Students' Union /৮২
- Achievements by Our Trainees and College /৮৩

# ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি

**ড° সংগীতা কাকতি**
দাতা সদস্য, কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও



বিশিষ্ট সাহিত্যিক আৰু ছয়গাঁৰৰ এগৰাকী সু-সন্তান গগন চন্দ্ৰ অধিকাৰীৰ ভাষাত ক'বলৈ গ'লে 'যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ শেষাৰ্ধৰ পৰা ছয়গাঁৰৰ বৃহত্তৰ অঞ্চলত উন্নত পদ্ধতিৰে সেৱা আগবঢ়াই অজস্ৰ লোকক দীৰ্ঘ জীৱন যাপনৰ পৰমায়ু দান কৰা জনপ্ৰিয় চিকিৎসকজন আছিল ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি।' বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলত 'চুৰা ডাক্তৰ' নামেৰে জনাজাত ডাঃ কাকতিৰ মানৱ সেৱা আৰু সামাজিক দায়বদ্ধতা আজিও স্মৰণীয়।

১৯২৫ চনৰ ১৪ জানুৱাৰীত ছয়গাঁৱত জন্ম হৈছিল। তেওঁৰ পিতৃ কৃষ্ণৰাম দাস শুৱালকুছিৰ বাসিন্দা আছিল যদিও চাকৰি সূত্ৰে ছয়গাঁৱত স্থায়ীভাৱে থাকিব লগা হয়। মাতৃ ফুলচানা দাস। ছজন ল'ৰা আৰু তিনিগৰাকী কন্যাৰ মাজত ডাঃ কাকতি আছিল ষষ্ঠ সন্তান। পিতৃ-মাতৃৰ আদৰ্শ, আত্মনিৰ্ভৰ আৰু সমাজসেৱক শিশুকালৰ পৰাই প্ৰত্যক্ষ কৰি ডাঙৰ হোৱা কাকতিয়ে নিজৰ কৰ্মজীৱনতো সেয়া পদে পদে পালন কৰিছিল। যাৰ বাবে নিজেই তেওঁ সমাজৰ বাবে আদৰ্শ হৈ থাকিল।

গুৱাহাটীৰ কটন কলেজিয়েটত স্কুলীয়া শিক্ষা আৰম্ভ কৰি সুখ্যাতিৰে মেট্ৰিক পাছ কৰাৰ পিছত কটন কলেজৰ পৰাই আই এছ চি পাছ কৰে কাকতিয়ে। তাৰ পিছত মেডিকেল শিক্ষাৰ বাবে তেওঁ প্ৰথমে কলিকতালৈ যায়। কিন্তু পৰৱৰ্তী সময়ত অসমলৈ আহি ১৯৫৫ চনত ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা মেডিকেল শিক্ষা সফলতাৰে সমাপ্ত কৰে।

ডাক্তৰৰ ডিগ্ৰী লোৱাৰ পিছত কাকতিয়ে এটা সাহসী সিদ্ধান্ত ল'লে। চৰকাৰী চাকৰি লাভ কৰাৰ পিছতো সেয়া তেওঁ গ্ৰহণ নকৰিলে। বিপৰীতে সমাজৰ প্ৰতি থকা দায়িত্ববোধক জীৱন যাত্ৰাৰ লগত সংলগ্ন কৰি ল'লে। চিকিৎসকৰ দায়িত্ব যে প্ৰকৃত মানৱ সেৱা, সেয়া ডাঃ কাকতিয়ে কেৰিয়াৰ আৰম্ভ কৰিয়েই নিজৰ কৰ্মজীৱনত ধৰ্ম হিচাপে গ্ৰহণ কৰিলে। সেই সময়ত ছয়গাঁও অঞ্চলত কোনো চিকিৎসক নাছিল। যাৰ বাবে আধুনিক চিকিৎসাৰ পৰা বঞ্চিত আছিল বৃহত্তৰ অঞ্চলটোৰ ৰাইজ। ডাঃ কাকতি আছিল অঞ্চলটোৰ প্ৰথমজন এমবিবিএচ ডাক্তৰ। সেয়ে সুখৰ জীৱন-যাপনক মনৰ পৰা বিসৰ্জন দি ৰাইজক সেৱা কৰিবলৈ প্ৰত্যাৱৰ্তন কৰিলে। আধুনিক চিকিৎসাৰ পৰা বঞ্চিত গ্ৰামাঞ্চলৰ লোকক সেৱা কৰাৰ বাসনাৰে পেছাদাৰী চিকিৎসকৰ নতুন জীৱন আৰম্ভ কৰিলে।

ডাঃ কাকতিয়ে নিজ জন্মস্থান ছয়গাঁও অঞ্চলৰ চিকিৎসা সেৱা আৰম্ভ কৰা সময়ত আদিৰে পৰা লাভ কৰা অভিজ্ঞতা সম্পৰ্কত 'মেৰঘৰ সাহিত্য গোষ্ঠী'ৰ প্ৰথম সংখ্যা (বাৰ্ষিক মুখপত্ৰ, ১৯৯৭)ত এই কথাখিনি কৈছিল 'মই ১৯৫৫ চনৰ পৰা ইয়াত ডাক্তৰী চিকিৎসা নিগাজিকৈ আৰম্ভ কৰো। সেই সময়ত প্ৰধানতঃ ক'লাজ্বৰ, মেলেৰিয়া আক্ৰান্ত ৰোগী আছিল। ইয়াত তেতিয়া যাতায়ত ব্যৱস্থা নাছিল বুলিলেই হয়। বানপানীৰ সময়ত নিজৰ জীৱন বিপন্ন কৰিও ভেলেৰে গৈ ৰোগীৰ প্ৰাণ বচাবলগীয়া হৈছিল। খোজকাঢ়ি, নাও, চাইকেল, গৰুগাড়ী আদিৰে গৈ ভিতৰুৱা গাঁওবোৰত চিকিৎসা কৰিবলগীয়া হৈছিল। ৰোগীৰ আৰ্থিক অৱস্থা খুব বেয়া আছিল। সেই সময়ত দমকলৰ পানী প্ৰায় মানুহে ব্যৱহাৰ নকৰিছিল। পিছত সময়ৰ লগে লগে চৰকাৰে ডিডিটি স্প্ৰে' গাঁওসমূহত দিয়াৰ কাৰণে মেলেৰিয়া, ক'লাজ্বৰ আদি প্ৰায় বন্ধ হৈছিল। সেই সময়ত চৰকাৰৰ ফালৰ পৰা প্ৰত্যেক ১২ মাইল অন্তৰে অন্তৰে একোখন লোকেল ব'ৰ্ডৰ দাতব্য চিকিৎসালয় আছিল। তাত বিনা পইচাতে ঔষধ আৰু চিকিৎসাৰ সা-সুবিধা পোৱা গৈছিল। এই ডাক্তৰখানাবোৰ এজন ডাক্তৰ আৰু কম্পাউণ্ডাৰ আৰু চকীদাৰ এজনে চলাইছিল। চিকিৎসাৰ কাৰণে উপযুক্ত ভাল চিকিৎসা পাবলৈ ৰোগীসকল বৰ আগ্ৰহী আছিল।'

ডাঃ কাকতিয়ে ঘৰৰ ওচৰতে ক্লিনিক মুকলি কৰি ৰাইজৰ সেৱা আৰম্ভ কৰে। পুৱা আঠবজাৰ পৰাই ক্লিনিকত শতাধিক লোকে ভিৰ কৰে। কেৱল ঔষধে ৰোগীৰ বাবে ৰোগ উপশমৰ মাধ্যম হিচাপে লোৱা নাছিল ডাঃ কাকতিয়ে। বিভিন্ন কথাৰে ৰস সৃষ্টি কৰাত তেওঁ অতুলনীয় আছিল। ৰোগীক চিকিৎসা কৰি থকাৰ সময়তেই তেওঁ বিভিন্ন ৰসিক কথা কৈ ৰোগীৰ দেহ-মন প্ৰফুল্লিত কৰি তুলিছিল। ৰোগ যন্ত্ৰণাত ভুগি থকা ব্যক্তিয়ে ডাঃ কাকতিৰ মৰম সনা মাত আৰু ৰসাল কথা শুনিয়েই ঔষধ খোৱাৰ পূৰ্বেই আৰোগ্য লাভ কৰাৰ অনুভৱ কৰিছিল। সকলোৰে প্ৰতি সেৱাৰ মনোভাৱ ৰখা ডাঃ কাকতিয়ে ৰোগীক আপোন কৰি লৈছিল।

১৯৫৮ চনত ডাঃ কাকতিয়ে গুৱাহাটীৰ উজান বজাৰৰ টলষ্টয়ৰ সাধু খ্যাত বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, বি.বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত সুৰেন্দ্ৰ মোহন দাসৰ জীয়ৰী শ্ৰীমতী অঞ্জলি দাসৰ সৈতে বিবাহপাশত আবদ্ধ হয়। সন্দিকৈ মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদিকা আছিল অঞ্জলি দাস। বিয়াৰ সময়ত শ্ৰীমতী দাস

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী আছিল। কিন্তু বিবাহৰ পিছত তেওঁ পত্নী ধৰ্ম পালন কৰি ডাঃ কাকতিৰ মানৱ সেৱা যাত্ৰাত অগ্ৰণী সহযোগী হ'ল।

১৯৭০ চনৰ পৰা সুদীৰ্ঘ ১৬ বছৰ ধৰি ডাঃ কাকতিয়ে মেঘালয়ৰ সোণা পাহাৰত আছাম ছিলিমিনিটি কোম্পানীত অস্থায়ী চিকিৎসক হিচাপে কাম কৰিছিল। প্ৰতি সপ্তাহে এবাৰকৈ তেওঁ উক্ত ঠাইলৈ গৈছিল। সেই অঞ্চলত চিকিৎসালয় বা চিকিৎসক নথকাৰ বাবেই নেপালী-খাছি লোকসকলৰ পথত জুম বান্ধি ৰৈ থাকে ডাঃ কাকতিৰ বাবে। ডাঃ কাকতিয়েও ঘৰৰ পৰাই তেওঁলোকৰ বাবে ঔষধ লৈ যায়। পথতেই চিকিৎসা সম্পন্ন কৰি ৰোগীৰ ৰোগ নিৰাময় কৰে। দুখীয়া ৰোগীৰ বাবে তেওঁ আছিল স্বৰূপাৰ্থত ভগৱান।

তদুপৰি সমাজৰ সচেতন নাগৰিক হিচাপে প্ৰতিটো ক্ষেত্ৰতেই তেওঁ সক্ৰিয়ভাৱে নিজক জড়িত কৰি নেতৃত্ব প্ৰদান কৰিছিল। দেশৰ জৰুৰীকালীন অৱস্থাত ডাঃ কাকতিয়ে ছয়গাঁৱত জনতা দল গঠন কৰি নিজে সভাপতিৰ দায়িত্ব লৈ নাগৰিকক সংগঠিত কৰি প্ৰতিবাদ কৰিছিল। সেই সময়তেই তেওঁ ছয়গাঁৱত এখন বিশাল জনসভা আয়োজন কৰি ৰাষ্ট্ৰীয় নেতা ৰূপে সভালৈ আমন্ত্ৰণ কৰি আনিছিল আৰু উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী হেমন্তী নন্দনক। বিশাল জনসভাত সভাপতিৰ দায়িত্ব লৈ সৰল যুক্তিৰে ভাষণ প্ৰদান কৰি ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হয়।

ডাঃ কাকতি ছয়গাঁৱৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল। ১৯৫৮ চনত স্থাপন হোৱা ছয়গাঁও চম্পকনগৰ সাৰ্বজনীন ৰাস মহোৎসৱৰ সৈতে তেখেত প্ৰায় আদিৰে পৰা জড়িত আছিল। ছয়গাঁও নাট্য মন্দিৰ, ছয়গাঁও মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰতো তেখেতে প্ৰশংসনীয় ভূমিকা লৈছিল। ১৯৬৯ চনত ছয়গাঁৱত 'ছয়গাঁও চম্পকনগৰ ছোৱালী হাইস্কুল' স্থাপনৰ ক্ষেত্ৰত ডাঃ কাকতিয়ে সক্ৰিয় ভূমিকা লৈছিল। স্ত্ৰী শিক্ষাৰ এই শিক্ষানুষ্ঠানখনত প্ৰতিষ্ঠাপক সভাপতি হোৱাৰ উপৰি সম্পূৰ্ণ এঘাৰ বছৰ বিদ্যালয়খন প্ৰাদেশিকীকৰণ হোৱালৈ তেখেতে দায়িত্ব পালন কৰিছিল।

তেখেতে অতি সহজে সৰু-ডাঙৰ সকলোৰে সৈতে আত্মীয়তা গঢ়ি তুলিব পাৰিছিল। বিশেষকৈ সৰু ল'ৰা-ছোৱালী তেখেতৰ বৰ প্ৰিয় আছিল। চাইকেল বা গাড়ীখনেৰে গাঁৱলীয়া ৰাস্তাৰে ৰোগী চাবলৈ গ'লে সৰু ল'ৰা-ছোৱালীবোৰে 'চুৰা ডাক্তৰ' 'চুৰা ডাক্তৰ' বুলি চিঞৰি পিছে পিছে দৌৰে। গাড়ীখনত সৰু ল'ৰা-ছোৱালীবোৰক উঠাই এপাক মৰাই আনি তেখেতে পৰম সন্তুষ্টি লাভ কৰিছিল।

ডাঃ কাকতি আছিল ভ্ৰমণপ্ৰিয় ব্যক্তি। ব্যস্ততাৰ মাজতো সুৰুঙা উলিয়াই দেশৰ ভিতৰৰ আৰু বিদেশৰো কিছু ভ্ৰমণ কৰিছিল। তেখেতৰ ব্যস্ততাৰ মাজতো মানুহৰ ঘৰলৈ আহ-যাহ কৰা, নিমন্ত্ৰণ ৰক্ষা কৰা, কাৰোবাৰ মৃত্যুৰ খবৰ পালে লৰালৰিকৈ গৈ এযাৰ মাত লগাই আহিবলৈ নাপাহৰিছিল। তেখেত আছিল ব্যক্তিত্বপূৰ্ণ এগৰাকী ৰসিক পুৰুষ।

ছয়গাঁৱত ১৯৬৯ চনত 'ছয়গাঁও চম্পকনগৰ' নামেৰে স্থাপন হোৱা ছোৱালী হাইস্কুলখনত শ্ৰীমতী কাকতিয়ে আৰম্ভণিৰে পৰা কিছু বছৰ শিক্ষকতা কৰিছিল। পঢ়া-শুনা কৰি ভালপোৱা শ্ৰীমতী কাকতিয়ে ছোগা-চোৰোকাকৈ লিখা-মেলাও কৰে। তেওঁৰ 'আমেৰিকা ভ্ৰমণৰ মনোৰম ছবি' নামেৰে প্ৰকাশ পোৱা ভ্ৰমণ পুথিখনে পাঠকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল।

তেওঁলোকৰ তিনিগৰাকী কন্যা। কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী ড° নন্দিনী ঠাকুৰীয়া, প্ৰবক্তা বুদুৰাম মহাবিদ্যালয়, শুৱালকুছি,

ডাঙৰ জোঁৱাই প্ৰদীপ কুমাৰ ঠাকুৰীয়াই জলসিঞ্চন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁলোকৰ পুত্ৰ প্ৰিয়াংশু প্ৰৱাল ঠাকুৰীয়া এগৰাকী স্থাপত্যবিদ আৰু কন্যা প্ৰিয়াংকিতা প্ৰিয়ম ঠাকুৰীয়া গুৱাহাটীৰ ৰয়েল গ্লোবেল ইউনিভাৰ্চিটিৰ প্ৰবক্তা।

মাজু কন্যা অজন্তা বৰুৱা শাস্ত্ৰীয় সংগীতৰ শিক্ষয়িত্ৰী। মাজু জোঁৱাই ইৰাণ কুমাৰ বৰুৱাই জলসিঞ্চন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা হিচাপে অৱসৰ গ্ৰহণ কৰিছে। তেওঁলোকৰ দুই পুত্ৰ পাৰ্থশক্তি বৰুৱা আৰু অদ্বিত্যশক্তি বৰুৱা দুয়োজনেই অভিযন্তা।

সৰু কন্যা ড° সংগীতা কাকতি অসমৰ এগৰাকী প্ৰতিষ্ঠিত কণ্ঠশিল্পী। তেখেত কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী আৰু এই মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী (১৯৯৭—২০০৬ লৈ, ইংৰাজী মেথ'ড)। সৰুজোঁৱাই ৰাজীৱ প্ৰকাশ বৰুৱা অসম চৰকাৰৰ এগৰাকী জ্যেষ্ঠ প্ৰশাসনিক বিষয়া। তেওঁলোকৰ পুত্ৰ ৰিতম বৰুৱা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ আৰু কন্যা অনুষ্কা বৰুৱা স্নাতক শ্ৰেণীৰ ছাত্ৰী।

এই অনুষ্ঠানবোৰৰ উপৰি ডাঃ কাকতিৰ ছয়গাঁৱত শিক্ষণ-প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত তেখেতৰ বিশেষ অৱদান আছে। ১৯৯৩ চনত ডাঃ কাকতিয়ে তেখেতৰ পিতৃ কৃষ্ণ ৰাম দাসৰ সোঁৱৰণত ছয়গাঁও শিক্ষণ-প্ৰশিক্ষণ মহাবিদ্যালয় নিৰ্মাণৰ বাবে তিনি বিঘা মাটি দান কৰাৰ লগতে কলেজৰ বাবে এটি গৃহ নিৰ্মাণ কৰি দান দি নিজেই পৰিচালনা সমিতিৰ গুৰু দায়িত্ব লৈছিল। তেখেতে অশেষ কষ্ট কৰি এই মহাবিদ্যালয়খন স্থাপন কৰি থৈ গৈছে। মুমূৰ্ষজনৰ আস্থা এই মানৱ দৰদী চিকিৎসকজনে ২০০৯ চনৰ ২৬ জানুৱাৰীত ৮২ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ডাঃ কাকতিৰ কৰ্মময় জীৱনাদৰ্শই নৱপ্ৰজন্মক প্ৰেৰণা দিয়ক।

এইখিনিতে এষাৰ কথা উনুকিওৱাৰ লোভ সামৰিব নোৱাৰিলো। এইগৰাকী জনপ্ৰিয় চিকিৎসকৰ বিয়োগত শ্ৰদ্ধাঞ্জলি জনাই ছয়গাঁৱৰ এগৰাকী ব্যক্তিয়ে স্মৰণিকাত এইদৰে লিখিছিল— 'আমাৰ বোধেৰে অসমৰ দহজন শ্ৰেষ্ঠ মানৱ দৰদী, সু-চিকিৎসকসকলৰ তালিকা উলিয়ালে নিঃসন্দেহে ডাঃ কাকতিয়ে স্থান লাভ কৰিব।'❑

এই উৎসৱটো আৰম্ভ কৰিছিল ছয়গাঁৱৰ দক্ষিণে মাজপাৰা গাঁৱত। বিহু বতৰত মাজপাৰা নিৱাসী নন্দিৰাম মেধিয়ে আৰম্ভ কৰা এই উৎসৱটো হ'ল 'দধি মন্থন'।




# কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয় ঃ কিছু মিঠা সোঁৱৰণ

**উমানন্দা বৰুৱা**
জ্যেষ্ঠ প্ৰবক্তা, কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

শিশু এটি জন্মলগ্নৰে পৰা যৌৱনপ্ৰাপ্ত হোৱালৈকে প্ৰত্যক্ষ কৰাৰ সুখানুভূতি তথা নিৰ্মল আনন্দক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো একে কথা খাটে।

ছয়গাঁও অঞ্চলৰ কেইজনমান বিশিষ্ট শিক্ষা অনুৰাগীৰ সু-চিন্তাৰ ফচলস্বৰূপে ১৯৯৩ চনত জন্মলাভ কৰিছিল "কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও"। ছয়গাঁৱৰ ৰাইজৰ দান-বৰঙণিৰে স্থাপিত হোৱা এই শিক্ষানুষ্ঠানখনি বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী সদ্যপ্ৰয়াত ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি আৰু পৰিয়ালবৰ্গই তেখেতৰ প্ৰয়াত পিতৃ স্বৰ্গীয় কৃষ্ণ ৰাম দাসৰ সোঁৱৰণত প্ৰায় তিনি বিঘা মূল্যবান ভূমি দান কৰে। ছয়গাঁও অঞ্চলৰ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাকতিদেৱৰ পৰিয়ালে আগবঢ়োৱা এই মহান অৱদান চিৰস্মৰণীয় হৈ থাকিব।

প্ৰথম অৱস্থাত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণীকোঠাতে এই মহাবিদ্যালয়ৰ পাঠদান কৰা হৈছিল— আবেলি ৪ বজাৰ পৰা। তেনে সময়তে মই এই শিশু অনুষ্ঠানখনিত যোগদান কৰিছিলো। প্ৰায় ৪৬ কিলোমিটাৰ দূৰত্বত অৱস্থিত গুৱাহাটীৰ আমাৰ ঘৰৰ পৰা অহা-যোৱা কৰি পাঠদান কৰিবলৈ বিপুল উৎসাহ যোগাইছিলে মোৰ জাঁ কল্পনা শৰ্মাই; তেওঁ সেইসময়ত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়িত্ৰী ৰূপে কৰ্মৰত আছিল।

চাকৰিত যোগদান কৰিবলৈ যোৱা প্ৰথম দিনৰ কথা এতিয়াও ফটফটিয়াকৈ মোৰ মানসপটত জিলিকি আছে। ছয়গাঁও মোৰ বাবে সম্পূৰ্ণৰূপে অপৰিচিত বাবে সেইদিনা মই মা-দেউতাৰ লগত গৈছিলো। সেইদিনা আমি ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতিদেৱৰ ঘৰলৈ গৈ চিনা-পৰিচয় হৈছিলো; তাতেই লগ পাইছিলো

কাকতিদেৱৰ সদস্যপ্ৰয়াত পত্নী অঞ্জলি কাকতি বৰমাক। তেতিয়াৰে পৰা অতি সাদৰী বৰমাগৰাকী যেন হৈ পৰিছিল মোৰ অভিভাৱক। কিমান দিন যে চাহ-ভাত খুৱাই বাছত উঠাই দিয়ালৈকে তেখেতসকলে মোক সহায় কৰিছিল সেই কথা আজীৱন পাহৰিব নোৱাৰিম! তেখেতসকলৰে সুযোগ্যা কন্যা সুকণ্ঠী গায়িকা সঙ্গীতা কাকতিক মই লগ পাইছিলো প্ৰথমে ছাত্ৰীৰূপে আৰু পিছলৈ সহকৰ্মীলৈকে।

মই চাকৰিত যোগদান কৰি নতুন অপৰিচিত পৰিৱেশৰ ভাৱটো মনৰ পৰা নাযাওঁতেই কিছুদিনৰ পিছতে যোগদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ মোৰ সহপাঠী ৰেখামণি ডাকুৱাই। বহুদিনৰ পিছত এইবাৰ সহকৰ্মী হিচাপে ৰেখাক লগ পাই কিমান যে ভাল লাগিছিল! দ্ৰুত গতিত সময়বিলাক বাগৰি গৈ আছিল; কলহী নদীয়েৰেও বহুত পানী প্ৰৱাহিত হ'ল। কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰো আকৃতি আৰু প্ৰকৃতি ক্ষীপ্ৰগতিত পৰিবৰ্তিত হ'ল। গুৰুত্বও বাঢ়ি আহিল অপৰিসীমভাৱে। সেইদৰে আমাৰো মানসিকতাৰ ধনাত্মক ৰূপান্তৰ ঘটিল অজানিতেই। মহাবিদ্যালয় খন কেতিয়াযে মোৰ বাবে দ্বিতীয় ঘৰ যেন হৈ উঠিল তাৰ উমানকে নাপালো। সুদীৰ্ঘ এই কৰ্মজীৱনত মহাবিদ্যালয়খনি আৰু ছয়গাঁও নগৰৰ বহুতো ৰূপান্তৰৰ নীৰৱ সাক্ষী হৈ পৰিলোঁ।

বিস্তীৰ্ণ ধাননি পথাৰে আগুৰি ৰখা নিৰিবিলি পৰিৱেশত থকা আমাৰ মহাবিদ্যালয়ৰ মাটিখিনি এটা সময়ত মাটি পেলাই বাম (ওখ) কৰা হ'ল; তাতে কাকতি পৰিয়ালৰ দ্বাৰা এটি অসম আৰ্হিৰ ভৱন নিৰ্মাণ কৰা হ'ল। যথা সময়ত চৌহদৰ ভৱন নিৰ্মাণ কৰা হ'ল আৰু চৌহদৰ পৰিসীমাত 'ফেন্সিং' দি সীমাটো নিকপকপীয়া কৰা হ'ল। লাহে লাহে নাহৰ, বকুল, দেৱদাৰু, নিম প্ৰভৃতি বৃক্ষৰোপনেৰে চৌহদটো সুদৃশ্যমান কৰিবলৈ চেষ্টা কৰা হ'ল। মহাবিদ্যালয়ৰ নিজা ভৱন হোৱাৰ পিছত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পাঠদান স্থানান্তৰিত কৰা হয় মহাবিদ্যালয়ৰ নিজা গৃহলৈ; ফলস্বৰূপে নিতাল পৰিৱেশৰ মহাবিদ্যালয়খনি হৈ উঠিল প্ৰাণোচ্ছল। সময়ৰ সোঁতত গুৱাহাটী বিশ্ববিদ্যালয়, NCTE আদিৰ কঠোৰ নিৰ্দেশনা, প্ৰয়োজনীয়তা তথা উপদেশ সমূহ সাহসেৰে পালন কৰিবলৈ যাওঁতে সৃষ্টি হোৱা অলেখ সমস্যা হেলাৰঙে সমাধান কৰা হ'ল আৰু হৈ আছে। ইতিমধ্যে B.Ed পাঠ্যক্ৰমো দুবাৰকৈ পৰিৱৰ্তন হ'ল। পিছলৈ এবছৰীয়া B.Ed দুবছৰীয়া হ'ল আৰু নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ল। এনেকৈয়ে এখোজ দুখোজ কৰি আগুৱাই গৈ থাকি আমাৰ 'কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়' (K.R.D. College of Education) খনি দক্ষিণ কামৰূপৰ ভিতৰতে এখনি উল্লেখযোগ্য শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হ'বলৈ সক্ষম হৈ উঠিছে। প্ৰশিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি আৰু বিভিন্ন নিৰ্দেশনা তথা প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ এটা বৃহৎ তিনিমহলীয়া R.C.C. ভৱনো নিৰ্মাণ কৰা হ'ল। বৰ্তমান কাকতি পৰিয়ালৰ উদ্যোগত মূল প্ৰৱেশ পথত এখনি অতি বিতোপন তোৰণ নিৰ্মীয়মান অৱস্থাত আছে। এইবিলাকৰ লগে লগে আনুষ্ঠানিক অন্যান্য পৰিবৰ্তন দৃশ্যমান হ'ল মোৰ চকুৰ আগতেই। ছয়গাঁৱৰ মূল পথ সংযোগী লুংলুঙীয়া সৰু পথটোও হৈ উঠিল সুন্দৰ আহল-বহল আৰু পকী। মহাবিদ্যালয়ৰ কাষতে জাতীয় বিদ্যালয় ছয়গাঁও প্ৰতিষ্ঠা কৰা হয় এই সময়ছোৱাতে। ছয়গাঁও নগৰৰো অৱয়ব তথা ব্যস্ততা বাঢ়ি আহিল লাহে লাহে। মহাবিদ্যালয়ৰ কাষত থকা ঘৰ-বাৰী বিলাকৰো চমকপ্ৰদ পৰিবৰ্তন তথা পৰিবৰ্দ্ধনৰো নীৰৱ সাক্ষী হৈ ৰ'লো।

এই পৰিবৰ্তনৰ লগত খোজ মিলাই পৰিবৰ্তিত হৈছিল মোৰো মানসিকতাৰ। প্ৰথম

অৱস্থাত কেতিয়াবা বয়সৰ লেখেৰে মোতকৈ বহু জ্যেষ্ঠ শিক্ষক প্ৰশিক্ষাৰ্থী সকলক শ্ৰেণীত পঢ়ুৱাবলৈ অপ্ৰস্তুত হৈ পৰিছিলো। কিয়নো সেই সময়ত বহুকেইজন কৰ্মৰত শিক্ষকক প্ৰশিক্ষাৰ্থী ৰূপে পাইছিলো; মোৰ অভিজ্ঞতা আৰু বয়স তেতিয়া পুৰঠ হোৱা নাছিল। সৌভাগ্যক্ৰমে, বহু গুণী-গুণী বিশেষকৈ প্ৰয়াত পৰেশ অধিকাৰী ছাৰ, প্ৰয়াত গকুল গোস্বামী ছাৰ, মাধৱ চন্দ্ৰ শালৈ, আব্বাচউদ্দিন আহমেদ প্ৰমুখ্য কৰি বিভিন্ন ব্যক্তিসকলৰ সহায়-সহযোগিতাত নিজৰ কৰ্তব্য সুকলমে পালন কৰি যাবলৈ অনুপ্ৰেৰণা তথা সাহস পাইছিলো। বি.এড প্ৰশিক্ষণৰ কালছোৱাত প্ৰশিক্ষাৰ্থী সকলৰ লগত হোৱা শিক্ষাৰ আদান-প্ৰদান, Practice Teaching, Mass Orientation Programeত শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰতিভাৰ প্ৰকাশ, সৰস্বতী পূজা, পিক্‌নিক্ আদিত কৰা ৰং-ৰহইচ বিলাকৰ মাজেৰে নিজকে বিলীন কৰি অপাৰ আনন্দ লাভ কৰিবলৈ সমৰ্থ হৈছো। প্ৰতিবছৰেই প্ৰশিক্ষাৰ্থীসকলৰ লগত সেয়েহে আনন্দৰ সমভাগী হৈ এপাক হ'লেও ননচাকৈ সাৰি যাব পৰা নাই আজিও।

মহাবিদ্যালয়খনি প্ৰতিষ্ঠাপনৰ প্ৰথম অৱস্থাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশ বিশেষকৈ কেৰালা, অন্ধ্ৰপ্ৰদেশ, হিমাচল আৰু পশ্চিমবংগ আদিৰ পৰা বহু প্ৰশিক্ষাৰ্থী আহিছিল আৰু নিজ নিজ কৰ্মক্ষেত্ৰত সুপ্ৰতিষ্ঠিত হৈ আছে। পৰৱৰ্তী সময়ত অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰশিক্ষাৰ্থী সকল প্ৰশিক্ষণ ল'বলৈ আহিছিল আৰু বৰ্তমানেও আহি আছে। বিভিন্ন অঞ্চলৰ ভাষা সংস্কৃতি, আচাৰ-ব্যৱহাৰ আদান-প্ৰদানৰ মিঠা পৰিৱেশে মহাবিদ্যালয়খনিৰ লগতে আমাৰো জীৱন যেন কৰি তুলিছে অধিক মোহনীয়, অধিক জীপাল। সেইদৰে কভিড আক্ৰান্তৰ সময়তো শৈক্ষিক জগতখনলৈও বহুত পৰিবৰ্তন আহিলে— Online class, Online Examination আদিৰ দৰে নতুন পদ্ধতি আৰম্ভ হ'ল। অৰ্থাৎ কভিদৰ দৰে অতিমহামাৰীয়েও শিক্ষাৰ অগ্ৰগতি ভেটিব নোৱাৰিলে আৰু আমিও পৰিবৰ্তিত পৰিস্থিতিৰ চাহিদাতে নিজকে সলনি কৰিবলৈ চেষ্টা কৰিছো অহৰ্নিশে।

আজি মই ভাবি অতি আনন্দিত হওঁ তিতা-মিঠা বহু কথা সোঁৱৰণ কৰি। বাছত হোৱা সৰু সৰু হাস্যমধুৰ ঘটনা, লৰা-ঢপৰা, মহাবিদ্যালয়লৈ যোৱা লুংলুঙীয়া বোকাময় পথেৰে খুপি খুপি যাওঁতে তিতি পিছল খাই পৰা ঘটনা, বাৰিষা বতাহ-ধুমুহাত তিতি বুৰি বৰ্ণালী গোস্বামীৰ ঘৰত কাপোৰ সলাই ঘৰলৈ অহা আদি কথাবোৰ যেন আজি এমুঠি মিঠা সোঁৱৰণ মাত্ৰ।

আজি মই আনন্দত আপ্লুত হৈ উঠো মহাবিদ্যালয়ৰ মনোৰম চিৰসেউজ পৰিৱেশ, মনোমোহা বৃক্ষ তথা ফুলনিত জকমকাই থকা ফুলৰ অপৰূপ সৌন্দৰ্য, সুবিশাল ভৱনলৈ আহ-যাহ কৰা সুশৃংখল সাজ-পোচাক পৰিহিত সদাব্যস্ত প্ৰশিক্ষাৰ্থীসকলৰ হাঁহি-ধেমালি প্ৰত্যক্ষ কৰি। আজি আমাৰ কৃষ্ণ ৰাম দাস মহাবিদ্যালয়ৰ পৰিৱেশ চিৰযৌৱনা, সজীৱ আৰু উত্তাল। প্ৰশিক্ষাৰ্থীসকলে পাছ কৰি ন ন কৰ্মক্ষেত্ৰত যোগদান কৰা বতৰাই এই পৰিৱেশ কৰি তোলে অধিক জীপল অধিক উমাল।

আজি মই বিমোহিত হৈ পৰো এটি শিক্ষানুষ্ঠানৰ লহপহীয়া বিকাশৰ আঁৰত অজস্ৰজনৰ ত্যাগ আৰু নিষ্ঠাৰ মিঠা সোঁৱৰণৰ অনুভৱেৰে।

আশাকৰো এই শিক্ষানুষ্ঠানখনি এনেকৈয়ে চিৰদিন প্ৰাণচঞ্চলা হৈ থাকক, চিৰদিন শিক্ষাৰ আলোকেৰে মানৱ জীৱন আগুৱাই লৈ যোৱাৰ সমল হওঁক।

'কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়'খনি এখন উৎকৃষ্ট অত্যাধুনিক শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হ'ব পাৰে তাৰেই দুৰ্বাৰ আকাঙ্খা তথা সপোনত আত্মবিভোৰ হৈ পৰো আজি মই।□

# বগেজাৰী গীতৰ কথাৰে...

**অপৰাজিতা দাস**
প্ৰবক্তা
কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

অসমত বসবাস কৰি থকা অন্যতম জনজাতি হ'ল ৰাভা জনজাতি। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক বৰ্ণময় আৰু সমৃদ্ধিশালী কৰি তোলাত ৰাভা সংস্কৃতিৰ অৱদান শলাগিবলগীয়া। লোকসাহিত্য, লোকগীত, লোককলা আদি প্ৰতিটো দিশেৰে অসমীয়া সংস্কৃতিক ৰাভাসকলে সমৃদ্ধ কৰি ৰাখিছে। ৰাভা জনজাতিৰ অন্তৰ্গত এটি শাখা হৈছে পাতি ৰাভা। এওঁলোকে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত নিজকে চামিল কৰি দিয়াৰ ফলশ্ৰুতিত নিজস্ব দোৱান নথকা হেতুকে ৰাভা মিশ্ৰিত অসমীয়া থলুৱা ভাষাকে নিজস্ব ভাষাৰূপে ব্যৱহাৰ কৰি আহিছে। তেওঁলোকৰ এই ভাষাক 'ৰাভামিজ' আখ্যা দিয়া হয়।



অসমত বসবাস কৰি থকা পাতিৰাভা সকলৰ মাজত প্ৰচলিত একশ্ৰেণীৰ গীত হ'ল বগেজাৰী গীত। বগেজাৰী গীতৰ ব্যুৎপত্তি সম্পৰ্কে বিভিন্নজনে ভিন্ন মত তথা ব্যাখ্যা আগবঢ়াইছে। কোনো কোনোৰ মতে দক্ষিণ কামৰূপ অঞ্চলৰ বনগাঁও আৰু বামুণীগাঁও নামৰ ঠাই দুখনৰ মাজত হেনো বগে নামৰ এখন ৰাজ্য আছিল আৰু বগে সিং নামৰ ৰজাই সেই ৰাজ্য শাসন কৰিছিল। বগেৰজা আৰু পত্নী ধুন্দুলীৰ কেইবাজনীও কন্যা সন্তানৰ জন্ম আৰু তাৰ মাজৰ এজনীৰ নাম আছিল জাৰী। বগে ৰাজ্যত ওপজা বাবে নাম পাইছিল বগেজাৰী। এই বগেজাৰী আছিল স্বভাৱত কবি আৰু গায়িকা। এই বিদুষী নাৰী বগেজাৰীয়ে অন্তৰৰ সুখ-দুখ, হাঁহি-কান্দোন, আৱেগ-অনুভূতি আদি সাৱলীল গীতৰ মাধ্যমেৰে প্ৰকাশ কৰিছিল। তেওঁৰ সৃষ্ট সেই গীতসমূহেই হ'ল বগেজাৰী গীত। গীতৰ কলিত পোৱা যায়-

ধুন্দুলী আৰু বগেজাৰী
দুই মাই বেটী
বগে ৰাজ্যত জিলিকে
যেন জোনবিৰি

এচাম গৱেষকে আকৌ ক'ব বিচাৰে যে, বগেজাৰী হেনো মনসা কবি মনকৰৰ প্ৰেয়সী বা পত্নী আছিল। এই কথা গীতৰ মাজত পোৱা যায় এইবুলি-

বগেজাৰী বাই ঐ
তোৰে গীত গাং
মাৰে ওজাৰ তিৰী তুই
মাৰে চাবা যাং

এনেদৰে বিভিন্ন পণ্ডিত তথা গৱেষক ব্যক্তিয়ে বগেজাৰী সম্পৰ্কে আন বহুতো ব্যাখ্যা আগবঢ়াইছে। বগেজাৰী ঐতিহাসিক চৰিত্ৰ নে কিংবদন্তি সেই কথাৰ সঠিক তথ্য পোৱাৰ কোনো উপায় নাই।

বগেজাৰী গীত সমূহ পাতি ৰাভাসকলৰ অমূল্য সম্পদ। পাতি ৰাভাসকলৰ মাজত বিভিন্ন উৎসৱপাৰ্বণৰ প্ৰচলন আছে। বগেজাৰী গীতসমূহ তেওঁলোকে উৎসৱ-অনুষ্ঠানবোৰত পৰিৱেশন কৰে। বসন্ত ঋতুৰ সময়ত খেতি-বাতিৰ কাম বেছি নাথাকে অৰ্থাৎ এই সময়ত কামৰ বোজা কিছু কম হয় আৰু তেনে সময়ত কৰ্মী পুৰুষ তিৰোতাসকলে সমূহীয়াভাৱে ঘৰ বন্ধা, খৰি কটা, মাছ মৰা আদি কাম কৰে আৰু শ্ৰম লাঘৱ কৰিবলৈ কামৰ মাজত লাওপানী খাই স্ফূৰ্তি কৰি আনন্দত মতলীয়া হৈ বগেজাৰী গীত গাই নাচি-বাগি ৰং-ৰহইচ কৰে। এই গীতবোৰ প্ৰধানকৈ নাৰী সমাজত প্ৰচলিত। কৰ্মপটু ৰাভা মহিলাসকলে নিজ হাতে বোৱা ৰঙীণ বস্ত্ৰ পৰিধান কৰি, আ-অলংকাৰেৰে সুশোভিত হৈ গীতসমূহত সমূহীয়াভাৱে অংশগ্ৰহণ কৰে। বগেজাৰী গীত-নৃত্য পৰিৱেশন কৰোতে হাতেৰে নিৰ্মিত কেইবাবিধো বাদ্য ব্যৱহাৰ কৰে।

পাতিৰাভাসকল নিজৰ পৰম্পৰা আৰু সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত সদায় সচেতন। তেওঁলোকৰ চালে চকুৰোৱা বাৰেৰহণীয়া সাংস্কৃতিক ক্ষেত্ৰখনৰ অসমীয়া সংস্কৃতিক চহকী কৰি তোলাত যথেষ্ট অৰিহণা আছে। অৱশ্যে, তেওঁলোকৰ সমাজ-সংস্কৃতিকো আধুনিকতাৰ বতাহজাকে কিছু পৰিমাণে কোবাইছে। খোৱা-বোৱা, পিন্ধন-উৰণ, নৃত্য-গীত আদি কোনো কোনো ক্ষেত্ৰত কম-বেছি পৰিমাণে ৰাভা সমাজকো আধুনিকতাই স্পৰ্শ কৰিছে। অসমৰ বাপতি সাহোন বিহুটি পথাৰ বা গছৰ তলৰ পৰা মঞ্চ পোৱাৰ দৰে ৰাভাসকলৰ বগেজাৰী গীতও মঞ্চত উঠিবলৈ সক্ষম হৈছে। এই গীতসমূহৰ চৰ্চা অব্যাহত ৰাখি ইয়াক দীৰ্ঘজীৱী কৰি ৰাখিব পাৰিলে ৰাভা লোকসাহিত্যই এখনি উচ্চ আসনত অধিস্থিত হ'ব পাৰিব।□

# গীত, চলচ্চিত্ৰ আৰু মাজুলী



জ্ঞানদীপ শইকীয়া
বি.এড., প্ৰথম বৰ্ষ

"স্পেনিচ টুৰিজিম প্ৰম'চন এজেন্সি"ৰ প্ৰযোজনাত ২০১১ বৰ্ষত বলিউদত মুক্তি পাইছিল স্পেইনৰ পটভূমিত নিৰ্মিত চলচ্চিত্ৰ "জিন্দেগী না মিলেগী দোবাৰা"। বাণিজ্যসফল এই ছবিখনে মুক্তিৰ পাছতে জনপ্ৰিয় হৈ উঠিছিল আৰু সকলোৰে প্ৰিয় বোলছবি হিচাপে আজিও এই ছবিখনে গুৰুত্ব লাভ কৰি আছে। এই ছবিখনৰ এটা প্ৰধান দিশ হৈছে, ছবিখন মুক্তিৰ পাছতে স্পেইনলৈ ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ দৰ্শকৰ পৰ্যটক হিচাপে সোঁত বৈছিল। এক দীৰ্ঘম্যাদী লক্ষ্য আগত ৰাখি স্পেইনৰ পৰ্যটন উদ্যোগটোক চলচ্চিত্ৰখনত ব্যৱহাৰ কৰা হৈছে আৰু ইয়াৰ সুফল স্পেইনে হাতে হাতে পাইছে। মনোৰঞ্জন ক্ষেত্ৰৰ সুপৰিকল্পিত ব্যৱহাৰে পৰ্যটন উদ্যোগৰ উন্নয়নত সহায়ক হয়। ভাৰতৰো ৰাজস্থান, হিমাচল প্ৰদেশ, হায়দৰাবাদ ইত্যাদি ঠাইৰ চলচ্চিত্ৰত দৃষ্টিনন্দন উপস্থাপন দেখিয়ে পৰ্যটক যাব খোজে। একেদৰে "য়ে জৱানী হ্যে দিৱানী" নামৰ চলচ্চিত্ৰখনত মানালীৰ আটকধুনীয়া উপস্থাপনে আজিও প্ৰতিজন দৰ্শককে এবাৰ মানালীলৈ যাবলৈ উদগনি যোগায়।

অসমৰ ক্ষেত্ৰত মনোৰঞ্জন জগতে পৰ্যটনক্ষেত্ৰত বৰ বিশেষ ভূমিকা পালন কৰিব পৰা নাই। অসমৰ দুটামান প্ৰাকৃতিক সম্পদ আৰু বিহুৰ বাবে অসমৰ পৰ্যটন ক্ষেত্ৰসমূহৰ কথা মানুহে গমেই নাপায়। মানুহৰ মাজলৈ অসম পৰ্যটনৰ প্ৰকৃত তথ্য লৈ যাবলৈ পৰ্যটন বিভাগে কোনো ফলপ্ৰসু ব্যৱস্থাও লোৱা দেখা পোৱা নাযায়। কোটি টকাৰ বিনিময়ত বলিউদ তাৰকা প্ৰিয়ংকা চোপ্ৰাক কাজিৰঙালৈ আনি ৰিহা-মেখেলা পিন্ধাই হাতীৰ পিঠিত তুলি পৰ্যটকক আকৰ্ষণ কৰিবলৈ লগাইও অসম পৰ্যটন বিভাগে বিশেষ লাভ অৰ্জন কৰিব নোৱাৰিলে। আমো হেৰাল, ফৰ্মুটিও হেৰাল। বোধহয় ব্ৰেণ্ড এম্বেচাদৰৰ ম্যাদ উকলিল আৰু বলিউদ তাৰকাইও অসমৰ নামেই নোলোৱা হ'ল। পৰিবহন-যোগাযোগৰ একেই তথৈবচ অৱস্থা। আনহে নালাগে অসমৰ পৰ্যটন ক্ষেত্ৰসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰটো কোনো অত্যাধুনিক ব্যৱস্থা নাই। ইন্টাৰনেটতো

অসম পৰ্যটনৰ কোনো তথ্যসমৃদ্ধ বিৱৰণ নাই। তথাপি বাটকুৰি বাই দুখে-সুখে পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰ্যটক অসমলৈ আহে। অৰ্থাৎ অসমৰ সম্পদ বিশ্ববাসীক আকৰ্ষণ কৰিব পৰাকৈ এতিয়া প্ৰাচুৰ্যশালী।

অলপতে নদীদ্বীপ মাজুলীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক সমীক্ষাত সকলোৰে দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছে। মহিলা পৰ্যটকৰ বাবে দেশৰ ভিতৰতে অন্যতম সুৰক্ষিত পৰ্যটনস্থলী হিচাপে পৰিগণিত হৈছে মাজুলী। বৰ্তমান সময়ৰ বিশ্বৰ প্ৰেক্ষাপটত এখন ঠাইৰ গুৰুত্ব বুজিবলৈ "সুৰক্ষিত মহিলা পৰ্যটক" এক ডাঙৰ সূচক। এই সূচকে ঠাইখনৰ সামাজিক মনঃস্তত্ব, নাৰীৰ স্থিতি, গুণগত শিক্ষা আদি দিশৰ ইতিবাচকতাখিনি আঙুলিয়াই দিয়ে।সেয়েহে অতি নিম্নমানৰ আন্তঃগাঁথনিৰ সুবিধাতো বাৰে বাৰে মানুহে মাজুলীলৈ আহিবলৈ মন কৰে। সময় বাগৰাৰ লগে লগে উন্নয়ন তথা বিকাশৰ ধাৰণাও সলনি হৈছে, য'ত সামাজিকভাৱে নাৰী সুৰক্ষিত সেই ঠাইক উন্নত বুলিয়ে ক'ব লাগিব।

বিশ্বৰ মানচিত্ৰত মাজুলীৰ এক সুকীয়া স্থান নিশ্চিতভাৱেই আছে। অত্যন্ত পিছপৰা সময়তো অৰ্থাৎ যি সময়ত মাজুলীৰ বিদ্যুৎ সেৱা, যোগাযোগ-পৰিবহন, ৰাস্তা-ঘাটৰ অৱস্থা তথৈবচ আছিল তেতিয়াও মাজুলীলৈ বিদেশী পৰ্যটকৰ আগমন ঘটিছিল। সম্প্ৰতি কম-বেছি পৰিমাণে সকলোৱে চোছিয়েল মিডিয়া আৰু ইন্টাৰনেট ব্যৱহাৰ কৰিবলৈ লৈছে। মাজুলীয়েও ইয়াৰ যোগেদিয়ে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছে, লগতে পৰ্যটনৰ ক্ষেত্ৰটো গুৰুত্ব পাইছে। কিন্তু পৰিতাপৰ কথা এয়ে যে পৰ্যটকসকলৰ ন্যূনতম সুবিধাখিনিও চৰকাৰ প্ৰশাসনে যোগান ধৰিব পৰা নাই। আওপুৰণি ফেৰী সেৱা, ৰাস্তা-ঘাটৰ অৱস্থাই পৰ্যটকসকলক আহুকালত পেলায়। অসম পৰ্যটন বিভাগে অসমক বিভিন্ন উপায়েৰে প্ৰচাৰ চলাবলৈ চেষ্টা কৰিলেও বৰ বিশেষ সফলতা অৰ্জন কৰিব পৰা নাই। মাজুলীৰ বেলিকাও একেই কথা। সৌ সিদিনালৈকে খোদ অসমৰে কিছু কিছু মানুহে "মাজুলীয়াল ঘৰিয়াল" বুলিয়ে ইতিকিং কৰি মাজুলীৰ প্ৰতি থকা সীমিত ধাৰণাক প্ৰতিফলিত কৰি আছিল। ইয়াৰ মূলতে হৈছে মাজুলীৰ প্ৰকৃত ছবিখনৰ প্ৰচাৰৰ অভাৱ। সত্ৰীয়া কৃষ্টিৰ বৰঘৰ, নদীদ্বীপ আৰু বানপীড়িত এটা অঞ্চল হিচাপেই অসমৰ মানুহে মাজুলীক গণ্য কৰি আছিল।

জুবিন গাৰ্গৰ "মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে" শীৰ্ষক গীতটোৱে মাজুলীক অন্য এক ৰূপ দিছিল। এই গীতৰ পম খেদিয়ে অসমৰ মানুহে মাজুলীলৈ আহি এনিশা কটাই যোৱাৰ হাবিয়াস কৰে। মাজুলীৰ দুখ পোৱা ছোৱালীজনীয়ে দৰিয়া ঘাটত কলিজা ঠেকেছি গোৱা ঐনিতমৰ কৰুণ সুৰে সকলোকে আকৰ্ষণ কৰে। তাৰ পিছত আৰু নাই.....। শৰৎ আহিলে অথবা ৰাস মহোৎসৱৰ সময়ত অসমৰ সংবাদ মাধ্যমে মাজুলীক লৈ দুই এটা সংবাদ পৰিৱেশন কৰে, বানত ডুবি থকা মাজুলী বুলি হুলস্থূল লগাই অথবা হালধীয়া সৰিয়হত মাজুলীৰ সৌন্দৰ্যক দেখুৱাবলৈ চেষ্টা কৰে। যি সংবাদ পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ মুঠেও পৰ্যাপ্ত নহয়।

সদ্যহতে মাজুলীক লৈ সৃষ্টি হোৱা দুটি শিল্পই মাজুলীৰ মান আৰু আকৰ্ষণ দুগুণে বৃদ্ধি কৰিলে। অসমৰ মানুহে সদায় মনত ৰাখিব পৰাকৈ নীলোৎপল বৰাৰ "ৰিণিকি ৰিণিকি" শীৰ্ষক মাজুলীবিষয়ক গীতটো আৰু অনুপম কৌশিক বৰাৰ মাজুলীক লৈ নিৰ্মিত বোলছবি "বৰনদী ভটিয়াই"য়ে মাজুলীৰ প্ৰচাৰৰ ক্ষেত্ৰত এক ন-দিগন্তৰ সূচনা কৰিলে। এই বোলছবি আৰু গীতটো মুক্তিৰ আগলৈকে মাজুলী সত্ৰনগৰী হিচাপেই সীমাবদ্ধ আছিল। কেৱল সত্ৰীয়া কৃষ্টি উপভোগ কৰিম বুলিয়ে যেন মাজুলীলৈ পৰ্যটক আহিছিল, মানুহে তেনে এটা ধাৰণাকে লৈ ফুৰিছিল। সত্ৰীয়া কৃষ্টিৰ বৰঘৰ বুলি মাজুলীক তেতিয়াহে সাধাৰণীকৰণ কৰিব পৰা যাব যেতিয়া গৰিষ্ঠসংখ্যক মানুহ সত্ৰীয়া কৃষ্টিৰ লগত জড়িত। বাস্তৱিকতে এয়া দেখা পোৱা নাযায়।

মাজুলীৰ ৫২ শতাংশ মানুহ জনজাতীয়মূলৰ আৰু তেওঁলোকৰ খুব কম সংখ্যকহে সত্ৰৰ লগত জড়িত। গতিকে সত্ৰীয়া কৃষ্টিৰ বৰঘৰ বিশেষণটোতকৈ জনজাতীয় সংস্কৃতিতহে পৰ্যটনৰ সম্ভাৱনা বেছি আৰু এই জনজাতীয় সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পৰ্যটন বিভাগে গুৰুত্ব আৰোপ কৰা উচিত।

বৰনদী ভঁটিয়াই চলচ্চিত্ৰখনতহে মাজুলীৰ প্ৰকৃত জনগাঁথনিৰ স্বৰূপটো দেখা যায়। তথাকথিত আৱেষ্টনীৰ পৰা ওলাই আহি চলচ্চিত্ৰখনত তুলি ধৰা মাজুলীৰ মানুহৰ সৰলতা, সুখ, দুখ আদিয়ে পৰ্যটকক আকৰ্ষণ কৰে। বৰনদী ভঁটিয়াই উপভোগ কৰা প্ৰতিজন দৰ্শকেই মাজুলীলৈ এবাৰ আহিম বুলি ভাবে, চলচ্চিত্ৰখনৰ সাৰ্থকতা এইখিনিতেই। জনপ্ৰিয় আৰু চৰ্চিত অসমীয়া চলচ্চিত্ৰ সমূহৰ ভিতৰত অন্যতম "বৰনদী ভটিয়াই", একেদৰে এই চৰ্চা আৰু জনপ্ৰিয়তাই মাজুলীৰ পৰ্যটনতো সমানেই সুফল দিছে। আনহাতে ইউটিউবত মাজুলীৰ প্ৰকৃত অৱস্থাটো বিশ্বৰ প্ৰতি প্ৰান্তৰ মানুহে বুজিব পৰাকৈ মাজুলী বিষয়ক একমাত্ৰ সমল হৈছে নীলোৎপল বৰাৰ গীত "ৰিণিকি ৰিণিকি ৰাঙলী বেলিতে জিলিকে মাজুলীতে অই"। অসমৰ চুকে-কোনে মাজুলীৰ প্ৰতি মানুহৰ ধাৰণা সলাই সকলোকে মাজুলীলৈ আহিবলৈ উৎসাহ যোগোৱা শিল্পী নীলোৎপল বৰাৰ এই সৃষ্টি মাজুলীৰ পৰ্যটনৰ বাবে মাইলৰ খুঁটি। গীতটোত সাৱলীলভাৱে উপস্থাপন কৰা নান্দনিক প্ৰাকৃতিক পৰিৱেশ, মাজুলীৰ জনজীৱন, কৃষ্টি-সংস্কৃতিৰ প্ৰকৃত আৰু বাস্তৱ প্ৰতিফলন মাজুলীৰ বাবে জীৱন্ত দলিল। গীতটোৰ দৃশ্যাংশৰ জৰিয়তে সকলোৱেই মাজুলীৰ প্ৰকৃত ছবিখন অনুধাৱন কৰিব পাৰে। উচ্চমানৰ গীতৰ কথা আৰু ইয়াৰ ইংৰাজী অনুবাদৰ চাবটাইটেল সকলো পৰ্যটকৰ বাবে সহায়ক হৈছে।

উন্নয়নৰ ঢাকঢোল বজালেও মাজুলীৰ আন্তঃগাঁথনি অতি পুতৌজনক। তথাপি মাজুলীত পৰ্যটকসকলে নিৰ্বিঘ্নে ঘূৰি ফুৰে। ইয়াৰ মূলতে হৈছে ইয়াৰ সহজ-সৰল আৰু সভ্য সমাজ জীৱন। মানুহৰ প্ৰতি সদা অনুভূতিশীল মাজুলীৰ মানুহে মানুহৰ প্ৰতি সন্মানৰ দৃষ্টিৰে চায়। এই কথা বৰনদী ভঁটিয়াই ছবিখনে তুলি ধৰিছে। মাজুলী বুলিলেই কেৱল ভক্তিৰস নহয় এজাক সহজ মানুহৰ অজস্ৰ সংগ্ৰামৰ ৰস ভাঁহি আছে। মাজুলীৰ গ্ৰাম্যজীৱন আনতকৈ পৃথক আৰু বৈচিত্ৰময়। সকলো পৰ্যটকে কেৱল সত্ৰ বা মুখাশিল্প উপভোগ কৰি ভাল নাপাবও পাৰে। পৰ্যটন বিভাগে এইক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। পৰ্যটকৰ মানসিকতাক চালি-জাৰি চাই ইয়াৰ বিকাশত গুৰুত্ব দিলে নিশ্চয় সফল হ'ব। নীলোৎপল বৰাৰ গীতটোত এই বৈচিত্ৰ আছে। যিয়ে সকলো শ্ৰেণীৰ মানুহকে মাজুলীলৈ টানি আনে। এটা চাংঘৰৰ তলৰ তাঁতশালখন আৰু এবাতি আপঙক গৰিষ্ঠসংখ্যক পৰ্যটকে ভক্তিৰসতকৈ বেছি গুৰুত্ব দিয়ে। পৰ্যটকৰ মন-মগজুক বিশ্লেষণ নকৰাকৈ কেৱল সত্ৰকেন্দ্ৰিক আৰু তথাকথিত মূলসুঁতিৰ কথাবোৰক বেছি গুৰুত্ব দিয়াৰ বাবেই মাজুলীয়ে যিমান গুৰুত্ব পাব লাগিছিল পোৱা নাই। পৰ্যটনে সকলো দিশ সামৰিব পাৰিলে উচিত লাভৰ মুখ দেখিব। কেৱল একঘেয়ামীকৈ সত্ৰীয়া কৃষ্টিতে নিৰ্ভৰ কৰি থাকিলে মাজুলীৰ পৰ্যটন বেছিদিন নিটিকিব। বৰনদী ভঁটিয়াই ছবিখন আৰু নীলোৎপল বৰাৰ গীতটোৱে এই পৰিধিৰ পৰা ওলাই আহি মাজুলীক এক বিশ্বজনীন মাত্ৰা প্ৰদান কৰিছে। কিয়নো প্ৰিয়ংকা চোপ্ৰাৰ দৰে তাৰকাই সকলো শ্ৰেণীৰ মানুহক কোনো বিশেষ ঠাইলৈ পৰ্যটক হিচাপে আনিব নোৱাৰে। কিন্তু, নীলোৎপল বৰাৰ মাজুলী বিষয়ক গীতটোৰ প্ৰভাৱ সৰ্বাত্মক। সকলো শ্ৰেণীৰ মানুহৰ মনত এই গীতে মাজুলীৰ প্ৰতি এটা ইতিবাচক ধাৰণা সাঁচ বহুৱাব পাৰিছে। চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে এই কথাসমূহত গুৰুত্ব দিয়া উচিত। লগতে মাজুলীৰ পৰ্যটন বিভাগে শিল্পী নীলোৎপল বৰা আৰু পৰিচালক অনুপম কৌশিক বৰাৰ অৱদানলৈ যথোচিত সন্মান প্ৰদান কৰিব লাগে।❑

# নাৰীৰ সমঅধিকাৰ

## এক আলোকপাত



সাগৰিকা দৈমাৰী
গ্ৰন্থগাৰিকা

নাৰী হৈছে সৃষ্টিকৰ্তাৰ আধাৰস্বৰূপ। এগৰাকী নাৰীৰ অপাৰ কৰুণা আৰু মমতাৰ চেনেহেৰে এখন ঘৰ জীপাল হৈ উঠে। নাৰী অবিহনে মানৱ জাতিৰ কল্পনা কৰাতোও অসম্ভৱ। মানৱ জাতিৰ সৃষ্টিৰ ঘাই শিপাডালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন, অন্তঃসাৰশূন্য। সেয়ে নাৰীক সৃষ্টিৰ মূল চালিকাশক্তি হিচাপে গণ্য কৰা হয়। বৈদিক যুগৰে পৰা নাৰীক সমাজত উচ্চ স্থান দি অহা দেখা যায়। হিন্দু শাস্ত্ৰত নাৰীক শক্তিৰ অধিষ্ঠাত্ৰী দেৱী বুলি মান্যতা দি পূজা অৰ্চনা কৰা হয়, যাৰ কাৰণে গোৱা হয় যে-

"য়া দেৱী সৰ্বভূতেষু
বিষ্ণুমায়েতি
শব্দিতা।
নমস্তস্যৈ নমস্তস্যৈ
নমস্তস্যৈ নমো নমঃ"

নাৰীক যদিও নানান বিভূষণেৰে বিভূষিত কৰিবলৈ যোৱা হৈছে, পৰিতাপৰ বিষয় যে পুৰুষৰ সমানে আগবাঢ়ি যোৱাত নাৰীয়েই নানাধৰণৰ শাৰীৰিক আৰু মানসিক বাধাৰ সন্মুখীন হ'বলগীয়া হৈছে। নাৰীক দুৰ্বল, নাৰী অবলা, শাৰীৰিক আৰু মানসিকভাৱে পুৰুষতকৈ দুৰ্বল মত দি নাৰীক আগবাঢ়ি যোৱাৰ পথত পুৰুষ বেৰ হৈ থিয় দিছে। আমাৰ সমাজ ব্যৱস্থা পুৰুষপ্ৰধান হোৱা বাবেই দমনমূলক নীতি ভাৱধাৰা এটাই সদায় খোপনি পুতি থকা দেখা যায়। যিয়ে এতিয়াও নাৰীক পণ্য আৰু ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব বিচৰাটো আজিৰ সময়ত পৰিতাপৰ কথা যিয়ে সমাজখনত নাৰীৰ সন্মানত আঘাত সনাৰ উপৰিও নিৰাপত্তাহীনতাত ভোগাত অৰিহণা যোগায়। এটি কন্যা শিশু মাতৃ গৰ্ভৰ পৰা মৃত্যুৰ অন্তিম ক্ষণলৈ বিভিন্নভাৱে পুৰুষপ্ৰধান সমাজত বৈষম্যমূলক আচৰণৰ বলি হ'বলগীয়া হয়। হত্যা, ধৰ্ষণ, কৰ্মস্থানত যৌন নিৰ্যাতন ইত্যাদি অপৰাধ নিতৌ বৃহৎ সংখ্যাত সংঘটিত হৈ আছে। কৰ্মস্থান, ৰাজহুৱা স্থান, শিক্ষানুষ্ঠান, যান-বাহন আনকি নিজৰ ঘৰখনো আজিৰ নাৰীৰ বাবে সুৰক্ষিত নহয়। পুৰুষপ্ৰধান সমাজ ব্যৱস্থাত প্ৰতিপল নাৰী সুৰক্ষা, নাৰীৰ স্বাধীনতা আৰু নাৰীৰ সম-অধিকাৰলৈ এটা প্ৰশ্নবোধক দৃষ্টিৰে চোৱা হয়। যুগ যুগ ধৰি নাৰীৰ ওপৰত চলি থকা অত্যাচাৰ, শাসন নীতিৰ কাৰণে সমাজত নাৰীক হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰা

হয়। সততে দুৰ্বল সজাই নাৰীক নিজৰ প্ৰাপ্যৰ পৰাও বঞ্চিত কৰা হৈছে।

পৃথিৱীৰ মুঠ জনসংখ্যাৰ আধা সংখ্যকেই নাৰী। নাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আন্তৰ্জাতিক অনুষ্ঠান ৰাষ্ট্ৰসংঘই। মানৱ অধিকাৰ ঘোষণা পত্ৰৰ এশ টা অনুচ্ছেদৰ প্ৰথম অনুচ্ছেদত এইবুলি উল্লেখ কৰিছে "All human being are born free and equal in dignity and rights" আৰু দ্বিতীয় অনুচ্ছেদত জাতি-ধৰ্ম, বৰ্ণ-লিংগ নিৰ্বিশেষে কোনো বৈষম্য নথকাকৈ সকলো লোক অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰিব বুলি ঘোষণা কৰিছে। এইবিলাক ব্যৱস্থা থকা স্বত্বেও নাৰী-পুৰুষৰ সমঅধিকাৰৰ ধাৰণাটো কাৰ্যকৰী নোহোৱা কাৰণে ৰাষ্ট্ৰসংঘই মহিলাৰ মৰ্যাদা সম্পৰ্কীয় আয়োগ গঠন কৰে। তদুপৰি ১৯৭৫ চন বৰ্ষটোক "আন্তৰ্জাতিক মহিলা বৰ্ষ" ৰূপে ঘোষণা কৰে। ইয়াৰ দ্বাৰা মহিলাৰ বিৰুদ্ধে সকলো বৈষম্য দূৰ কৰি মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাকৈ আইন প্ৰণয়ন কৰিবলৈ সকলো ৰাষ্ট্ৰকে আহ্বান জনায়। ৰাষ্ট্ৰসংঘৰ প্ৰতি সঁহাৰি জনাই ভাৰতবৰ্ষৰ সংবিধানতো পুৰুষ আৰু মহিলাৰ মাজত যাতে কোনো বৈষম্য নাথাকে তাৰ বাবে বহুতো আইন প্ৰণয়ন কৰা হয়। ভাৰতীয় সংবিধানৰ ১৪নং অনুচ্ছেদত উল্লেখ আছে যে "ৰাষ্ট্ৰই কোনো নাগৰিককে আইনৰ সন্মুখত সমতা প্ৰদান কৰিবলৈ অথবা সমান সুৰক্ষা প্ৰদান কৰিবলৈ অমান্তি হ'ব নোৱাৰিব।" ঠিক তেনেদৰে ১৬নং অনুচ্ছেদত উল্লেখ কৰা হৈছে ৰাজহুৱা বিভাগবোৰত নিয়োগ লাভৰ ক্ষেত্ৰত প্ৰতিগৰাকী নাগৰিকে সমান সুবিধা লাভ কৰিব। এই অনুচ্ছেদবোৰৰ দ্বাৰা এইটো স্পষ্টকৈ বুজিব পাৰি যে ভাৰতীয় সংবিধানে পুৰুষ-মহিলা নিৰ্বিশেষে সকলো নাগৰিককে সমান অধিকাৰ প্ৰদান কৰিছে।

বাহ্যিক দৃষ্টিত আজি নাৰী পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে অধিকাৰ পাইছে। কিন্তু প্ৰকৃত অৰ্থত সকলো শ্ৰেণীৰ নাৰীয়েই পাইছে নে সম-অধিকাৰ, সুৰক্ষা, প্ৰতিষ্ঠা আৰু গৌৰৱৰ ভাগ? নে আধুনিক পৃথিৱীত নিৰাপত্তাহীনতাত ভুগিছে আজিও নাৰী। কাৰণ পুৰুষ প্ৰধান সমাজব্যৱস্থাত আজিও অধিকাংশ নাৰীয়েই অসুৰক্ষিত, শোষিত, নিষ্পেষিত হৈ সামাজিক লাঞ্ছনা-বঞ্চনাৰ মাজেৰেই জীৱন কটাবলগীয়া হৈ আছে কেৱল যে অবলা নাৰীসকলৰ মাজতেই এই ব্যাধি সীমাবদ্ধ হৈ আছে এনে নহয়, শিক্ষিত নাৰীসকলো এনেবোৰ অমানৱীয় ব্যাধিৰ বলি হোৱা দেখা যায়।

নাৰী সুৰক্ষাৰ বাবে লোৱা বিভিন্ন ধৰণৰ আইন প্ৰণয়নত সমূহ হ'ল- (ক) হিন্দু উত্তৰাধিকাৰী আইন ১৯৫৫ (খ) হিন্দু বিবাহ আইন ১৯৫৬ (গ) বাল্য বিবাহ আইন ১৯৭৬ (ঘ) সতী প্ৰতিৰোধক আইন ১৯৮৭ (ঙ) ঘৰুৱা হিংসা আইন ২০০৫ (চ) কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতন প্ৰতিৰোধ আইন ২০১৩ ইত্যাদি।

চৰকাৰে মহিলা সুৰক্ষাৰ বাবে এই আইনবোৰ প্ৰণয়ন কৰিলেও বহুক্ষেত্ৰত নাৰীয়েই এই আইনৰ সঠিক ব্যৱহাৰৰ পৰা বঞ্চিত হৈছে। পুৰুষপ্ৰধান সমাজত আজিও নাৰীক হেয় জ্ঞান কৰা হয় যাৰ ফলত সমাজত ধৰ্ষণ, বলাৎকাৰ, নিৰ্যাতন আদিৰ দৰে ঘটনা ঘটি থকা দেখা যায়। এনেবোৰ অসামাজিক ব্যাধি নিঃশেষ কৰিবলৈ নাৰীৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া অতি প্ৰয়োজনীয় হৈ পৰিছে। নাৰী শিক্ষাই হৈছে নাৰীৰ অধিকাৰৰ ঘাই চাবিকাঠি। সেয়ে নাৰী শিক্ষা প্ৰসাৰন অপৰিহাৰ্য। আৰ্জিত শিক্ষা-ক্ষমতা আৰু প্ৰতিভাৰে নিজৰ স্থান নিৰ্ণয় কৰাৰ ওপৰতে নাৰীৰ অধিকাৰ আৰু মৰ্যাদা ৰক্ষাৰ সংগ্ৰাম খনত নাৰীয়ে নিজে থিয় হ'ব লাগিব। নাৰীৰ শিক্ষা দিয়া মানেই এটা জাতিৰ, এখন সমাজৰ লগতে দেশ এখনৰ সৰ্বাংগীন উন্নতি সাধন কৰা। নাৰীৰ শিক্ষাৰ জৰিয়তে নাৰীৰ অধিকাৰসমূহ পূৰ্ণাংগ ৰূপত উপভোগ কৰিব পাৰিলেহে নাৰীয়ে মৰ্যাদাসম্পন্ন জীৱন যাপন কৰিব পাৰিব।□

<u>অণু গল্প ঃ</u>

# উপস্থিতি

**পৰিস্মিতা দত্ত বৰুৱা**
বি.এড., দ্বিতীয় বৰ্ষ



*কণমান বৰশীৰে চিপ্*
*অ' অ' অ' কণমান বৰশীৰে চিপ্*
*কণমান বৰশীৰে চিপ্*
*তাৰে আগত ৰঙা জিএগ ৰাজকন্যা*
*নাচে দীপ্‌লিপ্*
*অ' জিএগ নাচে দীপ্‌লিপ্*
*কণমান, কণমান*

দীপালী বৰঠাকুৰৰ গানেৰে আৰম্ভ হ'ল আকাশবাণী গুৱাহাটীৰ 'মনে বিচৰা গীত' অনুষ্ঠানটি। ভূষণধৰ চলিহাৰ এই সময়কণ বৰ প্ৰিয়। আৰ্মচেয়াৰখনত নিজৰ দেহাটো এৰি দি খবৰ কাকতখন হাতত লৈ, আগফালৰ দীঘল বাৰাণ্ডাখনত, পদূলিৰ গেইট্‌খনৰ একেবাৰে পোনে পোনে বহি কাষৰ টেবুলখনত ৰেডিঅ' আৰু একাপ চাহৰ সৈতে আৰম্ভ হয় ভূষণধৰ চলিহাৰ সুন্দৰ ৰাতিপুৱাটো।

"এৰা শুনিছা তোমাৰ প্ৰিয় গীতটি দিছে।" বুলি ৰেডিঅ'ৰ ভলিউম আৰু অলপ বঢ়াই দিলে। পিছ্‌পিনৰ ঘৰৰ পৰা ভূষণধৰ চলিহাৰ ঘৰত সৰুৰে পৰা ৰখা ল'ৰা পদ্মই তাৰ ঘৈণীয়েকক কৈ পঠিয়ালে- "হেৰা, যোৱাচোন, দেউতাৰ আগত আইৰ ফটোখন লৈ। ফটোখন নেদেখালে আইক মাতিয়ে থাকিব আৰু ৰেডিঅ'ৰ ভলিউম গৈ চুবুৰী পাবগৈ।"

কাকে আজি সাজি কাচি
ভুলাই অনাৰ মন জিএগ
কাৰ বাবে তোৰ বৈ পৰা সেই
ৰঙা আঁচলখন জিএগ...
দুয়ো চকুত ল'লি কাজল সানি জিএগ
কাৰ বাবে তই দুয়ো চকুত ল'লি কাজল সানি
সেওঁতা তলত ল'লি নেকি, অ' জিএগ তই লেখি লেখি
জিলমিলিয়া সোণ পৰুৱাৰ সোণোৱালী টিপ...
কণমান কণমান
কণমান বৰশীৰে চিপ্....।❑

অণু গল্প ঃ

# সমাপ্তিও এটা আৰম্ভণি...

**মধুস্মিতা ৰয়**
বি.এড., দ্বিতীয় বৰ্ষ

সকলো বস্তুৰ নতুন আৰম্ভণিটো কিন্তু খুব এটা হুলস্থূলীয়া পৰিৱেশেৰে পাৰ হৈ আহে, অচিনাকি মুখ আৰু একদম এটা ভিন্ন অনুভৱ। এটা নতুন আৰম্ভণি ভাল লাগে, মনত এহেজাৰটা প্ৰশ্ন কোন, কিয়, কেতিয়া আৰু বহুত বেছি অনুসন্ধিৎসু, তাৰ মাজেৰে আকৌ নিজকে সেই নতুন আৰম্ভণিৰ ব্যস্ততা ইমানেই বেছি যে কিবা পাৰ কৰি আহিছো সেইটো মন কৰা নাযায়। সঁচাকৈ! এনেই কোৱা নাযায় যে জীৱন অবিৰত আৰু এই অবিৰতভাৱে চলি থকা জীৱনত প্ৰত্যেক মুহূৰ্ত্তত অনেক কিছু শেষ হৈ আছে আৰু অনেক কিছু আৰম্ভও হৈ আছে। যেতিয়া শেষৰ সময় কাষ চাপে তেতিয়া আৰম্ভণিৰ সময়ৰ দৰে হুলস্থূলীয়া পৰিৱেশ হয় জানো? নহয়, তেতিয়া এটা শীতল নীৰৱতা বিয়পি পৰে। যেন এক চিনাকি চিনাকি অনুভৱ। কাৰণ বহুত কিছু পাৰ কৰি আগুৱাই অহা হয়।

তেতিয়া হ'লে শেষ কি আৰম্ভণিৰ দৰে সুখকৰ নহয়? ওহোঁ নহয়! শেষো আৰম্ভণিৰ দৰেই প্ৰীতিকৰ। কিবা এটা শেষ নোহোৱালৈ এটা নতুন আৰম্ভণিৰ কিদৰে সম্ভৱ। শেষৰ স্মৃতিবোৰেই সেই নতুন আৰম্ভণিটো অধিক সুন্দৰ কৰি তুলিব সেয়ে আৰম্ভণি কেৱল ধুনীয়া হ'ব নোৱাৰে, শেষো সমানেই ধুনীয়া।❑

# অপ্ৰত্যাশিত দৃশ্যপট

বৰ্ষা মালী
বি.এড., দ্বিতীয় বৰ্ষ

সন্ধিয়া প্ৰায় ছয় মান বাজিছিল তেতিয়া। অফিছৰ সহকৰ্মীজনক বাই বুলি কৈ দুয়ো বিপৰীত মুখে খোজ লৈছিলোঁ হে মাত্ৰ, খালোঁ নহয় খুন্দা এটা। মুখমণ্ডলত বিয়পি পৰা চুলিকেইডাল সামৰি লৈ মূৰটো ওপৰফালে কৰি চালোঁ। উফ্ কোন হ'ব পাৰে বাৰু? কৃষ্ণ কৃষ্ণ... মই তাতেই থৰ হৰি কম্পমান। কাহানিও হেৰুৱাব নিবিচৰা আচলতে হেৰুৱাম বুলি ভাৱনাতো ভাৱিব ভয় কৰা মানুহজন আজি ইমান বছৰৰ মূৰত মোৰ সন্মুখত। মই কঁপিছো, যদিও এই কঁপনি মোৰ নিচেই চিনাকি আছিল। কোনোমতে নিজকে সংযম কৰিলোঁ। কঁপা কঁপা মাতেৰেই মোৰ মুখৰ পৰা ওলাই আহিল

ঃ আপুনি? ক'ত কেতিয়া কেনেকৈ ক'ৰ পৰা?

মই যেন গোটেইকেইটা প্ৰশ্ন একেলগে সামৰিব খুজিছিলোঁ। তেওঁ ক'লে-

ঃ ৰ'বা। শান্ত হোৱা।

তেওঁ চাগে মোৰ কঁপা মাতৰ গূঢ়াৰ্থ এতিয়াও বুজি পায়। নিজকে অলপ সুস্থিৰ কৰি ৰখাৰ মোৰ ব্যৰ্থ চেষ্টা চলি থাকিল অহৰহ। অত দিনে যিবোৰ আৱেগ-অনুভূতিৰ পৰা নিজকে আঁতৰত ৰখাৰ চেষ্টা কৰিছিলো সেইবোৰেই আহি আজি মোৰ বুকুত ঠাহ খাইছেহি। বুকুখন বিষাইছিল কিছু সময়ৰ বাবে।

ঃ ব'লা তোমাক অলপ আগবঢ়াই দিওঁ।

ঃ উম্ ব'লক।

ঃ ৰিক্সাত যাবানে? (যিহেতু বাছ ষ্টেণ্ডলৈ অলপ দূৰ আছিল)

ঃ উম্, ৰিক্সাত যাম।

প্ৰায় দহ মিনিট মান ৰৈও এখনো ৰিক্সা নোপোৱাত দুয়ো ফুটপাথে ফুটপাথে খোজ ল'লো। মহানগৰীৰ কোলাহলৰ মাজতো আমাৰ দুয়োৰে ৰাজ্যখনত বিৰাজ কৰিছিল মৌনতাই। আমাৰ মৌনতাৰ বাৰ্তালাপ চলি আছিল একেৰাহে। একো নোকোৱাকৈও আমি ইজনে আনজনক বুজিব পাৰিছিলোঁ, আগৰ দৰেই। আচলতে প্ৰত্যেকৰে জীৱনত এনেকুৱা এজন মানুহ থকাতো দৰকাৰ।

বুকুৰ বিষটো ক্ৰমান্বয়ে বাঢ়ি আহিছে। ক্ৰমাৎ যেন মই নজনাকৈয়ে মোৰ মনটোৱে তেওঁক সাৱটি

ধৰিছে, তেওঁৰ বুকুত মুখ গুজি কান্দিছে, ডিঙিত পিন্ধাইছে অতদিনৰ আবেগগাঁথা। অভিমানবোৰেই যেন অভিমানী হৈ পৰিছিল। কিন্তু মই নিৰুপায়। কেনেকৈ অভিমান কৰো, কি অধিকাৰ অথবা কি অজুহাতত এতিয়া মই অভিমান কৰো তেওঁৰ ওচৰত। আমাৰ সম্পৰ্ক শেষ হোৱাৰ তিনিবছৰৰ বেছিয়েই হ'ব। ধান বনা দি বানি থকা মোৰ বুকুখনক অৱহেলা কৰি মৌনতাৰ পাৰ ভাঙি ময়েই সুধিলো-

ঃ ভালে আছেনে আপুনি?

তেওঁ উত্তৰত ক'লে-

ঃ আছোঁ ভালে। তুমি কেনে আছা?

ময়ো ভাল বুলি কৈ থ'লো।

শীতৰ আৰম্ভণি, দিনত গৰম ৰাতি ঠাণ্ডা। দুয়ো খোজ কাঢ়ি গৈ আছো। মাজে মাজে ঠাণ্ডা ঠাণ্ডা ভাৱ আমাৰ গাতো নলগা নহয়। আমাৰ কথোপকথন আৰম্ভ হৈছিল তেতিয়া। সৰু সৰু কথা। এতিয়া মই ক'ত থাকো, মাক এৰি ঘৰৰ পৰা বাহিৰত থাকিব পৰা হোৱাৰে পৰা আজি অফিচ অহালৈকে অনেক কথা। তেওঁৰ লগত কথা পাতি মোৰ মনটো পাতলিছিল।

আমি আহি বাছষ্টেণ্ড পালো। ঠাণ্ডা অলপ বেছি হৈ আহিছিল। অফিচলৈ অহাত পলম হোৱা বাবে গৰম কাপোৰ লগত অনা হোৱা নাছিল। কিন্তু তেওঁ হঠাতেই পিন্ধি থকা ডেনিম জেকেটটো খুলি মোৰ কান্ধত আঁৰি দিলে। এক অবুজ শিহৰণে মোক চুই থৈ গ'ল সংগোপনে। নিজে নিজেই ভাবিলোঁ, তেওঁ মোক প্ৰত্যক্ষ কৰি আছিলে নে মোৰ ঠাণ্ডাটো যে অলপ বেছি সেইটো কথা তেওঁৰ এতিয়াও মনত আছে? নিজৰ প্ৰশ্নৰ উত্তৰ নিজেনো কি বিচাৰিম। থাকক প্ৰশ্ন হৈ।

"এই নুনমাটি নাৰেংগী....." বাছখন আহিল।

ঃ মই আহোঁ দিয়ক। মোৰ কথাত সঁহাৰি জনাই তেওঁ ক'লে-

ঃ যোৱা.... লগ পাম।

শেষৰ দুটি শব্দ মোৰ কানত বাজি থাকিল। বাছখনত উঠিলোঁ। কেনেবাকৈ চিট এটাৰ কান্ধত ধৰি ল'লো। তেখেতৰ হাতখন এবাৰ চুই চাবলৈ মনটোৱে বাৰাম্বাৰ কৈ আছিল। একেই আছেনে বাৰু আজি তিনিবছৰ আগতে শেষবাৰ স্পৰ্শ কৰা হাতখন, একেই আছেনে সেই উষ্ণতা অথবা আকুলতা।

সন্ধিয়াৰ চিটি বাছৰ ভিৰ, ঠেলা হেঁচা, তাৰ মাজতো যেন মই হেৰাই থাকিলোঁ। সেই সময়ত মনতো খালী আছিল সেয়ে হয়তো তেখেতৰ কথা ভবাৰ সুৰুঙা বিচাৰি ফুৰিব লগা নহ'ল। ভাড়া হাততেই উলিয়াই ৰাখিছিলো। মাজে মাজে ঠেকা খুন্দা তথাপিও বহু কথা ভাবি ভাবি গ'লো। বহু উত্তৰ নোহোৱা প্ৰশ্ন মোৰ সন্মুখত। তেওঁৰ প্ৰতি থকা অনুভৱবোৰ আজি সাৰে আছে নেকি, যিবোৰ চিৰদিনৰ বাবে শুই যোৱা বুলিয়ে সান্ত্বনা দি আহিছোঁ নিজকে।

'ক'লেজ গেট ওলাই আহিব' বুলি হেণ্ডীমেন দাদাজনে চিঞৰিলে। ভাড়াটো দি বাছৰ পৰা নামিলো। নামিহে অনুভৱ কৰিলো যে তেওঁৰ জেকেটটো দেখোন মোৰ হাততেই। এয়া তেখেতক পুনৰ লগ পোৱাৰ ইংগিত! নে কি? নিজকেই প্ৰশ্ন। খৰ-খৰকৈ ই-ৰিক্সা এখনত উঠি ল'লো। আজিকালি কিছুমান ই-ৰিক্সাত গান বজাই যায়। অৱশ্যে ভাল, যাত্ৰীৰ মনবোৰ ভালে ৰখোৱাত সহায় কৰে।

"लग जा गले कि फिर ये हसीं रात हो न हो..."

জেকেটটো মোৰ হাততেই আছিল। বেগটোৰ পৰা মোবাইলটো উলিয়াই তেওঁৰ ফোন নম্বৰ বিচাৰিলো। তেওঁৰ নম্বৰ এটা নথকা নহয় অৱশ্যে। লগাও নলগাওকৈ লগালো- "The number you have dialed in no longer in service"

বাজি থাকিল- आखों से फिर ये प्यार की बरसात हो न हो शायद फिर इस जनम में मुलाकात हो न हो।



# ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০

## প্ৰয়োজনীয়তা, সম্ভাৱনা আৰু প্ৰত্যাহ্বান

**সুজিত সৰকাৰ**
**বি.এড., প্ৰথম বৰ্ষ**

সাম্প্ৰতিক বিশ্ব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভৰপক সময়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে সমগ্ৰ পৃথিৱীখনক এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত কৰিছে। ইয়াৰ লগে লগে শিক্ষাৰ বিকাশ তথা প্ৰসাৰ গোলকীয় বিশ্বৰ অন্য এক এৰাব নোৱাৰা অংগ হৈ পৰিছে। পৃথিৱীখনে যিমান গতি লৈছে তাৰ মূলতঃ হৈছে শিক্ষা। মানৱ সম্পদ নিৰ্মাণৰ ক্ষেত্ৰত শিক্ষাই প্ৰধান ভূমিকা পালন কৰে। গতিকে চাবলৈ গ'লে শিক্ষা হৈছে মানুহক পৰিচালনা কৰা চালিকা শক্তি।

কোনো এখন ৰাষ্ট্ৰ শৈক্ষিকভাৱে কিমান অগ্ৰগতি লাভ কৰিছে তাক সেই ৰাষ্ট্ৰখনৰ শৈক্ষিক নীতি-নিয়ম তথা সেই ৰাষ্ট্ৰখনৰ শৈক্ষিক আঁচনিবোৰলৈ লক্ষ্য কৰিলে অধিক স্পষ্ট হৈ পৰে। ভাৰতবৰ্ষৰ ইতিহাসলৈ যদি আমি চকু ফুৰাই চাওঁ তেন্তে আমি দেখিবলৈ পাম যে বৈদিক যুগৰ পৰাই ভাৰতবৰ্ষ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট চহকী। স্বাধীনোত্তৰ কালছোৱাত ভাৰতবৰ্ষত শিক্ষাৰ বিকাশ তথা প্ৰসাৰৰ কাৰণে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ শিক্ষাৰ নীতি তথা আঁচনি গ্ৰহণ কৰি আহিছে। সেয়া প্ৰথমবাৰৰ বাবে ১৯৬৮ চনত সেই সময়ৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ সময়ছোৱাত, দ্বিতীয়বাৰৰ বাবে ১৯৮৬ চনত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সময়ত আৰু ২০২০ চনত ভাৰতবৰ্ষৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোডীৰ কাৰ্যকালত।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, ভাৰতবৰ্ষৰ শিক্ষাক্ষেত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ আইন। সুদীৰ্ঘ ৩৪ বছৰ পিছত শিক্ষাৰ সংস্কাৰৰ বাবে নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এই আইন সংসদৰ মজিয়ালৈ

আনে। ২০২০ চনৰ ২৯ জুলাই তাৰিখে কেন্দ্ৰীয় কেবিনেতে এই আইনক স্বীকৃতি প্ৰদান কৰে। ২০১৫ চনৰ জানুৱাৰী মাহত ভূতপূৰ্ব কেবিনেট সচিব টি.আৰ.এচ. সুব্ৰমণিয়ামৰ নিৰীক্ষণত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ কাম-কাজ আৰম্ভ হয়। আৰু ২০১৯ চনত কৃষ্ণস্বামী কস্তুৰীৰংগনৰ অধ্যক্ষতাত "ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০"ৰ খচৰা প্ৰস্তুত কৰি উলিওৱা হয়। আৰু মানৱ সম্পদ মন্ত্ৰালয়ে ইয়াক গ্ৰহণ কৰে।

কোৱা হৈছে যে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ভাৰতবৰ্ষৰ শৈক্ষিক ক্ষেত্ৰখনত ব্যাপক পৰিৱৰ্তন আনিব আৰু পূৰ্বৰ যি শিক্ষানীতি তাৰ সংস্কাৰ সাধন কৰি ইয়াক অধিক গতি প্ৰদান কৰিব। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দাবী কৰে যে ভাৰতবৰ্ষৰ যি শিক্ষাব্যয় সেয়া যথেষ্ট বৃদ্ধি কৰা হ'ব। জিডিপিৰ পৰিমাণ ৩ শতাংশৰ পৰা ৬ শতাংশলৈ বৃদ্ধি কৰা হ'ব। কিন্তু যিখন ৰাষ্ট্ৰত মানুহ এতিয়াও এমুঠি অন্নৰ কাৰণে সংগ্ৰাম কৰিব লগা হয়, নিবনুৱা সমস্যা সমাধানৰ বাবে কোনো নিৰ্দিষ্ট আঁচনি চৰকাৰৰ নাই তেনে এখন ৰাষ্ট্ৰত নতুন শিক্ষানীতিয়ে কিদৰে অধিক ব্যয়েৰে মানৱ সম্পদ সৃষ্টি কৰিব সেয়া লক্ষণীয় বিষয়।

দ্বিতীয়তে, মাতৃভাষা শিক্ষাৰ ক্ষেত্ৰত নতুন শিক্ষানীতিয়ে গুৰুত্ব আৰোপ কৰিছে। পঞ্চম শ্ৰেণীলৈকে মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা এই আইনখনে লৈ আহিছে, আৰু অষ্টম শ্ৰেণীলৈক নিজ মাতৃভাষাত শিক্ষা গ্ৰহণৰ পোষকতা এই আইনে কৰিছে। তাৰ পিছৰ পৰ্যায়ত হাইব্ৰিড পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ কথা এই আইনত উল্লেখ কৰা হৈছে। আৰু বৈদিশেক ভাষাও ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰিব বুলি কোৱা হৈছে। হয় এই আইনে মাতৃভাষা শিক্ষণত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে আৰু নিজ মাতৃভাষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত দৃষ্টি ৰাখিছে। কিন্তু মাতৃভাষাৰ লগে লগে আন কেতবোৰ ভাষাৰ বিকাশো আমাৰ প্ৰাথমিক পৰ্যায়ৰ পৰাই যথেষ্ট প্ৰয়োজন। সাম্প্ৰতিক বিশ্বত আনৰ লগত ফেৰ মাৰিব পৰাকৈ আমি নিজক প্ৰস্তুত কৰিবলৈ হ'লে ইংৰাজী ভাষাৰ জ্ঞান আহৰণ কৰাটো আমাৰ বাবে যথেষ্ট প্ৰয়োজনীয়, তাৰোপৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমি দেখিছোঁ যে ইংৰাজী ভাষাক এৰাব নোৱাৰি। গতিকে মাতৃভাষাৰ সমান্তৰালভাৱে আমি আন কেতবোৰ ভাষাৰ জ্ঞান অৰ্জন কৰাটোও যথেষ্ট প্ৰয়োজনীয়।

তৃতীয়তে, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে পূৰ্বৰ কোঠাৰী আয়োগে আগবঢ়োৱা ১০+২+৩ যি শিক্ষাৰ গাঁথনি তাৰ ব্যাপক পৰিৱৰ্তন আনিব। নতুন শিক্ষানীতিয়ে শিক্ষাৰ গাঁথনি ৫+৩+৩+৪ৰ পোষকতা কৰিছে। য'ত নেকি ৫ বছৰীয়া প্ৰাথমিক শিক্ষা, ৩ বছৰীয়া উচ্চ প্ৰাথমিক, ৩ বছৰীয়া মাধ্যমিক আৰু ৪ বছৰীয়া স্নাতক শিক্ষাৰ ব্যৱস্থা এই আইনে কৰিব। আৰু কোৱা হৈছে যে স্নাতক পৰ্যায়ত পূৰ্বৰ যি ব্যৱস্থা তাৰ যথেষ্ট পৰিৱৰ্তন আহিব। পূৰ্বৰ মতে কোনো ছাত্ৰ-ছাত্ৰীয়ে স্নাতক পৰ্যায়ত শিক্ষা আধাতে সামৰিলে তেওঁক কোনো ধৰণৰ প্ৰমাণ পত্ৰ প্ৰদানৰ ব্যৱস্থা নাছিল, কিন্তু নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে তাৰ সংস্কাৰ আনিছে আৰু বিভিন্ন কাৰণবশতঃ ছাত্ৰ-ছাত্ৰীয়ে আধাতে শিক্ষা সামৰিলে তাৰ ওপৰত ভিত্তি কৰি তেওঁক প্ৰমাণ পত্ৰ প্ৰদান কৰিব লাগিব। তাৰোপৰিও নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ছাত্ৰ-ছাত্ৰীক পূৰ্বৰ যি শাখা নিৰ্বাচনৰ ব্যৱস্থা তাৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰিছে। এই নীতি অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ৰুচি অনুযায়ী বিষয় নিৰ্বাচন (Multidisciplinary Education)ৰ সুবিধা লাভ কৰিব। এজেন ছাত্ৰ বা ছাত্ৰীয়ে একে সময়তে নিজ পচন্দৰ বিষয় অধ্যয়ন কৰিব পাৰিব। অৰ্থাৎ কলা শাখাৰ শিক্ষাৰ্থী এজনেও একে সময়তে তেওঁ ভালপোৱা বিজ্ঞানৰ বিষয়ো অধ্যয়ন কৰিব পাৰিব।

পঞ্চমতে, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে সমূহীয়া প্ৰৱেশ পৰীক্ষা (Common Entrance

Test)ৰ পোষকতা কৰিছে। পূৰ্বতে ভাৰতবৰ্ষৰ প্ৰতিখন বিশ্ববিদ্যালয়ে নিজাববীয়াকৈ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিছিল। কিন্তু নতুন শিক্ষানীতিয়ে তাৰ সংস্কাৰ আনিছে আৰু কোৱা হৈছে যে সমগ্ৰ দেশৰ বাবে NTA (National Testing Agency)ৰ দ্বাৰা এক সমূহীয়া প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে উচ্চ শিক্ষা লাভ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হ'ব। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত সমূহীয়া ভাৰসাম্যতা ৰক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব বিচৰা হৈছে।

নতুন শিক্ষানীতিয়ে শিক্ষকৰ প্ৰশিক্ষণৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। ইতিমধ্যে লক্ষ্য স্থিৰ কৰি লোৱা হৈছে যে ২০৩০ চনৰ ভিতৰত শিক্ষকসকলৰ চাৰিবছৰীয়া বি.এড. শিক্ষাৰ প্ৰৱৰ্তন কৰা হ'ব। তাৰ জৰিয়তে শিক্ষকসকলক গুণগতভাৱে অভিজ্ঞ কৰি তোলা হ'ব।

তাৰোপৰি ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে কাৰিকৰী শিক্ষা (Vocational Education)ৰ ক্ষেত্ৰত যথেষ্ট মনোযোগ প্ৰদান কৰিছে। দিনক দিনে বাঢ়ি অহা ভাৰতৰ জনসংখ্যাক কাৰিকৰী দিশত অধিক মনোগ্ৰাহী কৰিবলৈ এই আইনখনে গুৰুত্ব প্ৰদান কৰিছে। যাতে ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ সমাধানৰ বাট মুকলি হয়।

সময়ৰ লগে লগে আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰিবৰ্তন হৈ আহিছে। ভাৰতবৰ্ষ বৰ্তমান সময়ত এখন উন্নয়নশীল ৰাষ্ট্ৰৰ পৰা উন্নত ৰাষ্ট্ৰলৈ ধাৱিত হৈছে। তেনে পৰিপ্ৰেক্ষিতত এক বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থাৰে ভাৰতৰ যুৱ সমাজক আগুৱাই লৈ যোৱাটো অতীব প্ৰয়োজনীয়। সেই উদ্দেশ্যেৰেই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ কাৰ্যকৰী কৰিবলৈ লোৱা হৈছে। ইয়াৰ প্ৰয়োজনীয়তা আমি নুই কৰিব নোৱাৰোঁ। ভাৰতৰ ঐতিহ্য-সংস্কৃতিৰ বিজ্ঞান সন্মত অধ্যয়নৰ ক্ষেত্ৰত এই আইনৰ যথেষ্ট প্ৰয়োজন আছে।

তথাপিও এই আইনখনক লৈ কেতবোৰ প্ৰশ্ন আমাৰ মনত সততে উত্থাপিত হয়। ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা এতিয়াও টনকিয়াল হৈ উঠা নাই। স্বাধীনতাৰ সময়ছোৱাৰ পৰাই বৰ্তমালৈ আমি লক্ষ্য কৰোঁ তেন্তে আমি দেখিবলৈ পাম যে আমাৰ শিক্ষাব্যয় সেয়া যথেষ্ট কম। উপযুক্ত আন্তঃগাথনিৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অভাৱ ইত্যাদি সমস্যা আজিও আমাৰ নিত্য নৈমিত্তিক সমস্যা হৈয়ে আছে। গতিকে তেনে প্ৰেক্ষাপটত এই আইনে কিমান সুস্থিৰতা আনিব সেয়া লক্ষণীয় হ'ব। তদুপৰি নতুন শিক্ষানীতিত কোৱা হৈছে যে বিশ্ববিদ্যালয়সমূহৰ কাৰণে সমূহীয়া প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়মসূহ কৰ্তৃত্ব কাঢ়ি নিব বিচৰা হৈছে নেকি? ৰাজ্যিক বোৰ্ড সমূহৰ কি হ'ব? এনেবোৰ প্ৰশ্নৰ অৱতাৰণা হোৱাটো স্বাভাৱিক। তাৰোপৰি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব তাৰ কোনো নিৰ্দিষ্টকৈ উল্লেখ নাই। ইতিমধ্যে ভাৰতবৰ্ষৰ কেতবোৰ ৰাজ্যই ৰাষ্ট্ৰীয় শিক্ষানীতি কাৰ্যকৰী কৰিছে। কৰ্ণাটক, মধ্যপ্ৰদেশ, তেলেংগানা, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, ৰাজস্থান আদি ৰাজ্যই ইতিমধ্যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

বিভিন্ন সমালোচনা তথা প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে আশানুৰূপে সফলতা লাভ কৰিব বুলি আশা কৰা হৈছে। ভাৰতবৰ্ষৰ শিক্ষাক্ষেত্ৰত এই আইন এক জীৱন্ত দলিল হৈ থাকক।❑

# বৰ্তমানৰ শিশু আৰু নিচুকণি গীত



হীৰকজ্যোতি কলিতা
বি.এড., দ্বিতীয় বৰ্ষ

মৌখিক লোক সাহিত্যৰ অন্তৰ্গত গ্ৰাম্য অনাখৰী চহা জনগণৰ এক অমূল্য সম্পদ হ'ল নিচুকণি গীত। এনেবোৰ গীতৰ জৰিয়তে শিশুক ক্ষন্তেক সময়ৰ বাবে এখন কল্পনা ৰাজ্যলৈ লৈ যোৱা হয় আৰু শিশুৰ দুষ্টামিক শান্ত পেলাই তেওঁলোকৰ শোৱা কাৰ্য সমাপন কৰা হয়। শিশুৱে যেতিয়া ভোকত, পিয়াহত কান্দে তেতিয়া মমতাময়ী মাতৃয়ে কোমল সুৰৰ এই গীতৰ যোগেদি শিশু মনক এক কল্পনা ৰাজ্যলৈ লৈ যায়, য'ত কালৰ দৌৰাত্ম্য নাই; য'ত জোন-বেলি-তৰায়ো শিশুৰ লগত কথা কয়, শিয়ালীৰ কাণ কাটি চাকি জ্বলাই, বগৰী ৰুই ক্ষন্তেকতে তাৰ ফল খাব পাৰে ইত্যাদি।

এতিয়া সাম্প্ৰতিক সময়ৰ পৰা কিছু বছৰ আগলৈ গ'লে দেখা পোৱা যায় যে শিশুসকলৰ শৈশৱ অৱস্থাত মাকে বা আইতাকে বা ধায়ে শিশুটিক ওমোলাই শুৱাবলৈ এনেবোৰ গীত গাইছিল। সেইবাবে এই গীতবোৰক ধাইগীত বা ওমলা গীত বুলিও কোৱা হয়। কিন্তু বৰ্তমান পৰিপ্ৰেক্ষিতত শিশুক ওমলাবলৈ মাকসকলৰ মুখত নিচুকণি গীতবোৰ শুনিবলৈ নাপাওঁ। যান্ত্ৰিক সভ্যতাত শিশুসকলক ওমলাবলৈ ব্যৱহাৰ কৰিলে স্মাৰ্টফোন। যাৰ ফলত শিশুসকলো মাতৃ মমতাৰ পৰা অলপ হ'লেও আঁতৰি স্মাৰ্টফোনত যেন একঘেয়ামী হৈ পৰিল। গ্ৰাম্যাঞ্চলৰ চহা জীৱনত নিচুকণি গীতৰ যি যাত্ৰা সেয়া যেন হেৰাই থাকিল। কিছুদিন আগতে সামাজিক মাধ্যম ফেচবুকৰ ভিডিঅ' এটিত শিশুক ওমলোৱা যন্ত্ৰ এটি দেখা পালো। য'ত শিশুটিক ধুনীয়াকৈ শুৱাই ৰখা হয়। বৰ্তমান যান্ত্ৰিক জগতত এনেবোৰ আৱিষ্কাৰে কিছু কিছু ক্ষেত্ৰত মাকক আজৰি দিয়ে যদিও মাকৰ কোলাৰ বিপৰীতে যন্ত্ৰৰ কোলাত থাকি ক'ৰবাত মাকৰ মমতাৰ পৰা আঁতৰি থাকিব নেকি সন্দেহ হয়। তাৰ বিপৰীতে গ্ৰাম্য সৰল জীৱনৰ মাক এজনীৰ সেই নিচুকণি গীতৰ সুৰে শিশুক ওমলা দৃশ্য হয়তো কালৰ গৰ্ভত বিলীন হোৱাৰ পথত। বৰ্তমান সময়ত ইয়াৰ গুৰুত্ব লাঘৱ হৈছে যদিও ইয়াৰ প্ৰাসঙ্গিকতাৰ অন্ত পৰা নাই আৰু যাতে নপৰে তাৰ প্ৰতি লক্ষ্য ৰখাটোও আমাৰ দায়িত্ব। মাতৃ-হৃদয়ৰ আবেগ আৰু শিশুৰ কৌতূহ'ল যিমান দিনলৈ থাকিব এই গীতবোৰো সিমান দিনলৈ বৰ্তি থকাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান শিক্ষিত সমাজে নতুন দৃষ্টিভংগীৰে পৰিগ্ৰহণ কৰিব লাগে।❑



# এক পৰিকল্পিত হত্যা

**ময়ুদুৰ ৰহমান মণ্ডল**
বি.এড., দ্বিতীয় বৰ্ষ

হঠাৎ টোপনি ভাঙি গ'ল। তৎক্ষণাত উঠি বিছনাত বহি ল'লো। ঘামত গোটেই শৰীৰ তিতি গৈছে। এটা দুঃস্বপ্ন দেখিছিলো। এটা গভীৰ কুঁৱাত পৰি গৈ আছো। কিবা ধৰিবলৈ চেষ্টা কৰিছো কিন্তু সফল হোৱা নাই। এটা নহয় এটা এনেকুৱা সপোন দেখো আৰু প্ৰচণ্ড ভয়ত টোপনি ভাঙি যায়। পানী খালো বটলৰ পৰা, মূৰটো অলপ বিষাই আছে। মই অলপ সময় বহিলো, ঘড়ীটোত তেতিয়া ৰাতিপুৱা ৪-৩০ বাজিছে। নাই আৰু টোপনি নাহিব আজি। খিৰিকীৰে বাহিৰৰ ফালে চাই থাকিলো। সূৰ্যৰ পোহৰ লাহে লাহে বিয়পি পৰিছে।

উদয় হোৱা বেলিটোৰে বহু কথা শিকাই যায়। এই সময়ত সূৰ্যৰ পোহৰে জীৱনটোক গভীৰ কৰি তোলে। জীয়াই থকাৰ হেঁপাহ বঢ়াই তোলে।

"মা মই Science Stream লৈ নপঢ়ো।"

ডিনাৰ টেবুলত অলপ ডাঙৰকৈ কৈ পেলাইছিলো সেইদিনা। দেউতাই প্ৰচণ্ড চৰ মাৰিলে মোৰ গালত। ভাতৰ কাঁহীখন ছিটিকি পৰিল মজিয়াত।

"অভদ্ৰ ল'ৰা, Science নপঢ়িবি, গোটেই দিন কবিতা লিখা, গল্প লিখা, গীটাৰ, ফটোগ্ৰাফী এইবিলাক

কৰিলে চলিব? এইবোৰ কৰাৰ কাৰণে তোমাক ইমানদিনে খোৱাই পিন্ধাই ৰাখিছো, Science নপঢ়িলে ঘৰৰ পৰা ওলাই যা।"

মা দূৰত থিয় হৈ আছিল। একো কোৱাৰ ক্ষমতা নাছিল। সিদিনা মই শোৱাৰ আগত মোৰ প্ৰিয় বুকচেল্‌ফটোৰ ওচৰত গ'লো। এটাৰ পিছত এটাকৈ বাহিৰ কৰিলো মোৰ ডায়েৰী, ফটোগ্ৰাফী, গল্পৰ বহী, আটোইবোৰ জুই লগাই পুৰি পেলালো। ছাঁইবোৰ বতাহৰ মাজত বিলীন হৈ গ'ল।

মই Science লৈয়ে ভৰ্তি হ'লো। যথেষ্ট চাপত মোৰ জীৱন দুৰ্ভিক্ষ হৈ পৰিল। মোৰ উশাহ ল'বলৈ সময় নাছিল। মোৰ ৰুচিবোৰ বাকচত বন্দী। তাৰ উপৰিও এই মানসিক যন্ত্ৰনা। উচ্চতৰ মাধ্যমিক পৰীক্ষা দিলো। ৰিজাল্ট বৰ বেয়া। মই জানিছিলো ৰিজাল্ট বেয়া হ'ব বুলি। সিদিনাও দেউতাই প্ৰহাৰ কৰিছিল মোক। সিদিনা দেউতাই কৈছিল, "কুলাঙ্গাৰ পুত্ৰ জন্ম দিছিলো। জন্মৰ আগতে মৰি কিয় নগ'লি।"

এবছৰ কঠোৰ পৰিশ্ৰমৰ পিছত অৱশেষত মই ব্যক্তিগত অভিযান্ত্ৰিক মহাবিদ্যালয় এখনত নামভৰ্তি কৰিলো। তেতিয়ালৈকে মোৰ দেহত মই বুলি একো নাছিল। মই মোৰ অনুভূতিবোৰ হত্যা কৰিলো। সেই দৃষ্টিকোণৰ পৰা মই নিশ্চিতভাৱে এজন হত্যাকাৰী। ইঞ্জিনিয়াৰিং পঢ়ি থকা সময়ত মই ঘৰলৈ এবাৰো যোৱা নাই।

মাৰ কথা বৰকৈ মনত পৰিছিল কিন্তু দেউতাৰ সেই চৰটো মই পাহৰিব পৰা নাছিলো।

মোৰ ডায়েৰীবোৰ মই নিজ হাতেৰে জ্বলাই দিয়াৰ পিছত ছাঁইবোৰ মোৰ সপোনত ঘূৰি ফুৰিছিল। কিমান যে নিদ্ৰাহীন ৰাতি কটাইছিলো তাৰ কোনো হিচাপ নাই।

অৱশেষত মই চাৰিবছৰ পিছত ঘৰলৈ গৈ আছো। এজন হত্যাকাৰী ঘৰলৈ আহি আছে। মই আৰু লিখিব নোৱাৰো। মই গীটাৰটো বজাব নোৱাৰো এতিয়া।

আজি দেউতাৰ মুখামুখি হ'ম। দেউতাৰ সন্মুখত থিয় হৈ ক'ম, "দেউতা! আপুনি কিয় এনেকুৱা কৰিলে?" (এক পৰিকল্পিত হত্যা)❑






# বি জ্ঞা প ন

## বৰ্ণভিটা, অফিচাৰ্ছ ছয়ছ ইত্যাদি....

অৰ্পণা ৰাভা
বি.এড. প্ৰথম বৰ্ষ

বিজ্ঞাপন; বৰ্তমান সময়ৰ আটাইতকৈ প্ৰচলিত শব্দবোৰৰ মাজৰ অন্যতম এক শব্দ; বিজ্ঞাপন বাণিজ্য ক্ষেত্ৰৰ এক অবিচ্ছেদ্য অংগ।

মন কৰিলে দেখা যায় যে বৰ্তমান সময়ৰ অধিকাংশ কাম-কাজ বিজ্ঞাপনকেন্দ্ৰীক অথবা যিকোনো প্ৰকাৰে কামসমূহৰ লগত বিজ্ঞাপন জড়িত হৈ পৰে।

স্বাভাৱিকতে বিজ্ঞাপনৰ প্ৰতি আমাৰ অধিকাংশৰেই সমূলি ভাল ভাৱ নাথাকে। প্ৰয়োজনাধিকভাৱে অতিৰঞ্জিত প্ৰদৰ্শন, দৰকাৰী বিষয় একোটা পৰ্যবেক্ষণ কৰি থকাৰ মাজতে হঠাৎ আবিৰ্ভাৱ হৈ সেই বিষয়বস্তুৰ পৰা মনোযোগ আঁতৰাই নিয়া, বিজ্ঞাপনৰ নামত অনিচ্ছাস্বত্বেও নিজৰ বহুমূলীয়া সময়ৰ অপব্যৱহাৰ হোৱা আদি কাৰ্যৰ বাবে বিজ্ঞাপনৰ প্ৰতি মানুহৰ মনত বিৰক্তি উদ্ভৱ হোৱাটো নিতান্তই স্বাভাৱিক। তদুপৰি অধিকাংশ বিজ্ঞাপনেই যি বাৰ্তা প্ৰদান আৰু প্ৰকাশ কৰে বা বিজ্ঞাপনদাতাই তাক যিধৰণে বজাৰত উলিয়াই দিয়ে

সেয়া মানুহৰ মানসিক স্বাস্থ্যৰ পৰিপন্থী। উদাহৰণস্বৰূপে- জনপ্রিয় ডিঅ'ডৰেন্ট 'ৱাইল্ড ষ্টʼন' অথবা অন্যান্য তেনে কিছু ডিঅ', চাবোন ইত্যাদিৰ বিজ্ঞাপনত নাৰীক এনেদৰে উপস্থাপন কৰা হয় যে নাৰী একপ্রকাৰৰ সহজলভ্য প্রদর্শনযোগ্য বিষয় অথবা একোবিধ পণ্যসামগ্রী। (যʼত নেকি এনেধৰণৰ পুৰুষৰ ব্যৱহাৰ্য সামগ্রীৰ বিজ্ঞাপনত মহিলা অংশগ্রহণকাৰীৰ উপস্থিতি প্রয়োজনশূন্য।)

এনেধৰণৰ আৰু অনেক বিজ্ঞাপন যোগাযোগ আৰু মনোৰঞ্জনৰ সকলোবোৰ মাধ্যমত উপলব্ধ যিবোৰ চকুত পৰিলে এনেকুৱা লাগে যেন নাৰীৰ প্রয়োজন এই পৃথিৱীত যৌনতাৰ বাবেই আছে।

এনেধৰণৰ বিজ্ঞাপনসমূহ মানুহৰ বাবে বিশেষকৈ উঠি অহা চামৰ বাবে অতিশয় ক্ষতিকাৰক। অভিভাৱকসকলে নিজৰ উঠি অহা লʼৰা-ছোৱালীয়ে কি চাইছে, চাই উঠি তাক কেনেদৰে গ্রহণ কৰিছে সেই বিষয়ত সজাগ হোৱাৰ প্রয়োজন।

এনে নহয় যে এইধৰণৰ বিজ্ঞাপনসমূহে বিষয় সমূহক তুলুঙাভাৱে উপস্থাপন কৰিছে বাবেই 'বিজ্ঞাপন' এক বর্জনীয় বিষয়। বৰ্তমান সময়ত বিজ্ঞাপন আমাৰ দৈনন্দিন জীৱনৰ এৰাব নোৱাৰা অংশ। ইয়াৰ প্রাসংগিকতাক আমি নুই কৰিব নোৱাৰো। এয়া আমি মানি লʼবই লাগিব যে যিকোনো বিষয়ক মানুহৰ মনত আসন এখন দিয়াৰ ক্ষেত্রত বিজ্ঞাপন এক অন্যতম উৎকৃষ্ট আৰু ক্ষীপ্রতৰ মাধ্যম। দেখিবলৈ সাধাৰণ আৰু গতানুগতিক যেন লগাই এনেকুৱা এক মাৰ্কেটিং ষ্ট্রেটেজী যিয়ে পলকত সলনি কৰি দিব পাৰে মানুহৰ কোনো বিষয়ক লৈ থকা সমস্ত ধ্যান-ধাৰণা।

বিজ্ঞাপনে মানুহৰ মাজলৈ বার্তা বহন কৰে। বিজ্ঞাপন মানেই কেৱল মানুহৰ মাজলৈ আহিবলগীয়া বা পূৰ্বৰে পৰা চলি অহা কোনো বিষয় বা সামগ্রীৰ অতিৰঞ্জিত প্রদর্শন নহয়। অতি কম সময়ত কেইটিমান সুশৃংখলিত দৃশ্য অথবা শব্দৰ মাজেৰেই বিজ্ঞাপনে একোটা বৃহৎ বার্তা মানুহৰ মাজলৈ লৈ আহে এই কার্যত ই ঈর্ষণীয়ভাৱে আকর্ষণীয় আৰু সফল।

এনে বহু বিজ্ঞাপন আছে যিসমূহে মানুহৰ মাজলৈ সামাজিকভাৱে ইতিবাচক বার্তা প্রেৰণ কৰে। উদাহৰণস্বৰূপে জনপ্রিয় সুৰা 'অফিচাৰ্ছ চ্ছয়ছ'ৰ বিজ্ঞাপন সমূহলৈ মন কৰিলে দেখা যায় যে ইয়াৰ প্রতিটো বিজ্ঞাপনতে কোনোবাটোত যদি ৰাস্তা পাৰ হʼব নোৱাৰি ভিৰৰ মাজত অসহায় হৈ চাই ৰোৱা বৃদ্ধজনক বিজ্ঞাপনৰ অভিনেতাজনে সহায় কৰিবলৈ আগুৱাই গৈছে তেন্তে অইন কোনোবাটোত দেখা গৈছে শাৰীৰিকভাৱে প্রতিবন্ধী বন্ধুক বন্ধুবৰ্গই জীৱন উদযাপন কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। (অৱশ্যেই এই লেখাৰ উদ্দেশ্য সুৰাৰ গুণ-গান কৰা নহয়। ইয়াত কেৱল সুৰাবিধৰ বিজ্ঞাপনত প্রচাৰিত ইতিবাচক বার্তাৰ কথাহে উনুকিয়াব খোজা হৈছে। ব্যক্তিগতভাৱে আমি সুৰা সেৱনৰ পৰিপন্থী; যদিওবা সীমিত পৰিমাণৰ সুৰা সেৱন স্বাস্থ্যৰ পক্ষে অপকাৰী নহয় বুলি বিশেষজ্ঞসকলৰ মত।) 'অফিচাৰ্ছ চ্ছয়ছ'ৰ প্রায় প্রতিটো বিজ্ঞাপনতে অন্তৰ্নিহিত হৈ থাকে আৰ্তজনৰ প্রতি সহায়ৰ হাত আগবঢ়োৱা আৰু পাৰস্পৰিক সহযোগিতাৰ মাজেৰে জীৱনক উদ্‌যাপন কৰাৰ কথা।

বিজ্ঞাপনে সমাজলৈ প্রেৰণ কৰা ইতিবাচক বার্তাৰ কথা আলোচনা কৰিলে এই আলোচনাৰ আওতালৈ আমি অৱশ্যেই অনা উচিত 'বৰ্ণভিটা'ৰ বিজ্ঞাপনসমূহক। বিশেষকৈ শিক্ষক, অভিভাৱক আৰু শিক্ষাৰ্থীসকলে 'বৰ্ণভিটা'ৰ বিজ্ঞাপনসমূহ এবাৰ হʼলেও চোৱা উচিত।

'বৰ্ণভিটা'ৰ এটা বিজ্ঞাপনত এখন বিদ্যালয়ৰ অধ্যক্ষাগৰাকীয়ে তেওঁলোকৰ বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ অভিভাৱকসকলক উদ্দেশ্যি কয় যে সন্তানে বা শিক্ষাৰ্থীয়ে কিমান শতাংশ নম্বৰ লাভ কৰিছে, স্থান প্রাপ্ত কৰিছে নে নাই সেয়া গুৰুত্ব দিয়াতকৈ বিদ্যালয়ত কি শিকিছে, কেনেদৰে শিকিছে

তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা উচিত। মানুহৰ জীৱনত সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিতকৈ, নম্বৰ কেন্দ্ৰীক প্ৰতিযোগিতাৰ দৌৰত সকলোতকৈ আগত থকাতকৈও অধিক জৰুৰী মানদণ্ড সম্পন্ন শিক্ষা পোৱাটো। তেওঁৰ মতে নম্বৰকেন্দ্ৰীক প্ৰতিযোগিতাৰ সফলতাবোৰ ক্ষণিকতে নিস্তেজ হয়, কিন্তু ভালদৰে শিকা কথা-কামে জীৱনটোলৈ মানুহৰ ছাঁ হৈ থাকে।

বৰ্তমান নম্বৰকেন্দ্ৰীক প্ৰতিযোগিতাৰ দৌৰত একান্তই বাধ্য হৈ ৰেচত নমা আমাৰ দৰে ক্লান্ত, অৱসাদগ্ৰস্ত আৰু যান্ত্ৰিক জীৱনশৈলীয়ে হতাশ আৰু দিশহাৰা কৰি তোলা আমাৰ দৰে শিক্ষাৰ্থীসকলৰ বাবে এনেবোৰ বিজ্ঞাপনে মহৌষধৰ কাম কৰিব পাৰে। এনে বিজ্ঞাপনে অভিভাৱক আৰু শিক্ষকসকলকো সন্তান, ছাত্ৰ-ছাত্ৰীৰ মনোজগতৰ প্ৰতি সজাগ আৰু সহানুভূতিশীল কৰি তুলিব পাৰে।

তদুপৰি বৰ্ণভিটাৰ অন্যান্য বিজ্ঞাপনসমূহো মানুহে প্ৰত্যক্ষ কৰা উচিত য'ত শিশু বা কিশোৰ-কিশোৰীৰ উত্তৰণৰ বাবে অভিভাৱক আৰু পৰিয়ালৰ সদস্যসকলৰ সহযোগিতা আৰু মনোযোগ কিমান জৰুৰী সেই বিষয়ে আলোকপাত কৰা হৈছে।




এনে নহয় যে বিজ্ঞাপন একোটা ভালদৰে চোৱা মানেই আমি বিজ্ঞাপনক প্ৰচাৰিত সামগ্ৰীবিধ ক্ৰয় বা ব্যৱহাৰ কৰিবই লাগিব। বৰঞ্চ বিজ্ঞাপনসমূহ ভালদৰে পৰ্যবেক্ষণ কৰি তাৰ মাধ্যমেৰে প্ৰকাশ কৰা বাৰ্তাসমূহ হৃদয়ঙ্গম কৰিব পাৰিলে ই আমাৰ ব্যক্তিগত তথা সামাজিক জীৱন উভয় ক্ষেত্ৰতে বহুখিনি ইতিবাচক পৰিৱৰ্তন আনিব পাৰে।

যিহেতু বৰ্তমানৰ টেলিভিশ্যন, নেটফ্লিক্স, ইউটিউবৰ দিনত বিজ্ঞাপন এক অতিশয় শক্তিশালী মাধ্যম হৈ পৰিছে, গতিকে বিজ্ঞাপনৰ মাজত অন্তৰ্নিহিত ইতিবাচক ভাৱধাৰা সমূহ গ্ৰহণ কৰি সম্ভৱ হ'লে তাক বাস্তৱক্ষেত্ৰতো প্ৰয়োগ কৰাটোৱেই আমাৰ বোধেৰে শ্ৰেয়।

বিজ্ঞাপনক ইতিবাচভাৱে গ্ৰহণ কৰিব পাৰিলে ই অৱশ্যেই বহু শিশু আৰু কিশোৰ-কিশোৰীৰ ব্যক্তিত্বৰ, উত্তৰণত তথা পৰিয়াল আৰু বন্ধুবৰ্গৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাতো এক শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে।

বিজ্ঞাপনদাতা আৰু দৰ্শক-উপভোক্তা উভয়েৰে সামান্য সহযোগিতাত 'বিজ্ঞাপন' সামাজিক আৰু মানৱীয় প্ৰমূল্যবোধৰ ধ্বজাবাহক হৈ উঠিব পাৰে।❑



# ভাৰতীয় সমাজত নাৰীৰ স্থান আৰু নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা




**ভাস্বতী নাথ**
বি.এড., দ্বিতীয় বৰ্ষ

নাৰী--- এগৰাকী নাৰী হৈছে এক প্ৰাপ্তবয়স্ক মানৱী। 'নাৰী' দুটা বৰ্ণৰ এই শব্দটোৱে বহন কৰে গভীৰ তাৎপৰ্য তথা বিশেষ মহত্ব। এগৰাকী নাৰীয়ে দয়া, ক্ষমা, প্ৰেম, কৰুণা আদি সদ্‌গুণ সমূহৰ বিস্তাৰ সাধন কৰে।

সঁচাকৈয়ে নাৰী প্ৰকৃতিৰ অপৰূপ সৃষ্টি। নাৰীক মহিলা, অংগনা, ৰমনী, জননী ইত্যাদি নামেৰে অভিহিত কৰা হয়। নাৰী মমতাময়ী, ত্যাগময়ী, কৰুণাময়ী, শক্তিদায়িনী আৰু মহিয়সী। নাৰী সঁচাকৈয়ে অনন্যা। পৃথিৱীৰ সকলো জাতিৰ ইতিহাসত, সভ্যতাৰ বিকাশত নাৰীৰ ভূমিকা উল্লেখনীয়। এইক্ষেত্ৰত ভাৰতীয় নাৰী সকলে পিছপৰি থকা নাছিল। যুগে যুগে ভাৰতীয় নাৰীয়ে স্ব-মহিমাৰে নিজ নিজ শক্তি আৰু সামৰ্থ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, পাৰিবাৰিক সকলো ক্ষেত্ৰতে প্ৰদৰ্শন কৰি আহিছে।

অতি প্ৰাচীন কালৰ পৰাই ভাৰতত নাৰীৰ স্থান উচ্চ আছিল যদিও বহুক্ষেত্ৰত নাৰীক অবলা বা দূৰ্বলা বুলি অভিহিত কৰাৰ লগতে নাৰীৰ ওপৰত অত্যাচাৰ, আতিশয্যৰ উদাহৰণ পোৱা যায়। এইক্ষেত্ৰত সীতা আৰু দ্ৰৌপদীৰ কথা উল্লেখ কৰিব পাৰি। বাল্মীকিৰ ৰামায়ণত ৰামে নিজৰ মনোতুষ্টিৰ বাবে সীতাৰ অগ্নিপৰীক্ষা কৰিছিল। দ্বাপৰ যুগত মহাভাৰততো ৰাজসভাৰ মাজত দ্ৰৌপদীৰ বস্ত্ৰহৰণ কৰা হৈছিল। পদে পদে নাৰীসকলক অৱদমিত কৰি ৰখা হৈছিল। নাৰীসকলক অৱদমিতত কৰি ৰখা স্বত্বেও তেওঁলোকে সমাজত নিজৰ অস্তিত্ব স্থাপন কৰিবলৈ সক্ষম হৈছিল। বৈদিক যুগৰ পৰা বৰ্তমানলৈকে সমাজ আৰু জাতি গঠনৰ ক্ষেত্ৰত নাৰীয়ে অনবদ্য অৱদান আগবঢ়াই আহিছে।

ধৰ্মীয় দিশৰ পৰা চালে দেখা যায় যে ভাৰতীয় সমাজত নাৰীক সদায়ে উচ্চ স্থানত ৰখা হৈছিল। নাৰী শক্তিৰ প্ৰতীক হ'ল দুৰ্গা। যেতিয়া ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰে মহিষাসুৰকে ধৰি অন্য অসুৰ সকলৰ উপদ্ৰৱৰ পৰা পৃথিৱীক উদ্ধাৰ কৰিব পৰা নাছিল তেতিয়াই তিনিওজনে মিলি দুৰ্গাৰ সৃষ্টি কৰিছিল। দুৰ্গাই নিজস্ব মহিমা আৰু মহাশক্তিৰে মহিষাসুৰক দমন কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিছিল। সেয়েহে দুৰ্গা এতিয়াও নাৰী শক্তিৰ প্ৰতীক হিচাপে, দুষ্টৰ দমনকাৰী হিচাপে পূজিত হৈ আহিছে। তাৰোপৰি বিদ্যাৰ অধিষ্ঠাত্ৰী হিচাপে সৰস্বতী আৰু সম্পত্তিৰ অধিকাৰী হিচাপে লক্ষ্মীদেৱী ভাৰতীয় সমাজত পূজিত হৈ আহিছে।

পৌৰাণিক আখ্যান সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে অনুসূয়া, শকুন্তলা, সাৱিত্ৰী, সীতা, সব্যা, কুন্তী, দ্ৰৌপদী, গাৰ্গী, অয়েত্ৰী, মৈত্ৰেয়ী আদি নাৰীসকলেও নিজ সাধনা, কৰ্মশক্তি, ত্যাগ আৰু স্ব-মহিমাৰে নাৰী শক্তিক যুগমীয়া কৰি থৈ গৈছে। ঝান্সীৰ ৰাণী লক্ষ্মীবাঈয়ে পিঠিত কেঁচুৱা লৈ বীৰৰ দৰে যুঁজ কৰি গৈছিল। জয়মতী, মুলাগাভৰু, কনকলতা ইত্যাদিয়ে দেশৰ কাৰণে প্ৰাণ আহুতি দিয়ে। সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, কস্তুৰবা গান্ধীৰ দৰে আন বহুতো ভাৰতীয় নাৰীয়ে নিজ কৰ্মৰাজীৰে নিজৰ নাম উজ্বলাই থৈ গৈছে।

পুৰণি কালৰ সেই পৰম্পৰা আজিৰ নাৰীসকলৰ মাজতো আছে। আজিৰ নাৰীসকলেও সমাজ আৰু জাতি গঠনৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। বৰ্তমান পুৰুষসকলৰ লগতে নাৰী সকলেও মানৱ জাতিৰ বিকাশ আৰু সফলতাৰ ক্ষেত্ৰত সমানে আগুৱাই যাবলৈ সক্ষম হৈছে।

নাৰী শক্তিৰ ৰূপ অনেক। কেতিয়াবা কাৰোবাৰ মাতৃ, কেতিয়াবা পত্নী, কেতিয়াবা বোৱাৰী, কেতিয়াবা জীয়ৰী হৈ পৰে। সন্তান জন্ম দিব পৰা ক্ষমতাৰ বাবে জননী, সকলোৰে পৰিচৰ্যা কৰি ঘৰ চলাই নিয়াৰ বাবে গৃহিনী ইত্যাদি নামেৰে নাৰীক জনা যায়। নাৰীৰ সকলোবোৰ ৰূপৰ ভিতৰত মাতৃ বা জননী ৰূপটোৱেই সকলোতকৈ মহীয়ান ৰূপ।

কিন্তু নাৰীৰ ইমান অৱদান, ইমান পাৰদৰ্শিতাৰ পিছতো নাৰী সকলক অৱমাননা কৰি অহা হৈছে। নাৰী সকলক সম অধিকাৰ আৰু সম ন্যায়ৰ পৰা বঞ্চিত কৰি অহা হৈছে। এফালে দুৰ্গা, লক্ষ্মী, সৰস্বতীক লৈ দেৱীপূজা কৰি অহা হৈছে, আকৌ আনফালে নাৰীৰ ওপৰত অত্যাচাৰ উৎপীড়ন চলাই থকা হৈছে। ভ্ৰূণ হত্যা, ধৰ্ষণ, ডাইনী হত্যা, মানসিক অত্যাচাৰ, যৌতুক প্ৰথা ইত্যাদি সমাজত এতিয়াও দেখা যায়। এই সকলোবোৰৰ পৰা নাৰীসকল বাছিবলৈ হ'লে প্ৰথমে নিজকে শিক্ষিত আৰু দক্ষ কৰি তুলিব লাগিব। তেতিয়া নাৰীসকলে নিজৰ অধিকাৰ আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজ দিব পাৰিব। আজিৰ সকলো নাৰীয়েই সমাজত নিজক প্ৰতিষ্ঠা কৰাৰ বাবে যুঁজ দিব লগা হয়। কেতিয়াবা বিজয়ী

**“ ভ্ৰূণ হত্যা, ধৰ্ষণ, ডাইনী হত্যা, মানসিক অত্যাচাৰ, যৌতুক প্ৰথা ইত্যাদি সমাজত এতিয়াও দেখা যায়। এই সকলোবোৰৰ পৰা নাৰীসকল বাছিবলৈ হ'লে প্ৰথমে নিজকে শিক্ষিত আৰু দক্ষ কৰি তুলিব লাগিব। তেতিয়া নাৰীসকলে নিজৰ অধিকাৰ আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজ দিব পাৰিব। ”**

হয় আৰু কেতিয়াবা পৰাজয়। কিন্তু তাৰ পিছতো হাৰ নামানি অবিৰাম যুঁজ দি থকা সকলেই হ'ল সাহসী আৰু শক্তিশালী নাৰী, যিয়ে নিজকে প্ৰতিষ্ঠা কৰি নাৰীৰ শক্তি প্ৰদৰ্শন কৰে।

নাৰী শিক্ষাৰ যথেষ্ঠ প্ৰয়োজনীয়তা আছে। এগৰাকী নাৰী শিক্ষিত হোৱা মানেই এটা পৰিয়াল শিক্ষিত হোৱা। নেহৰুৰ ভাষাত— “A man educated only he is educated, but a woman educated her whole family educated.” অৰ্থাৎ এজন পুৰুষক শিক্ষিত কৰা মানে অকল এজন পুৰুষক শিক্ষিত কৰা, কিন্তু এগৰাকী নাৰীক শিক্ষিত কৰা মানেই এটা পৰিয়ালক শিক্ষিত কৰা। কিয়নো এগৰাকী নাৰীয়েই ঘৰখনৰ শিপাডাল ধৰি ৰাখে। এগৰাকী নাৰীৰ মাজতেই নিহিত হৈ থাকে বেয়াক ভাল কৰিব পৰাৰ ক্ষমতা। সু-শিক্ষিতা নাৰীয়ে সমাজৰ সকলো অন্যায়ৰ ওপৰত মাত মাতি সকলো দিশতে সুন্দৰতা আনিব পাৰে। তাৰ বাবে প্ৰয়োজন নাৰী শিক্ষাৰ বহল প্ৰসাৰ। অতীজৰে পৰা নাৰীয়ে শিক্ষালাভৰ ক্ষেত্ৰত যথেষ্ট সমস্যা আৰু বাধা পাৰ কৰি আহিছে। সেয়েহে বৰ্তমান নাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন অনা হৈছে। ভাৰত চৰকাৰে নাৰী শিক্ষাৰ বাবে বিভিন্ন ধৰণৰ আঁচনিৰ লগতে সা-সুবিধা প্ৰদান কৰিছে। সেয়েহে বৰ্তমান সময়ত নাৰী সকলে সাহিত্য, খেলা-ধূলা, শিক্ষা-দীক্ষা, শিল্পকলা, সংস্কৃতি, বিজ্ঞান, ৰাজনীতি ইত্যাদি ক্ষেত্ৰত যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। পুৰুষ আৰু মহিলাৰ মাজৰ ব্যৱধান আঁতৰোৱাৰ একমাত্ৰ উপায় হ'ল নাৰীক শিক্ষিত কৰি তোলা। এই সমাজত নাৰীয়ে কৰিব নোৱাৰা কাম একো নাই। সন্তানক লালন-পালন কৰি, পৰিয়ালৰ সকলোৰে পৰিচৰ্যা কৰি, ঘৰৰ সকলো দায়িত্ব মূৰ পাতি লৈ লগতে নিজৰো কাম-কাজ চলাই নিব পাৰে। নাৰীয়ে সমাজ এখনক বিকাশৰ উচ্চ গতিলৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

গতিকে, ৮ মাৰ্চ তাৰিখে নাৰী দিৱস পালন কৰি মেল-মিটিং পাতি ভাষণ প্ৰদানতে সীমাবদ্ধ নাথাকি নাৰী সকলৰ বিকাশ আৰু অগ্ৰগতিৰ হকে কাম কৰি যাব লাগিব। নাৰীৰ সম অধিকাৰ আৰু সম ন্যায়ৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ সমাজ এখন সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে আগবাঢ়ি যাবলৈ হ'লে নাৰী-পুৰুষ নিৰ্বিশেষে সকলো সমানে আগবাঢ়ি যোৱাটো অপৰিহাৰ্য। যিখন দেশৰ নাৰীয়ে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, পুলিচ বিষয়া, মহাকাশচাৰী, খেলুৱৈ, পৰ্বতাৰোহণকাৰী, ডাক্তৰ, অভিযন্তা ইত্যাদি হ'ব পাৰিছে তেনে এখন দেশত নাৰীক অবলা, দুৰ্বলা বুলি ভাবি লোৱাটো উচিত জানো??? সকলোৱে মিলি নাৰীক নাৰীৰ প্ৰকৃত মৰ্যাদা প্ৰদান কৰিলেহে সমাজৰ উন্নতি হ'ব, সমাজ আগুৱাই যাব।❏



# কল্পনা

অজয় কলিতা
বি.এড., দ্বিতীয় বৰ্ষ

নিশা প্ৰায় আঠ বাজিছে। ছেপ্তেম্বৰ মাহ। কিছু ঠাণ্ডা পৰিছে। বিচনাখনতে ভকতৰ দৰে বহি লৈ কঁকালৰ পৰা নিম্নভাগ ব্লেংকেটখনেৰে মেৰিয়াই ৰাখিছে কল্পনাই। তেনেদৰেই কোলাত ড্ৰয়িংবৰ্ড এখনত আৰ্টপেপাৰ পাৰি লৈ এখন ছবি ছেডিং কৰি আছে। এটা ভঙা কলহৰ ছবি। কাষত কেইডালমান পেঞ্চিল, ছাৰকোল, ৰবৰ, ছাৰ্পেনাৰ আদি। কাগজৰ ওপৰত পেঞ্চিলৰ খেচ্-খেচ্ শব্দৰ বাদে অইন কোনো শব্দ তাইৰ পৰা যেন নাযায় তাৰ বাবে তাই সতৰ্ক। কাৰণ কাষতে পঢ়া টেবুলত বহি পঢ়ি আছে তাইৰ সৰু ভনীয়েক ছায়া। এইটো ছায়াৰেই কোঠা। ছায়াৰেই বিচনাখনত বহি ছবি আঁকি আছে কল্পনাই।

তিনিটা কোঠাৰ ঘৰটোত দুয়োজনীয়েই থাকে। ভাৰাঘৰ। অৱশ্যে ভাৰাঘৰ যদিও মালিক লগত নাথাকে। এই অকনমান ঠাইত সৰু আছাম টাইপ ঘৰটো সম্পূৰ্ণৰূপে অলপ কম ভাৰাতে এৰি দি মালিক বেলেগ ঠাইলৈ গুচি গৈছে। চহৰৰ ব্যস্ততাৰ পৰা অলপ আঁতৰত এই নিজৰ ঘৰটোত দুই বাই-ভনী থাকি ভালেই পাইছে। শান্ত পৰিৱেশ। ৰাতিপুৱা উঠি খিৰিকী মেলাৰ লগে লগেই শান্ত নদীখনৰ কোমল বতাহ এজাক আহে। আবেলী পৰত ৰঙা সুৰুযৰ ৰাঙলী ছবি নদীৰ গাভৰু বুকুত পৰি তলবলাই উঠে। ৰাতিৰ গছত নিশাচৰ চৰাইৰ কুৰুলি। ইয়াৰ পৰা কিছু আঁতৰত 'গ্ৰাম'ৰ মানুহবোৰ জুম পাতি থাকে। সিহঁতৰ কোৰ্হাল ক্ৰমশঃ ৰিনিকি ৰিনিকি হৈ আহে।

কলিং বেলহীন ঘৰটোৰ মুল দুৱাৰখনত বাজি উঠা 'টক-টক' শব্দত কল্পনা উচপ খাই উঠিল। লগে লগে পঢ়াৰ পৰা মূৰ তুলি চালে ছায়াই। পিছ মুহূৰ্ততে দুয়োজনীয়ে পৰস্পৰৰ মুখলৈ চালে। দুয়োৰে চকুত প্ৰশ্নবোধক। লগে লগে কল্পনাই মাত লগালে-

ঃ কোন?

ঃ মইহে।

মাতটোত কল্পনা আৰু ছায়া দুয়োজনী আশ্বস্ত হ'ল। কল্পনাই ভনীয়েকক লাহেকৈ ক'লে- 'পঢ়ি

থাক।' এইবুলি ব্লেংকেটখন গুচাই, ছবিখন কাষৰীয়া কৰি থৈ কল্পনা কোঠাটোৰ পৰা ওলাই আহিল। তিনিটা কোঠালিৰ ঘৰটোৰ এটা মূৰত ছায়াৰ কোঠাটো, আনটো মূৰত কল্পনাৰ আৰু মাজতে আলহী আহিলে বহিব দিয়া কোঠাটো। কল্পনাৰ কোঠাটোৰ লগতে সংযোজিত 'কিটচেন'। ছায়াৰ কোঠাৰপৰা ওলাই আহি কল্পনাই মাজৰ কোঠাটোৰ অৰ্থাৎ ঘৰটোৰ মূল দুৱাৰখনৰ হুকটো খুলি দিলে। বাহিৰৰ বাল্বৰ পোহৰত প্ৰকাশৰ মুখখন স্পষ্টভাৱে দেখা গ'ল। হাঁহি এটা মাৰি কল্পনাই প্ৰকাশক ভিতৰলৈ মাতি আনিলে।

মাজৰ কোঠাটোত চোফাত বহি পৰিল প্ৰকাশ। সিহঁতৰ কথাত পঢ়াত অসুবিধা হ'ব বুলিয়েই কল্পনাই এইফালৰ পৰাই ছায়াৰ কোঠাৰ দৰ্জাখন জপাই দি আহি প্ৰকাশৰ সৈতে কথা পাতিবলৈ বহিলে। প্ৰকাশে হাঁহি এটা মাৰি সুধিলে-

ঃ কি কৰি আছিলা?

ঃ নাই, এনেয়ে তাইৰ কাষত বহি আছিলো। ছবি এখন আঁকি।

ঃ হাঃ হাঃ হাঃ তোমাৰ কেৱল ছবি অঁকাই কাম! কেতিয়াবা বতাহৰ ছবি এখন আকিবা চোন। প্ৰকাশে ধেমেলীয়া সুৰত ক'লে।

ঃ হ'ব দিয়া। হাঁহি মাৰি কল্পনাই সহজভাৱেই ক'লে- অলপ ঠাণ্ডা পৰিছে, নহয়?

ঃ উম। ঠাণ্ডা পৰিছে কিছু। চেপ্তেম্বৰ মাহ।

ঃ উম।

ঃ ছায়াই পঢ়ি আছেনে?

ঃ অ', আছে পঢ়ি। জানোচা— কি বা পঢ়িছে। তুমি চাই দিবা চোন অলপ আজিও নহ'লে।

ঃ হ'ব দিয়া। তাই সোনকালে বুজি পায়।

ঃ হ'ব দিয়া, আমাৰহে মাঠা-মুণ্ডবোৰত গোবৰ দি পঠিয়ালে।

ঃ ইহ্! কিয় হ'ব। সকলোৰে বিশেষত্ব থাকে, কিবা নহয় কিবা। তোমাৰ দৰে ছবি আঁকিব আমি পাৰিমনে কেতিয়াবা? ছায়াই বা ময়েই!

ঃ আহ্, হৈছে আৰু.... কল্পনাই লাজত তলমূৰ কৰিলে। ঠিক আছে, তুমি নহ'লে তাইক অলপ চাই দিয়াচোন। মই ভাতখিনি বনাই লওঁ। এখন ছবি আঁকি থাকোতে কেতিয়া সময়খিনি পাৰ হ'ল গমেই নাপালো।

ঃ হ'ব দিয়া।

কল্পনাই ছায়াৰ কোঠালৈ প্ৰকাশক লৈ গ'ল। তাইৰ কাষতে বহি প্ৰকাশে কিতাপখন হাতত ল'লে।

ছায়াৰ বিচনাৰ পৰা ছবি অঁকা বস্তুবোৰ সামৰি লৈ কল্পনা ওলাই আহিল। দিয়া, পঢ়োৱা। আৰু অ'- ভাত খাই যাবা। নহ'লে থাকিয়েই দিবা আজি। ৰাতি দেৰী হ'ব।

প্ৰকাশে মিচিকিয়ালে।

কল্পনা পাকঘৰলৈ গ'ল। পাকঘৰ মানে ঠিক পাকঘৰ নহয়। তাইৰ কোঠাটোৰেই কিছু অংশ একাষৰীয়া কৰি অলপ ঠাই উলিয়াই তাত এখন টেবুল পাৰি লৈছে। তাত গেছটো। সৰু এটি আলমিৰাত কিছু বাচন-বৰ্তন আৰু খোৱা সামগ্ৰী। তাইৰ কোঠাটোত বিচনাখন, একাষত ছবি অঁকা



কেনভাছ ষ্টেণ্ড, আলমিৰা আৰু আলনাখন। বেৰত ওলমি আছে কিছুমান বগা কাগজ। সেইবোৰৰ পিছফালে আছে তাই অঁকা ছবিবোৰ। তাই ছবি আঁকি তেনেদৰেই ৰাখে। যাতে সহজতে কোনেও চাব নোৱাৰে। অত্যুৎসাহী কোনোবাই যদি উকা কাগজৰ সিটোপাৰে কি আছে চাব খুজি লুটিয়াই চাই তেতিয়াহে দেখিব। সেইটো তাইৰ ষ্টাইল। অৱশ্যে সিহঁতৰ ঘৰটোলৈ কোনো মানুহ তেনেকৈ নাাহেই। মাজে মাজে প্ৰকাশ আৰু কেতিয়াবাহে ছায়াৰ কলেজীয়া বান্ধৱী দুজনীমান আহে। আহিলেও সিহঁতৰ প্ৰৱেশ নহয় কল্পনাৰ কোঠাত।

কল্পনাই ইতিমধ্যে ভাত বনোৱা কাৰ্য আৰম্ভ কৰি দিছে। প্ৰকাশে ছায়াক পঢ়ুৱাই আছে। পাকঘৰত হোৱা টুং টাং শব্দ ছায়াৰ কোঠালৈ কিছু যায়। কিন্তু সিহঁতৰ পঢ়াৰ গুন-গুন শব্দ শুনা নাযায়।

এই ঘৰটোত কল্পনা আৰু তাইৰ ভনীয়েক থাকে। গাঁৱত সিহঁতৰ ঘৰ। তাইৰ ভনীয়েক চহৰৰ কলেজত পঢ়ে বাবে দুয়ো এনেদৰে থাকিবলৈ লৈছে। কল্পনাই মেট্ৰিকৰ দেওনাখন পাৰ হ'বই নোৱাৰিলে। কিতাপৰ কথাবোৰ তাইৰ মূৰত নোসোমায়। ছায়া পঢ়াত ভাল। মেট্ৰিক পৰীক্ষাত ভালদৰে পাছ কৰি আহি কলেজত পঢ়ি আছে। তাই নাম লগোৱা কলেজখনতেই প্ৰকাশে কাম কৰে। প্ৰকাশৰ সম্পৰ্কীয় পেহীয়েক এজনীৰ ঘৰ কল্পনাহঁতৰ গাঁৱত। তেনেদৰেই এক চিনাকী আছিল। অচিনাকী চহৰখনলৈ আহি কোনোবা এজনক চিনাকী লগ পাই অলপ আশ্বস্ত হৈছিল। দেউতাকেও প্ৰথম দিনা কলেজত নাম লগাই দিয়াৰ পিছত কল্পনাহঁতক অলপ চাবলৈ কৈ গৈছিল। এদিন, ছায়াই কি পঢ়ি আছে বুলি খবৰ ল'বলৈ আহিছিল সিহঁতৰ ঘৰটোলৈ। তাৰ পিছৰ পৰা লাহে লাহে বেছিকৈ আহিবলৈ ল'লে। ছায়াক পঢ়োৱাৰ ছলেৰে কল্পনাৰ লগত কথা পাতি যায়। প্ৰথম দিনা কল্পনাই কিছু অস্বস্তি অনুভৱ কৰিছিল যদিও লাহে লাহে অভ্যস্ত হ'ল। এক কথাত তাই ভালেই পোৱা হ'ল। কেতিয়াবা আনকি সি ৰাতিও থাকি দিয়ে। এক কথাত, সিহঁতৰ মাজত যেন সম্পৰ্ক এটি গঢ় লৈ উঠিছে। কিন্তু, তাইও ঘৰত নজনায়। কল্পনাই তাক বহুত ভাল পায়। দুয়ো কথা পাতে, চকুলৈ চায়। তলবলীয়া তাৰ চকুত বেছি পৰ তাই চকু থ'বই নোৱাৰে। তাইৰ মন যায় তাক চকুত বহুসময় ধৰি চাই থাকি চকুৰ গভীৰতাত জুখিব মন যায় কিমান আছে তাত ভালপোৱা। কিন্তু, তাই চাবই নোৱাৰে।

ঃ ধুনীয়া হৈছে আঞ্জাখন। প্ৰকাশে ভাত খাই থকাৰ মাজতে ক'লে। ভাত খাই শেষ হওতে ৰাতি প্ৰায় চাৰে দহ বাজিল।

ঃ এতিয়া আৰু যাব নালাগে। থাকিয়েই দিয়া। কল্পনাই প্ৰকাশক ক'লে।

ছায়াই নিজৰ কোঠালৈ গ'ল। প্ৰকাশে মাজৰ কোঠাটোৰ সৰু বিচনাখনতেই শুলে। কল্পনায়ো নিজৰ কোঠালৈ আহি বিচনাখনত বাগৰ দিলে। গাৰু এটি বুকুৰ মাজত সাৱতি লৈ তাই একাষৰীয়া হৈ শুই ল'লৈ। ইচ্ছা কৰিয়েই তাই আজি দুৱাৰখনৰ হুকটো দি নল'লে। আহিলে সোমাই আহক এজাক ধুমুহা।

কল্পনাই ইতিমধ্যে তাক ভাল পাই পেলাইছে, আৰু জানে সিও তাইক ভালপায়। কিন্তু, কথাবোৰ মুখেৰে খুলি নোকোৱাকৈয়েই আগবাঢ়ি গৈ থাকিল। সি কিয় বাৰু নকয়? ভয় কৰে নেকি? অঁকৰাটো ক'ৰবাৰ! তাইৰ মন যায় তাৰ চকুযুৰিত চকু থৈ হেঁপাহ পলুৱাই পি খাবলৈ। তাৰ ওঁঠযুৰিত এখন ছবি আঁকিবলৈ। তাই স্কুল-কিতাপৰ তত্ত্বগধুৰ কথাবোৰ মূৰত সুমুৱাই ৰাখিবলৈ ভাল নাপায়। তাই ভালপায় ছবি আঁকি। দুটি পৰুৱাই এটা চেনীৰ টুকুৰা কামুৰি থকা ছবি, ৰঙা ফুল এপাহৰ পৰা এটোপ নিয়ৰ সৰি পৰাৰ মুহূৰ্ত, বনজুইৰ মাজলৈ সোমাই

যোৱা এটা ফৰিঙৰ ছবি...। খিৰিকীৰ কাষত বহি বেৰত বগাই থকা শামুক চাই তাই ভালপায়। তাইৰো মন যায় প্ৰকাশৰ বুকুত শামুক হৈ বগাবলৈ। গাঁৱৰ ঘৰত থাকোতে এবাৰ প্ৰকাশ সিহঁতৰ ঘৰলৈ আহিছিল। তেতিয়া বোধকৰো কল্পনা ক্লাছ এইট নে নাইনত। তাই বুজি নোপোৱা কবিতা এটা প্ৰকাশে আবৃত্তি কৰি বুজাই দিছি তাইৰ দেউতাকৰ অনুৰোধত। তেতিয়াই তাইৰ প্ৰকাশৰ প্ৰতি বি এটা ভাৱ জাগি উঠিছি কবিতাটো তাই একো বুজি পো নাছিল যদিও প্ৰকাশৰ কণ্ঠ আ উজ্জ্বল চকুৰ তীব্ৰতাত তাইৰ বুব কঁপি উঠিছিল। তাৰ কিবা এটা আছে যিয়ে মানুহক নিমিষতে মন্ত্ৰমুগ্ধ কৰি দিব পাৰে। প্ৰমাণ তাই নিজেই। প্ৰকাশক পাবলৈ তাই পাগলী হৈ পৰিছে। সঁচাকৈ পাগলী। কিন্তু, প্ৰকাশে কিয় খুলি নকয় মুখেৰে? সি তাইক ভাল নাপায় নেকি? যদি নাপায়, কিয় আহে তাইৰ ঘৰলৈ? কিয় কোনো কাৰণ নোহোৱাকৈয়ে, কোনো লাভ নোহোৱাকৈয়ে তাইৰ ভনীয়েকক পঢ়াই দিছে? কিন্তু সি খুলি নকয়। কিয় চাবলৈ নাহে তাইৰ উকা কাগজৰ সিপাৰৰ ৰংবোৰ? তাইৰ ইচ্ছা যায় তাৰ বিশাল বক্ষত মূৰ গুজি শুবলৈ। তৃষ্ণাতুৰ হৰিণী হৈ নিজৰাৰ পানী পি খাবলৈ।

কল্পনাই গাৰুটো জোৰকৈ সাৱতি ধৰিলে। তাই ঘড়ীটোলৈ চালে— চাৰে বাৰ বাজিছে। তাই গাৰুটো বিচনাতে পেলাই দিলে। তাইৰ বুকুখন ধান বনাদি বানিছে। তাইৰ খুব গৰম লাগিছে। তাই বাৰে বাৰে ভাবিছে— দুৱাৰখন খুলি দিওঁ। নাই নাই, এয়া পাপ। নাই, নহয় পাপ। মনে বিচৰা মানুহজনৰ ওচৰত আত্মসমৰ্পন---

এয়া কেনেদৰে পাপ?

তাই বিচনাত উঠি বহিল। মজিয়াত সন্তৰ্পনে খোজ পেলাই তাই আগবাঢ়ি আহিল দৰ্জাখনলৈ। দৰ্জাখনৰ ওচৰত তাই কিছুসময় থিয় হৈয়েই ৰ'ল। তাৰপিছত হঠাৎ দৰ্জাখন খুলি দিলে। কিন্তু! কিন্তু এয়া কি? প্ৰকাশ ক'ত? প্ৰকাশ কোঠাত নাই। তাইৰ বুকুত ধিপ্ ধিপ্ বাঢ়ি গ'ল। তাই অজান আশংকাত খৰ-খোজ পেলাই ছায়াৰ কোঠালৈ আগবাঢ়ি গ'ল। ছায়াৰ কোঠাৰ দৰ্জাখন ঠেলি দিয়াৰ লগে লগে ছায়া আৰু প্ৰকাশ দুয়ো উচপ খাই উঠিল। প্ৰকাশে ভয়াৰ্ত চাৱনিৰে কল্পনালৈ চাই ছায়াৰ বিছনাৰ পৰা উঠি কাপোৰযোৰ পিন্ধি ল'লে। ছায়াই বিচনা চাদৰখন বুকুলৈ টানি ল'লে। প্ৰকাশ খৰ খোজেৰে ঘৰটোৰ পৰা ওলাই গ'ল। কল্পনা তাতেই স্তব্ধ হৈ থাকিল। ধুমুহাজাক কোনফালেদি পাৰ হৈ গ'ল তাই গমেই নাপালে।❑



# অসমীয়া চলচ্চিত্ৰত এক ব্যতিক্ৰমী কাহিনীৰে নিৰ্মিত

## ভাস্কৰ হাজৰিকাৰ

# আমিষ




লভিতা দাস
বি.এড. দ্বিতীয় বৰ্ষ


লেখক-পৰিচালক ভাস্কৰ হাজৰিকাৰ দ্বিতীয়খন কথাছবি 'আমিষ'এ অসমৰ লগতে দেশ-বিদেশৰ চলচ্চিত্ৰপ্ৰেমী ৰাইজক সম্পূৰ্ণভাৱে এক নতুন কাহিনীৰ সোৱাদ দিবলৈ সক্ষম হৈছে। চিনেমাখনত এনেকুৱা এটা কাহিনী দেখুওৱা হৈছে যিটো মানুহৰ সাধাৰণ চিন্তাৰ পৰা বহু ওপৰত। আমি সাধাৰণভাৱে দেখি অহা প্ৰেমক আমিষে এক নতুন ৰূপত দৰ্শকৰ আগত উপস্থাপন কৰিছে।

চিনেমাখন আৰম্ভ হৈছে ৰাতিপুৱাৰ ব্যস্ততাপূৰ্ণ পৰিৱেশ এটাত, জয়ন্ত হাজৰিকাদেৱৰ 'মনৰ বাতৰিবোৰ ফুলৰ পাপৰি হৈ' শীৰ্ষক গীতটোৰ জৰিয়তে। আমিষৰ কেন্দ্ৰীয় পুৰুষ চৰিত্ৰ সুমন, যিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ মাংস ভক্ষণৰ বিভিন্ন ৰীতি-নীতিৰ ওপৰত গৱেষণা কৰি আছে আৰু কেন্দ্ৰীয় নাৰী চৰিত্ৰ নিৰ্মালী পেছাত চিকিৎসক। তেওঁৰ স্বামী দিলীপ কৰ্মসূত্ৰে বিভিন্ন ঠাইত থাকে আৰু পুত্ৰৰ সৈতে নিৰ্মালী গুৱাহাটীত থাকে। সুমন আৰু নিৰ্মালীৰ মাজত বয়সৰ যথেষ্ট পাৰ্থক্য থকা স্বত্বেও ভাল বন্ধুত্ব গঢ়ি উঠে। পৰিচালকে চিনেমাখনত মাংসক এক চৰিত্ৰ হিচাপে উপস্থাপন কৰাৰ চেষ্টা কৰিছে আৰু দেখা গৈছে যে একেবাৰে স্বাভাৱিক যেন লগা মাংসক কেন্দ্ৰ কৰিয়ে চিনেমাখনৰ কাহিনীয়ে গতি কৰিছে। সৰু সৰু পোক-পতংগ, চৰাই-চিৰিকতিৰ লগতে বিভিন্ন জন্তুৰ মাংসক সুমনে নিজা শৈলীৰে ৰান্ধি নিৰ্মালীক খুৱাবলৈ লয়। ঠিক এইখিনিতে মনত প্ৰশ্ন উদয় হয় যে সুমন আৰু নিৰ্মালীৰ লগত মাংসৰ সম্পৰ্ক কেনেধৰণৰ? চিনেমাখনত সুমন আৰু নিৰ্মালীৰ মাজত থকা বন্ধুত্বই মাংসৰ জৰিয়তে কিদৰে এক গভীৰ সম্পৰ্কলৈ ৰূপায়িত হয় তাক

দেখিবলৈ পাওঁ। যদিও নির্মালীৰ জীৱনত একোৰে অভাৱ নাছিল। তথাপি ক'ৰবাত তেওঁ যেন সম্পূৰ্ণ অকলশৰীয়া আছিল। স্বামী দিলীপ সমাজৰ প্ৰতি অতি দায়বদ্ধ আছিল আৰু আত্মপ্ৰতিষ্ঠাৰ চেষ্টাত তেওঁ নির্মালী বা ঘৰখনৰ কাৰণে সময় উলিয়াব পৰা নাছিল। সেয়ে জীৱনৰ অপূৰ্ণতা, অপ্ৰাপ্তি, অসন্তুষ্টি এই আটাইবোৰ নির্মালীয়ে সুমনৰ জৰিয়তে আঁতৰাই জীৱনটোক পূৰ্ণৰূপ দিব বিচাৰিছিল আৰু সুমনৰো নির্মালীৰ সান্নিধ্য লাভ কৰিবলৈ দুৰ্বাৰ আকাংক্ষা জাগি উঠিছিল। কিন্তু সামাজিক বান্ধোনৰ বাবে দুয়ো আগবাঢ়িব পৰা নাছিল। তেনে পৰিস্থিতি সেই প্ৰেমৰ অৰ্থ সম্পৰ্কে সুমনৰ মনত প্ৰশ্ন উত্থাপিত হোৱাত তেওঁ গুগলত 'Platonic Love'ৰ অৰ্থ বিচাৰিছিল। চিনেমাখনৰ এই অংংশটোৱে নিঃসন্দেহে দৰ্শকৰ মনত নানান প্ৰশ্নৰ অৱতাৰণা কৰিছিল। সুমনৰ মতে পৃথিৱীৰ সকলো বস্তুৱে খাব পাৰি। সেয়ে তেওঁ নির্মালীৰ অপূৰ্ণ ভোকটো আঁতৰাবলৈ নিজ দেহৰ মাংস ৰান্ধি খোৱাই নির্মালীৰ শৰীৰত প্ৰৱেশ কৰি এক আনন্দ লাভ কৰিছিল আৰু নির্মালীয়েও সেইখিনিত পৰম সন্তুষ্টি লাভ কৰিছিল। পৰিচালকে ইয়াত চৰিত্ৰ দুটাৰ মন-মগজু বা শৰীৰৰ ভোক আঁতৰাবৰ বাবে নৰমাংস ভক্ষণ কৰা দেখুৱাইছে তাতেই পৰিচালক ভাস্কৰ হাজৰিকাৰ চিন্তা ভাৱনা যে একক আৰু পৃথক সেয়া প্ৰতিফলিত হৈছে। দৈহিক স্পৰ্শ অবিহনেও যে প্ৰেম জীয়াই থাকিব পাৰে, তাক তেওঁ আমিষৰ মাজেৰে দেখুৱাইছে। ঠিক সেইদৰে মানুহৰ মনত গতি কৰি থকা কিছুমান বাসনা বা ভোক গুছাবলৈ মানুহে নিজৰ বিবেক শক্তি হেৰুৱাই কিমান চৰম পৰ্যায়লৈ গতি কৰিব পাৰে তাকো চিনেমাখনত দেখুওৱা হৈছে। লাহে লাহে নির্মালী 'Acute Addiction' বা মানুহৰ মাংসৰ প্ৰতি আসক্ত হৈ পৰিছে, আৰু সৰু সৰু টুকুৰাৰে তেওঁৰ ভোক নমৰা হৈছে সেয়ে দুয়ো চিকিৎসালয়ৰ মৰ্গৰ পৰা মৃতদেহ চুৰি কৰাৰ চেষ্টাও চলায় কিন্তু সফল নোহোৱাত সুমনে নির্মালীৰ সেই আসক্তি দূৰ কৰিবলৈ ৰিক্সাৱালা এজনক হত্যা কৰিছে। এইখিনিতে দুয়োটা চৰিত্ৰই নিজ বিচাৰ বিবেচনা আৰু নৈতিকতাক সম্পূৰ্ণভাৱে বিসৰ্জন দিছে আৰু ইয়াৰ পৰিণতি দুয়ো ভুগিবলগীয়া হৈছে আইনী ব্যৱস্থাৰ মাজেৰে।

অসমীয়া সমাজ-সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত সুমন-নির্মালীৰ প্ৰেম, শৰীৰ মাংস ৰান্ধি খুৱাই প্ৰেয়সীৰ ভোক নিবাৰণৰ চেষ্টা, মাংসৰ বাবে মৃতদেহ চুৰিৰ চেষ্টা, ৰিক্সাৱালাজনক হত্যা কৰা এই আটাইবোৰ দিশ অদ্ভুত আৰু অযুক্তিকৰ। ইয়াত পৰিচালক ভাস্কৰ হাজৰিকাই অধিবাস্তৱবাদী উপাদান চিনেমাখনত অন্তৰ্ভূক্ত কৰাৰ চেষ্টা কৰিছে বুলি ক'ব পাৰি। অৱচেতন মনত চলি থকা দ্বন্দ্বই যে মানুহৰ বিবেক শক্তি নোহোৱা কৰিব পাৰে সেয়া আমি চিনেমাখনত দেখা পাওঁ। পৰিচালকে নির্মালীৰ বান্ধৱী জুমিৰ চৰিত্ৰৰ জৰিয়তেও বিভিন্ন পৰিস্থিতিত মানুহে কিদৰে নীতি-বহিৰ্ভূত কাম কৰি পিছত অনুতাপ কৰিবলগীয়া হয় তাকো দেখুওৱাৰ চেষ্টা কৰিছে। গোটেই চিনেমাখনৰ কাহিনীটোক এক গভীৰ অৰ্থ প্ৰদান কৰিছে চিনেমাখনৰ শেষ অংশত দুয়োটা চৰিত্ৰকে গ্ৰেপ্তাৰ কৰাৰ পিছত দুয়ো দুয়োৰে হাতত ধৰা দৃশ্যটোৱে। এইখিনিতে ক'ব পাৰি যে পৰিচালকে মানুহৰ অৱচেতন মনৰ অৱস্থাক বুজাবলৈ কিছুমান দৃশ্যত গভীৰ অৰ্থযুক্ত প্ৰতীক কিছুমান ব্যৱহাৰ কৰি কাহিনীক অধিক অৰ্থবহ কৰি তুলিছে। চিনেমাখনত ব্যৱহৃত ভাষা, সংলাপ, চৰিত্ৰবোৰৰ নিখুত অভিনয়, সংগীত এই সকলোবোৰৰ মাজেৰে ভাস্কৰ হাজৰিকাই কাহিনীটোক সুন্দৰভাৱে উপস্থাপন কৰিছে। ইতিমধ্যে দেশ-বিদেশৰ বিভিন্ন চলচিত্ৰ মহোৎসৱত সমাদৃত হোৱা ছবিখনে মানুহৰ গতানুগতিক দৈহিক প্ৰেমৰ বাসনাক কলাসন্মতভাৱে নতুন ধৰণে প্ৰকাশ কৰি অসমীয়া চলচিচত্ৰ জগতত এক নতুন চিন্তাৰ সংযোজন ঘটাইছে বুলি ক'ব পাৰি।❑

# অপৰিহাৰ্য

**মৃদুপৱন শালৈ**
বি.এড. দ্বিতীয় বৰ্ষ



**ৰাতি বাৰ মান বাজিছে। ময়ুৰে ভাত খাই দহ মান** বজাতেই বিছনাত উঠিছে যদিও আগষ্ট মাহৰ গৰমৰ প্ৰকোপত তাৰ টোপনি অহা নাই। ঘৰত অহা আলহীৰ সংখ্যা দেখিও তাৰ কৌতূহল সৃষ্টি হৈছে। ৰাতিপুৱা স্কুল আছে তাৰ, কিন্তু টোপনি অহা নাই বুলি ক'লে মাকৰ গালি শুনিব বুলি চকু দুটা মুদাৰ ভাও জুৰি আছে। কিবা কিবি এটা দুটা নতুন শব্দ বায়'প্সি, চেকেণ্ড ষ্টেজ, টিউমাৰ আদিয়ে তাৰ মনৰ কৌতূহলৰ সাগৰখন জাগ্ৰত কৰি তুলিছে। যিজনী আইতাকৰ লগত সি সকলো সময়তে গাতে গা লগাই থাকে তেওঁ আজি জঠৰ হৈ পৰিছে, ঘৰখনত আজি কন্দা-কটা, হুলস্থূলীয়া পৰিৱেশ।

ইমান দিনৰ দুখ, কষ্ট, যাতনা সহ্য কৰিও একমাত্ৰ ল'ৰা-ছোৱালী কেইটাৰ সুখৰ বাবেই যেন মিনতীয়ে বহু কষ্ট সহ্য কৰিও জীয়াই আছিল। বিয়া হোৱাৰ পিছত ঘৰখন চম্ভালি থকা তিৰোতাজনীয়ে যেতিয়া বিয়া হোৱাৰ পৰা চৈধ্যটা বছৰ পাৰ হোৱাৰ পিছত চাকৰিটোত সোমাইছিল, সমাজখনে বিশেষকৈ তিৰোতাখিনিয়ে সেয়া যেন

সহজভাৱে লোৱা নাছিল, কিন্তু সমাজৰ লাঞ্ছনাক তুচ্ছ জ্ঞান কৰি তাই একমাত্র পেটৰ স্বাৰ্থত, ল'ৰা-ছোৱালী কেইটাৰ ভৱিষ্যতৰ কথা ভাবি সকলো সহ্য কৰিও চাকৰিটো কৰিবলৈ গৈছিল। কাৰণ তাইৰ বাবে যেন একো বিকল্পই নাছিল জীৱনৰ এই যুঁজখনত।

ময়ুৰ তেতিয়া বিছনাত, দেউতাক আহি তাৰ ওচৰৰ বিছনাখন পাৰি ল'লে। সি সোনকালে শুৱ কাৰণে মাকে সি আৰু মাক থকা ডাঙৰ বিছনাখন আগতীয়াকৈ পাৰি থৈ দিয়ে। দেউতাক থাকে ওচৰতে থকা সৰু বিছনাখনত। দেউতাকে (ৰমেন) সাধাৰণতে নিজৰ বিছনাখন নিজেই পাৰে ঘৈণীয়েকৰ কামত অলপ সকাহ হওঁক বুলি। সৰুৰে পৰাই মাকে (মিনতি) নিজৰ কামসমূহ কৰিবলৈ আৰু বেলেগৰ ওপৰত নিৰ্ভৰশীল নোহোৱাৰ জ্ঞানখিনি দিছিল বাবেই হয়তো ৰমেনে কামৰ ক্ষেত্ৰত বেলেগত খাটিব অলপ কমকৈয়েই কৰে।

ময়ুৰৰ মাকে (কৰবী) ঘৰৰ কামবোৰ সামৰি সিহঁত শোৱা কোঠালিৰ ভিতৰত সোমাই আহিল। ৰুমটো অলপ চিজিল লগাই কাপোৰযোৰ সলাই মূৰটো ফণিয়াই লৈ বিচনাত উঠিলে। ময়ুৰে মাক অহা দেখি বাগৰ সলাই টোপনি যোৱাৰ ভাও জুৰিলে।

ৰমেনে নৰম মাতেৰে কৰবীক ক'লে, "কি কৰা যায় ভগৱানেও দুখ দিয়া মানুহকহে দুখ দিয়ে।" যেন আৰু বহু কথাই ক'ব বিচাৰিছে কিন্তু মুখখনত যেন সেই শক্তিখিনিৰ অভাৱ।

যদিও কৰবী আৰু ৰমেনৰ বিয়া হ'বৰ প্ৰায় আঠ-ন বছৰ হ'ল তথাপিও এটাই আনটোৰ অতীত বা তেওঁলোকৰ নিজস্ব কথা কিছুমানত সোমোৱা নাছিল। হঠাৎ ৰমেনে আৱেগিক হৈ কান্দি পেলালে। গিৰিয়েকৰ কান্দোনৰ শব্দত কৰবীয়ে কৈ পেলালে— "আপুনি ইমান অধৈৰ্য্য হ'লে নহ'ব, ধৈৰ্য্য ধৰক ভগৱানে আমাৰ পৰীক্ষা চাইছে। আপোনাৰ ওপৰতেই গোটেই ঘৰখন বৰ্তি আছে।

তাৰ বাৰ বছৰ মান হওঁতেই দেউতাক নিৰুদ্দেশ হৈছিল। বহুত বিচাৰ-খোচাৰ কৰিও সিহঁতে দেউতাকক বিচাৰি নাপালে। পুলিচ, ওজা, জ্যোতিষি আৰু ক'ত কাৰ কাৰ যে সহায় লোৱা নাছিল সিহঁতে দেউতাকক বিচাৰিবলৈ। নাই! আশা সকলোৱে দিয়ে বিচাৰি উলিয়াব বুলি, কিন্তু শেষত সকলো যেন ধোঁৱাচাঙত পৰিণত হয়। দেউতাকক হেৰুৱা দুখ মাৰ নাযাওঁতেই যেন আকৌ এজাক ধুমুহা ঘৰখনলৈ নামি আহিল। জটিল ৰোগত আক্ৰান্ত হৈ ৰমেনৰ ওপৰৰ বায়েকজনী ঢুকাই থাকিল। টকাৰ অভাৱত উপযুক্ত চিকিৎসা কৰিব নোৱাৰা বাবেই মাকে যেন নিজকে দোষী বুলি অনুভৱ কৰিলে। দেউতাকে ইমান দিন আৱৰি ৰখা ঘৰখন চুৰমাৰ হ'বলৈ লৈছিল।

ৰমেনে চিন্তা কৰি থকা দেখি কৰবীয়ে মাত লগালে, "অলপ শুৱলৈ চেষ্টা কৰক, ভাল পাব।"

কথাষাৰ শুনি ৰমেনে ক'বলৈ ল'লে- মাৰ বেমাৰটো অন্তিম পৰ্যায়ত ধৰা পৰিছে। এতিয়া মানুহজনীৰ কেতিয়া কি হয় একো ক'ব নোৱাৰি। বয়সেইনো কিমান হৈছিল। ষাঠি বছৰেই পাৰ হোৱা নাই, তথাপিও মই দিব লগা সুখখিনি যেন মাক দিবই নোৱাৰিলো। এইবোৰ বোলে কৰ্মফল। মানুহ এজন দুজনে কথা উলিয়াইছে চতুৰ্থ বৰ্গৰ চাকৰিতো লওঁতেই বোলে পৰাগ ছাৰৰ...।

এনেতে কৰবীয়ে মাত লগালে, "সমালোচনা কৰা সকলে আপোনাৰ ভালটো কৰিব বেয়াটো কৰিব কিন্তু কিছুমান কথা বাদ দি চলিব লাগিব। আপুনি অলপ চকুটো মুদক, আৰাম পাব।"

ৰমেনে চকুটো মুদিবলৈ চেষ্টা কৰিলে। কৰবীয়ে ময়ুৰৰ ফালে চালে সি তেতিয়া গভীৰ নিদ্ৰাত। ৰমেনে চকুটো মুদিছে যদিও তাৰ টোপনি অহা নাই, চটফটাই আছে। তাৰ যেন কৰবীৰ আগত হিয়াত লৈ দুখ-বেদনাবোৰ উজাৰিবলৈ মন গৈছে। সি অস্থিৰ হৈ চিল্‌মিল্‌কৈ টোপনি অহা কৰবীক আকৌ মাত লগালে।

"এৰা! মনতো কিবা এটা ভাল লাগি থকা নাই। আমি জানো আমাৰ ঘৰৰ কথা। দেউতা নোহোৱা হোৱাৰ পিছত কোনোৱে আমাক সহায় কৰিব অহা নাছিল। সৰু বাইদেউৰ মৃত্যুৰ পিছত মা আৰু ডাঙৰ বাইদেউৰ অৱস্থা কেনেকুৱা হৈছিল কেৱল আমিহে জানো। কোনো নাছিল আমাৰ সহায়ৰ বাবে। আনকি মদাহী খুড়াজনে আহি আমাক ঘৰৰ পৰা উলিয়াই পঠিয়াইছ; দেউতা নাই কাৰণে আমাৰ বোলে একো অধিকাৰেই নাই ঘৰখনত। ঘৰৰ অৱস্থা দেখি ডাঙৰ বাইদেউৱে পঢ়া-শুনা আধাতে সামৰিলে, সুবিধা পাই ষোল্ল বছৰ নহওঁতেই বিয়াখন পাতি দিলে। কিন্তু তাইৰো একে ভিনদেউৰ মদ খাই আহি কৰা অত্যাচাৰ। তাইক দেখিলে মোৰ এতিয়াও দুখ লাগে। ভাগ্যে বাপনে কোম্পানীটোত সোমোৱা বাবে অলপ ঘৰখনৰ অৱস্থা ভালৰ ফালে আহিবলৈ লৈছে।

কৰবীয়ে নীৰৱে কথাবোৰ শুনি গৈছে। ডাঙৰ বায়েকজনীৰ বিয়াৰ পিছত মাকে ভাগ্যে ফৰেষ্ট অফিচ এটাত চতুৰ্থ বৰ্গৰ চাকৰিটোত সোমালে। কিবাকে যেন ঘৰখনৰ অলপ গতি লাগিব। তাতেও মানুহৰ কথা— কেনেকৈনো চাকৰিত সোমাল, গধূলি সাত-আঠ বজালৈ অফিচত কি কৰি থাকে, ৰাতিপুৱা সাত বজাতেই দেখোন ঘৰৰ পৰা ওলাই যায়। চতুৰ্থ বৰ্গৰ কৰ্মচাৰী এজনৰ কাম কেৱল তেওঁলোকেহে বুজি পায়। সময়ৰ লগে লগে মাকৰ শৰীৰত যেন চিন্তা আৰু কষ্টৰ চাপবোৰ দেখা দিবলৈ ল'লে। মাকো অসুস্থ হৈ আহিল। চাকৰিৰ সেই অলপ টকাৰে চাৰিজনীয়া পৰিয়ালটো কেনেকৈ চলিব সেয়া চিন্তা কৰিয়েই ৰমেনে হায়াৰ চেকেণ্ডাৰী পঢ়ি থাকোতেই এটা দুটাকৈ টিউচনো কৰা আৰম্ভ কৰিলে। সেই সময়তেই ৰমেনৰ তলত ভনীয়েকজনীৰ কাৰণে ভাল দৰা এজন আহিছিল যদিও বিয়াৰ সম্পূৰ্ণ প্ৰস্তুতি হোৱাৰ পিছতো বিয়াখন ভঙালে। এই ঘটনাই ৰমেনক জীৱনৰ এক ডাঙৰ উপলব্ধিৰ সন্মুখীন কৰালে। তেতিয়াৰ পৰাই সি যেন অলপ সলনি হ'বলৈ ল'লে।

ৰমেনৰ কথাবোৰ শুনি কৰবীয়ে ভাবিলে— কি অলৌকিক এই জীৱন, কেতিয়াবা ভাল লাগে সূৰ্যৰ পোহৰ কেতিয়াবা ভাল লাগে চিক্‌মিক্ পোহৰ এটাইও অশান্তিৰ সৃষ্টি কৰে। জীৱনৰ এই বাস্তৱ যুঁজখন যেন বহু জটিল। অশান্ত মনক সান্ত্বনা দিবলৈ যেন কেতিয়াবা দুটামান ধ্বনি আৰু মৰম-আবেগৰো প্ৰয়োজন হৈ পৰে। জীৱনৰ যুঁজখনত যেন মানুহজনে অতদিনে নিজৰ লগতেই যুঁজি আছে আমাৰ শান্তি দিবলৈ। মাকৰ প্ৰতি কিমান ভালপোৱা আছে এই হৃদয়ত যাৰ বাবে হয়তো আজি সি কুণ্ঠাবোধ নকৰাকৈ সকলো কথা তাইৰ আগত কৈছে। চিল্‌মিল্ টোপনিজাকেও তেওঁক অশান্ত কৰি তুলিছে। কেতিয়াবা ওপৰৰ পৰা চাই থকাজনক গালিও পাৰে শান্তিৰ ভিক্ষা খুজি। ঘাট-প্ৰতিঘাতেই যেন তাক আজি এজন সফল ব্যৱসায়ী কৰি তুলিছে। ঘৰখনৰো অৱস্থা উন্নত কৰি তুলিছে। ভনীয়েকহঁতকো উচিত প্ৰাৰ্থীৰ লগতেই বিয়া দিছে। মনৰ ভিতৰত যে কত দুখ লৈও তেওঁ জীৱনৰ যুদ্ধখন কৰিয়েই আছে। তাই যেন এতিয়াৰ পৰা ৰমেনৰ প্ৰেৰণাৰ আৰু শক্তি হ'ব লাগিব।

সেয়েহে কৰবীয়ে লাহেকৈ মাত লগালে এয়াই জীৱন। সুখ-দুখৰ সমাহাৰ আপুনি জানোচা অলপ বেছিকৈ দুখ পাইছে। কিন্তু আমি যুঁজিম আৰু জয়ী হ'ম। এনেকৈ কৈ তাই ৰমেনৰ চুলিখিনি অলপ টানি দিব বুলি তাই নিজৰ বিছনাৰ পৰা উঠি গৈ তাৰ বিছনাখনত বহি ল'লে। কেনেবাকে অলপ সময় পিছত তাৰ টোপনি আহিল।❑

# ভাৰতীয় শিল্পকলাত
# অজন্তা আৰু ইলোৰা
# গুহাৰ ভূমিকা

**জেচমিনা ইয়াচমিন**
বি.এড., দ্বিতীয় বৰ্ষ

ভাৰতীয় শিল্প কলা বুলিলে আমাৰ মনলৈ পোনপ্ৰথমে অজন্তা আৰু ইলোৰা গুহা মনলৈ আহে। অজন্তা গুহালানি ১৮১৯ চনত মহাৰাষ্ট্ৰৰ ঔৰংগবাদ জিলাৰ অজন্তা নামৰ ঠাইত অৱস্থিত হয়। সাধাৰণতে অজন্তা গুহাৰ শিল্পকলা বুলিলে এই গুহাৰ দেৱালত অংকিত চিত্ৰসমূহ বুজায়। উল্লেখযোগ্য যে খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ পৰা সপ্তম শতিকালৈ প্ৰায় সাতশ বছৰৰ ভিতৰত ইয়াৰ চিত্ৰ সমূহ অংকন কৰা হৈছিল। অজন্তাৰ গুহালানি বিশাল শিলাখণ্ডৰ উনত্ৰিশটা কৃত্ৰিম গুহা সুন্দৰ কুঠৰিৰ দৰে আছিল আৰু ইয়াৰে প্ৰায় যোল্লটা গুহাৰ আচৰিত চিত্ৰ দেখা পোৱা যায়। অজন্তা গুহাৰ চিত্ৰসমূহৰ প্ৰায়খিনি বুদ্ধদেৱৰ কাহিনীক লৈ অংকন কৰা। অজন্তাৰ প্ৰাচীৰৰ চিত্ৰসমূহ আছিল অতি উচ্চস্তৰৰ। চিত্ৰবোৰৰ সাৱলীল বলিষ্ঠ ৰেখা, সুনিপুন, ৰচনা কৌশল মানৱদেহ বা প্ৰতিকৃতি অংকনৰ ক্ষেত্ৰত দৈহিক পৰিমাপ আৰু দেহৰ ভাঁজ আদিত ফুটি উঠা দক্ষতা অপূৰ্ব ৰূপ আৰু প্ৰকাশভংগীৰ লালিত্য আৰু আধ্যাত্মিক ভাৱ প্ৰধান চিত্ৰশৈলীয়ে ভাৰতীয় চিত্ৰকলাক





বুৰঞ্জীত এক নতুন দিগন্তৰ উন্মোচন কৰিছে। অজন্তা গুহাৰ চিত্রসমূহ ভাৰতীয় টেম্পৰা পদ্ধতি আৰু ফ্রেস্কো পদ্ধতিত অংকন কৰা হৈছিল। অজন্তা গুহাৰ কেইখনমান বিখ্যাত চিত্র হৈছে- বুদ্ধৰ প্রলভন বোধসত্ব পদ্মাপাণি, কৃষ্ণা ৰাজকুমাৰী ইত্যাদি। অজন্তা গুহাৰ চিত্রৰ মাজত বুদ্ধদেৱৰ জীৱন আৰু দর্শন সম্পৰ্কীয় চিত্র থাকিলেও কিছুমান ছবিত প্রধান কাৰুকার্য্য, আল্পনা অংকনৰ সুন্দৰ কলা কৌশল দেখা যায়।

আনহাতে অজন্তা গুহাৰ শিল্পৰ দৰে ইলোৰা গুহা হৈছে অপূর্ব শিল্পকলাৰ উদাহৰণ। অজন্তা যদি চিত্র কলাৰ বাবে বিখ্যাত তেন্তে ইলোৰা হৈছে ভাস্কর্য আৰু স্থাপত্য কলাৰ বাবে বিখ্যাত। ইলোৰাৰ গুহালানি পঞ্চম শতিকাৰ পৰা দশম শতিকালৈ নির্মাণ হোৱা। আৰু ইয়াৰ শিল্পকলাসমূহ মহাৰাষ্ট্ৰৰ ৰাষ্ট্ৰকূট বংশৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত নির্মিত হৈছিল। প্রাচীন কালৰ পৰাই 'ভেৰুল' (স্থানীয় ভাষাত) নামৰ ঠাইত ইলোৰাৰ গুহালানি পৱিত্র পীঠৰূপে পৰিচিত আছিল। মহাৰাষ্ট্ৰৰ ঔৰংগবাদ চহৰৰ প্রায় ত্রিশ কিলোমিটাৰ দূৰত্বত চৰনান্দ্রী পাহাৰৰ বুকুত শিলেৰে নির্মিত গুহালানি অৱস্থিত। বিশাল শিলাখণ্ডক খোদিত কৰি এই ঠাইখিনিত প্রায় চৌত্রিশটা গুহা নির্মাণ কৰা হৈছিল। প্রাচীন কালৰ উল্লেখযোগ্য যে বৌদ্ধ বাৰটা, জৈন পাঁচটা আৰু হিন্দু সোতৰটা এটা তিনিটা ধর্মৰে মন্দিৰৰ উপাসনা গৃহৰ এক অভিনৱ সমষ্টি হৈছে ইলোৰা গুহা। হিন্দু ধর্মৰ গুহাসমূহৰ ভিতৰত কৈলাশ নাথ মন্দিৰৰ গুহাটোক ইলোৰা বুলিব পাৰি ইয়াৰ স্থাপত্য আৰু ভাস্কর্য্যৰ বাবে। ইয়াৰ উপৰিও হিন্দু ধর্মৰ গুণ সমূহ হৈছে- দশাৱতাৰ গুহা (বিষ্ণুৰ দহটা অৱতাৰ খোদিত) গংগা আৰু যমুনাৰ মূর্তি থকা গুহা, ৰাৱনকী খাই, ৰাম গুহা, নীলকণ্ঠ ইত্যাদি।

আনহাতে বৌদ্ধ ধর্মৰ গুহালানি বৌদ্ধ ধৰ্মীয় জীৱন প্রণালীৰে সজ্জিত লগতে কিছুমান কুঠৰী বুদ্ধদেৱ, বোধিসত্বা আৰু বুদ্ধ মূর্তিৰে সজ্জিত। বুদ্ধ গুহালানিৰ সবাতোকৈ বিখ্যাত গুহা হৈছে চন্দ্রমালা বা বিশ্বকর্মা গুহা।

জৈন ধর্মৰ গুহাসমূহত জৈন ধর্মৰ দর্শন আৰু পৰম্পৰা ফুটাই তোলা হৈছে আৰু ইয়াৰ কলাকৃতি সুৰুচি পূর্ণ, সক্ষন, কাৰুকার্য, খাচিত আৰু পুংখানুপুংখ বিৱৰণেৰে ভৰা, ইন্দ্ৰসভা, জগন্নাথ সভা, অম্বিকা নামৰ বক্ষ মূর্তিৰ ইত্যাদি এই গুহালানিৰ উল্লেখযোগ্য স্থাপত্য আৰু ভাস্কর্য্য।

শেষত ক'ব পাৰো ভাৰতীয় শিল্পকলাক (চিত্র, স্থাপত্য, ভাস্কর্য্য) অজন্তা আৰু ইলোৰা গুহাই বিশ্ব দৰবাৰত দাঙি ধৰিছে।❑

# অচিন চিনাকী

হিয়াশ্ৰী দাস
বি.এড., দ্বিতীয় বৰ্ষ

কি বাৰ আছিল সিদিনা মনত নাই, ফাগুন মাহৰ কোনোবা এটি দিন আছিল। ভাতকেইটা নাকে-কাণে গুজি মোৰ পুৰণি লেডিবাৰ্ডখনৰ পেডেল মাৰিছো, যেনেতেনে ন বজাৰ বাছখন পাবগৈ লাগে। ঘৰৰ পৰা ডেৰ কিঃমিঃ আঁতৰত চ'কটো। চাইকেলখন দোকান এখনৰ পিছফালে তলা লগাই থৈ চ'কৰ বৰগছজোপাৰ তলৰ বেঞ্চখনত বহি পৰিলো। বাঁহেৰে ধুনীয়াকৈ সজাই থোৱা বেঞ্চখনত বহি গাড়ীলৈ বাট চাবলৈ মই বৰ ভালপাওঁ। ককা আইতাৰ দিনৰে বৰগছজোপাই সৰু চ'কটোৰ প্ৰায়খিনি অংশই আৱৰি ৰাখিছে। সৰু ডাঙৰ দুখনমান দোকানেৰে চকুত লগা হৈ উঠিছে চ'কটো। দীঘল হৰ্ণ বজাই ন বজাৰ বাছখন আহি বৰগছ জোপাৰ তলতে ৰ'ল। লগে লগে বাছত উঠিবলৈ মানুহবোৰৰ হেতা ওপৰা লাগিল, যেন প্ৰতিযোগিতাতহে নামি পৰিল সকলো কোনে প্ৰথমে উঠিব পাৰে। ময়ো তেনেদৰে উঠি গ'লো। ওচৰৰ চিট এটাত ধৰি এবাৰ চকু ফুৰালো চাৰিওফালে, উফ্ আজিও খালী চিট এটি নাই। মনটো বিৰক্তিৰে ভৰি পৰিল।



ত্ৰিশ কিলোমিটাৰ দূৰৈত অৱস্থিত কলেজখনলৈ

অহা-যোৱা সদায় এনেদৰেই হয়। গাৰৰ একাবেঁকা বাটেৰে ধূলি উৰুৱাই বাছখন চলিব ধৰিছে, খিৰিকীৰে শুকান বতাহ এচাটি সোমাই আহিল। ভাল লগা ধূলিৰ গোন্ধ এটাই নাকত চুই গ'ল। হালিজালি বাছখন আগুৱাই গৈ আছে, ঠায়ে ঠায়ে ৰৈ যাত্ৰী উঠা-নমা কৰিছে। আনদিনাৰ দৰেই থিয় হৈ একান্ত মনেৰে খিৰিকীৰে বাহিৰলৈ চাই আছো মই। বতাহত উৰি থকা মোৰ চুলিকোচাই মাজে মাজে নাকে মুখে পৰি জোকাই গৈছে। চকুৰ ওচৰত আহি কোবাই যোৱা চুলিখিনি কাণৰ পিছলৈ ঠেলি দিব নোৱাৰাকৈ মোৰ দুয়োখন হাতেই বন্দী। যোৱাকালি ৰাতি দুই বজালৈ আঁকি শেষ কৰা মোৰ জীৱ বিজ্ঞানৰ প্ৰেক্টিকেলৰ বহি ভাজ এখন হাতত লৈ আৰু এখন হাতেৰে গাড়ীৰ চিট এটিত ধৰি পৰি নোযোৱাকৈ থিয় হৈ আছোঁ। কোনোবা এটি ষ্ট'পেজত বাছখন ৰ'ল। মই ধৰি থিয় হৈ থকা চিটটোৰ বয়সীয়াল মানুহজন নামি গ'ল। ময়ো বহিবলৈ পাই যেন উশাহ্ অকন পালো।

আনদিনাৰ দৰেই মোবাইলত জুবিন দাৰ গীত এটি লগাই এয়াৰফোন ডাল কাণৰ ওচৰ নাপাওঁতেই ওচৰত বহা ল'ৰাজনে মাত লগালে।

ঃ স্কুললৈ যাবা?

অকণমান ঘূৰি তেওঁলৈ চালো। চকুত কলা চানগ্লাচ লগোৱা ল'ৰাজনে মোৰ ফালেই চাই আছে। এনেয়ে গাড়ীত আহিলে মই অচিনাকি কোনোবাই মাত লগালে মাত দিবলৈ টান পাওঁ কিন্তু তেওঁক বেচ ভদ্ৰ যেনেই লাগিল। তেওঁক সামান্য হাঁহি থকা যেন দেখিলোঁ।

ঃ স্কুললৈ নহয়, ক'লেজলৈ যাম।

ঃ অহ্, তুমি তাৰমানে কলেজত পঢ়া। তুমি যেতিয়া থিয় হৈ আছিলা মই স্কুল যাবা বুলিয়ে ভাবিছিলোঁ। সৰু যেন লাগিল তোমাক।— তেওঁ ক'লে।

অইন দিনা হ'লে পেটে পেটে খঙেই উঠিল হয়। ইমানেই সৰু দেখি নে মোক! কিন্তু আজি কিয়বা খঙৰ বিপৰীতে হাঁহি এটি বাগৰি গ'ল ওঁঠেৰে। তেওঁ আকৌ কথা ক'বলৈ আৰম্ভ কৰিলে। তেওঁ কিবা কিবি সুধি আছে মই মাত্ৰ উত্তৰ দি গৈছোঁ। কি পঢ়ি আছো, ঘৰত কোন কোন আছেৰ পৰা আদি কৰি মোৰ হবিলৈকে। তেঁৱো ভালপায় উপন্যাস, কবিতা লগতে জুবিনদাৰ গান। কথাবোৰ যেন মিলি গৈছে। কটনিয়ান তেওঁ। প্ৰাণীবিজ্ঞানত স্নাতক কৰি আছে। ঢেৰ কথা পাতিলো আমি। ক'লেজৰ পৰা আদি কৰি ক্লাচ, প্ৰেক্টিকেল, কেন্টিনৰ আড্ডা সকলোবোৰ কথা। অচিনাকি মানুহ এজন যেন আপোন হৈ পৰিল। এক ঘন্টাৰ বাটত যেন নহয় বছৰ ধৰি চিনি পোৱা কোনো বন্ধু তেনে লাগিল। ক'লেজ পালোঁ। নামিবৰ হ'ল। তেওঁক হাঁহি এটি উপহাৰ দি বাছৰ পৰা নামি আহিলোঁ। কলেজৰ গেট পায়েই ফোনটো হাতত লৈ ফেচবুকটো অন কৰিলো। চাৰ্চ অপচনটো উলিয়াই ৰৈ গ'লো। আবে তেওঁৰ নামটো কি আছিল!

উফ্! কথাৰ মাজত তেওঁৰ নামটো সুধিবলৈকে পাহৰি থাকিলোঁ।❑

# সমাজৰ উত্তৰণত যুৱ-প্ৰজন্মৰ ভূমিকা



**ৰিম্পি গোস্বামী**
বি.এড., প্ৰথম বৰ্ষ

স্বামী বিৱেকানন্দই কৈছিল-

"Youth is the foundation of a country and they are a great asset to any nation as they are full of energy, enthusiasm and innovative ideas."

যুৱ প্ৰজন্ম হৈছে এখন দেশৰ চালিকা শক্তি, যি শক্তিৰ দ্বাৰা জাতি এটাৰ ভেঁটি সবল কৰাৰ লগতে এটা সুস্থ সামাজিক বাতাবৰণ সৃষ্টি কৰিব পাৰি। যুৱ-প্ৰজন্ম এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। যুৱচামৰ অদম্য শক্তি, সাহস আৰু কৰ্মদক্ষতাৰ দ্বাৰা অদূৰ ভৱিষ্যতে এখন সুস্থ, সবল সমাজ আশা কৰিব পৰা যায়। মানুহ হৈছে সামাজিক প্ৰাণী। সমাজক লৈয়ে মানৱ জীৱন বৰ্তি আছে আৰু এই মানৱেই সমাজৰ সৃষ্টি কৰিছে। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে সময়ৰ সৈতে পাৰিলে সমগ্ৰ মানৱ জাতিৰ বাবে ই এক আশীৰ্বাদস্বৰূপ হৈ পৰিব।

বৰ্তমান যুগৰ সমাজখন নানা সমস্যাৰে ভাৰাক্ৰান্ত। সম্প্ৰতি ঘটি থকা অনৈতিক কাৰ্যকলাপ সমূহ ইয়াৰ এক জ্বলন্ত প্ৰমাণ। সম্প্ৰতি সমাজখন ভালদৰে পৰ্যবেক্ষণ কৰিলে দেখা যায় উচ্ছৃংখল যুৱ মানসিকতা আৰু মানসিক ভাৰসাম্যহীনতা। যুৱচামৰ উচ্ছৃংখলতা, নৈতিক স্খলনে সমাজখনক অন্ধকাৰৰ গৰাহলৈ ঠেলি দিয়া পৰিলক্ষিত হৈছে। স্কুল-কলেজৰ এচাম ছাত্ৰৰ মাজত গুটখা জাতীয় দ্ৰব্যৰ ব্যৱহাৰ। যুৱ চামৰ মাজত অনৈতিক কাৰ্যকলাপৰ প্ৰতি বাঢ়িঅহা আসক্তি, হত্যা, ধৰ্ষণ, লুণ্ঠন, পিতৃ-মাতৃ তথা শিক্ষাগুৰুৰ প্ৰতি অসন্মান ইত্যাদি সাম্প্ৰতিক সময়ত এক স্পৰ্শকাতৰ বিষয় হৈ পৰিছে। এচাম যুৱ প্ৰজন্মই ৰাগিয়াল দ্ৰব্য সেৱন কৰি মানসিকভাৱে বিকৃত হৈ পৰিছে। সমাজখন যে ধ্বংসৰ পথ ধাৱিত হৈছে সেয়া দাঙি ধৰিবলৈ হয়তো ইয়াতকৈ ডাঙৰ প্ৰমাণ আমাক আৰু নালাগে। উচ্ছৃংখল তথা অধগামী মানসিকতাৰ গ্ৰাসত পৰি যুৱ সমাজে পাহৰি গৈছে মানৱীয় মূল্যবোধ। আনকি এচাম যুৱ প্ৰজন্মই সস্তীয়া উপায়েৰে ধন ঘটাৰ

প্ৰতি আগ্ৰহী হোৱা দেখা যায়। এইবিলাকে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে। বহু যুৱকে শিক্ষা সমাপ্ত কৰি কৰ্মসংস্থাপন নাপাই সন্ত্ৰাসবাদী, উগ্ৰপন্থীৰ দৰে পথ বাচি লৈছে। ফলস্বৰূপে সমাজ ব্যৱস্থাত সমাজ ব্যৱস্থাত হিংসা, সন্ত্ৰাস আদিৰ দৰে জুই জ্বলি উঠে।

যুৱ চামৰ নৈতিক স্খলন বৰ্তমান যুগৰ এক চৰ্চিত বিষয়। ইয়াৰ বাবে আমি পোনচাতেই যুৱ শক্তিক দোষাৰোপ কৰো। কিন্তু এয়া কিমান যুক্তিসংগত? সঁচাকৈ জানো যুৱ প্ৰজন্ম জগৰীয়া? যুৱ প্ৰজন্মৰ মাজত কিহৰ অভাৱ ঘটিছে যাৰ বাবে তেওঁলোকে অনৈতিক কাৰ্যত লিপ্ত হ'ব লগা হৈছে? নে আধুনিকতাৰ গ্ৰাসত পৰি নৱ-প্ৰজন্ম বেয়াৰ ফালে ঢাল খাইছে- ইত্যাদি বিভিন্ন প্ৰশ্নই সচেতন মহলৰ মন মগজুত ক্ৰিয়া কৰে।

যুৱ প্ৰজন্মৰ নৈতিক স্খলনৰ বাবে অকল তেওঁলোকে যে জগৰীয়া এনে নহয়, ইয়াৰ নেপথ্যত আছে বহু জন সমাজৰ পথ প্ৰদৰ্শক। নৱ-প্ৰজন্মৰ আদৰ্শ হ'ব পৰাকৈ আমি কি কৰিছো। ধনৰ বিনিময়ত যোগ্যজনক অগ্ৰাধিকাৰ নিদি আমি যুৱ প্ৰজন্মক কি পথ দেখুৱাইছো। ধনৰ বিনিময়ত এক শ্ৰেণীৰ মানুহে সমাজত শিক্ষা বিক্ৰী কৰা দেখিবলৈ পোৱা যায়। মেধা শক্তিক বঞ্চিত কৰি ধনৰ চাকৰি কিনা-বেচা বৰ্তমান সমাজত তেনেই সহজতে দেখা যায়। এনেধৰণৰ ঘটনাই যুৱ-প্ৰজন্মৰ মন-মগজুত কেনেকুৱা প্ৰভাৱ পেলাব সেয়া জানো এবাৰ আমি ভাবি চাইছো। সমাজৰ এক শ্ৰেণীৰ ক্ষমতাশালী লালসী ব্যক্তিৰ বাবে উঠি অহা প্ৰজন্মই হীনমন্যতাত ভুগিবলগা হয়। দুৰ্নীতি এক মাৰাত্মক সামাজিক ব্যাধি। এই ৰোগ নিৰাময়ৰ বাবে আমি সকলোৱে সক্ষম হ'ব লাগিব। যুৱ-প্ৰজন্মক অপৰাধমুখী মানসিকতাৰ পৰা আনি সৎ পথত পৰিচালিত কৰিবলৈ হ'লে প্ৰথমতে সমাজৰ ক্ষমতাশালী ব্যক্তিসকলে ব্যক্তিগত স্বাৰ্থক অগ্ৰাধিকাৰ নিদি সমাজ কল্যানমূলক কামত মনোনিবেশ কৰিব লাগিব।

যুৱ-প্ৰজন্ম ভৱিষ্যত দেশৰ নাগৰিক। যুৱ প্ৰজন্মই কৰ্মমুখী দৃষ্টিভংগীৰে সমাজৰ উত্তৰণত পৰিৱৰ্তনৰ জোৱাৰ আনিব পাৰে। অন্ধকাৰৰ ধোঁৱাই ছানি ধৰা সমাজখনক ৰক্ষা কৰাৰ দায়িত্ব যুৱ-প্ৰজন্মৰ। কাৰণ তেওঁলোকৰ হাততে দেশৰ ভৱিষ্যত। জাতি এটাৰ সুনাম দেশৰ ভৱিষ্যত নৱ-প্ৰজন্মৰ হাতত নিৰ্ভৰশীল। যুৱ প্ৰজন্মই সাহসেৰে কঠোৰ বাস্তৱৰ মুখামুখি হৈ নিজৰ কৰ্মত অগ্ৰসৰ হ'ব লাগে। কৰ্মই তেওঁলোকৰ জীৱনৰ মূলমন্ত্ৰ হোৱা উচিত। চৰকাৰী চাকৰিৰ আশাত বহি নাথাকি নিজৰ লগতে আন দহজনকো কিদৰে স্বাৱলম্বী কৰি এখন স্বনিৰ্ভৰশীল সমাজ প্ৰতিষ্ঠা কৰিব পাৰে তাৰ গুৰুত্ব দিব লাগে। কঠোৰ পৰিশ্ৰমে ব্যক্তি এজনক উন্নতিৰ জখলাত আগবঢ়াই নিয়ে এই কথা তেওঁলোকে উপলব্ধি কৰা উচিত। জীৱন এক সংগ্ৰাম। জীৱন যুদ্ধত জয়ী হ'বলৈ কৰ্ম কৰিবই লাগিব। সৎ চিন্তা সৃজনীশীল মনেৰে নিজৰ কৰ্ম কৰি যুৱ চাম আগুৱাই যাবই লাগিব। প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ, হিংসা, ভেদা-ভেদ আদিৰ অৱসান ঘটাই সমাজক একতাৰ এনাজৰীৰে বান্ধি যুৱ-প্ৰজন্মই জাতীয় ঐক্যআৰু সংহতি ৰক্ষা কৰি আদৰ্শৱান জাতি, সমাজ সৃষ্টি কৰিব পাৰে। ৰাজনৈতিক, সামাজিক, কাৰ্যকলাপত যুৱ-প্ৰজন্ম পথ প্ৰদৰ্শক হিচাপে থিয় দিব লাগে। সমাজত এনে যুৱ শক্তিৰ প্ৰয়োজন, যি শক্তিয়ে এখন দুৰ্নীতিমুক্ত সমাজ গঢ়ি তুলিব পাৰে। সময় সলনি হ'ব, আমি আশাবাদী। সোনকালে আকৌ সুদিন ঘূৰি আহিব। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালামে নৱ-প্ৰজন্মৰ ওপৰত গভীৰ আস্থা প্ৰকাশ কৰি কৈ গৈছে।

"মই বহু সম্ভাৱনা লৈ জন্ম হৈছো। মোৰ বহুত সপোন আছে, মোৰ বহুত আশা আছে। মই দুখন পাখি লৈ জন্ম হৈছো। সেয়ে মই উৰিব পাৰিমেই।"❑



# প্ৰসংগ নিউজ প'ৰ্টেল

অমল ঠাকুৰীয়া
বি.এড. প্ৰথম বৰ্ষ

ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাত সংবাদ মাধ্যমক চৰকাৰৰ তিনিটা অংগ ক্ৰমে কাৰ্যপালিকা, বিধানমণ্ডল, ন্যায়পালিকাৰ দৰেই সম মান-মৰ্যাদা প্ৰদান কৰা হয়। ভাৰতৰ সংবিধানৰ তৃতীয় অধ্যায়ত থকা মৌলিক অধিকাৰৰ অন্তৰ্ভূক্ত ১৯ (ক) নং অনুচ্ছেদে ইয়াক সাংবিধানিক মৰ্য্যাদা প্ৰদান কৰিছে। প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব বিকাশৰ লগে লগে অন্যান্য ক্ষেত্ৰৰ দৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে পৰিগণিত সংবাদ মাধ্যমসমূহৰ কাম-কাজৰ ক্ষেত্ৰখনতো এক যুগান্তকাৰী পৰিৱৰ্তন আহি পৰিছে। ৰেডিঅ' তথা কাকতৰ ছপা আখৰৰ মাধ্যমেৰে অহা খবৰসমূহ কালক্ৰমত প্ৰতি মুহূৰ্ত্তে চেটেলাইট চেনেলসমূহৰ কৃপাত টিভিৰ পৰ্দাত জীৱন্ত হৈছে নিউজ পৰ্টেলসমূহ। হাতৰ মোবাইল ফোনটোত থকা চোচিয়েল মিডিয়া বা ইউটিউবৰ দৰে এপসমূহ হৈছে এই মাধ্যমৰ একো একোখন মঞ্চ। কিন্তু পৰ্টেল প্ৰতিষ্ঠা আৰু পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰী কোনো ধৰণৰ স্পষ্ট নীতি নিৰ্দেশনা নথকাৰ (কেৱল আই.টি. এক্ট ২০০০ অন্তৰ্ভূক্ত) ফলস্বৰূপে পৰ্টেলসমূহ কাঠফুলাৰ দৰে গজি উঠিছে। সমান্তৰালভাৱে নিম্নগামী হৈছে সংবাদ পৰিৱেশনৰ স্তৰ আৰু প্ৰশ্ন উত্থাপিত হৈছে পৰ্টেলসমূহৰ নিৰপেক্ষতাৰ ওপৰত। একাংশ পৰ্টেল আবিৰ্ভাৱ হৈছে স্বয়ম্ভু ন্যায়ালয়ৰ ভাওঁত যিয়ে কোনো ব্যক্তি, অনুষ্ঠানৰ কোনো ঘটনাত নাম সন্নিৱিষ্ট হ'লেই ন্যায়ালয়ৰ বিচাৰলৈ বাটা নাচাই স্বয়ং মহামান্য ন্যায়ালয়ৰ ভূমিকাত অৱতীৰ্ণ হৈ দোষী সাব্যস্ত কৰি অপৰাধী বুলি ৰায় প্ৰদান কৰি সংবাদ মাধ্যমসমূহত প্ৰচাৰ কৰে ভিত্তিহীন, অসত্য, সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা তথা যৌনগন্ধী অৰুচিসন্মত বাতৰি। আন একাংশৰ বিৰুদ্ধে আকৌ সময়ে সময়ে উত্থাপিত হৈ আহিছে ব্লেকমেইলিং কৰি টকা ঘটাৰ দৰে গম্ভীৰ অভিযোগ। একাংশ পৰ্টেল আকৌ গঢ় লৈ উঠিছে ৰাজনৈতিক নেতা, পালিনেতাৰ ছত্ৰছায়াত স্ব-প্ৰচাৰৰ উদ্দেশ্যেৰে। সাম্প্ৰতিক কালত আটাইতকৈ সহজলভ্য মাধ্যম হিচাপে জনসাধাৰণক সংবাদ যোগান ধৰা নিউজ পৰ্টেল সমূহৰ এনে অসুস্থ প্ৰৱণতাই আটাইতকৈ ক্ষতিগ্ৰস্ত কৰিছে সমাজৰ উঠি অহা প্ৰজন্মৰ কোমল বয়সৰ ল'ৰা-ছোৱালী আৰু অল্পশিক্ষিত জনসাধাৰণৰ এচামক যিয়ে এনে পৰ্টেলসমূহৰ বাতৰিক অন্ধভাৱে বিশ্বাস কৰে। অৱশ্যে ইয়াৰ বিপৰীতে দুই-এক পৰ্টেলৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত বাতৰি পৰিৱেশনৰ চেষ্টাক নুই কৰিব নোৱাৰি কিন্তু সেয়া এপাচি শাকত এটা জালুকৰ দৰে।

চৰকাৰে সময় সাপেক্ষে যদিহে এনে পাবত গজা, সামাজিক দায়বদ্ধতাহীন পৰ্টেলসমূহ পৰিচালনা আৰু প্ৰতিষ্ঠাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত নকৰে তেন্তে ই যে সমাজৰ বিস্তৰ ক্ষতিসাধন কৰিব ই ধ্ৰুপ লগতে জনসাধাৰণেও এনে সংবাদ গোষ্ঠীসমূহক বৰ্জন কৰিব লাগে অন্যথাই সমাজৰ বাবে হৈ পৰিব এক দুৰাৰোগ্য ব্যাধি যিয়ে আমাৰ সমাজখনৰ সমগ্ৰ বাতাবৰণ কলুষিত কৰিব।❑

# আকৰ

মনজিৎ শৰ্মা
বি.এড., দ্বিতীয় বৰ্ষ

সেউজীয়া আবিৰ ফালি
সুন্দৰৰ সুবাস ঢালি
মেলি দিলা তোমাৰ দুহাত
সুন্দৰতাৰ মায়াজালত

তোমাৰ মেঘালী চুলিটাৰিত
যেন আকাশৰ গ্ৰহ-নক্ষত্ৰইও
বুটা বাচিব বিচাৰে
তোমাৰ চকুযুৰি দেখিলে
প্ৰকৃতি জীয়াৰীৰো যেন
হিংসা লাগে
পদুমকলীয়া দুটি ওঁঠত
যেন সৰস্বতীয়েও
গুণ গুণাব খোজে

তুমিয়েই জানো নহয়
সুন্দৰতাৰ দেৱীক আৰাধনা
কৰাৰ মন্ত্ৰ
তুমিয়েইতো হোৱা
যোড়পোচাৰৰ পুষ্পপত্ৰ
ধূপ, দ্বীপ, নৈবেদ্য আগবঢ়াইছো
নাজানো কিন্তু আৱাহনৰ মন্ত্ৰ।।



# এক অনুভূতি

পূৰবী কলিতা
বি.এড., দ্বিতীয় বৰ্ষ

প্ৰাণ পাই উঠিছে সেই জীৱনে
যি জীৱনৰ তুমি অংশীদাৰ
তুমি অহাৰে পৰা মৰহি যোৱা
মনৰ আৱেগবোৰেও যেন প্ৰকাশিত হোৱাৰ
নতুন পথ বিচাৰি পাইছে
কি কৰি বুজাও তোমাক
কি হয় তুমি মোৰ বাবে
ৰং হেৰাই যোৱা জীৱনত ৰঙৰ তুলিকা তুমি
হাঁহি হেৰাই যোৱা মুখখনিৰ চিকমিকনি তুমি
থমকি যোৱা খোজকেইটিক সাহস দিয়া
লাখুটিডাল তুমিয়ে
নেঠেলিবা মোক আকৌ সেই
অন্ধকাৰৰ মাজলৈ
যি অন্ধকাৰৰ দেৱাল ভাঙি
উলিয়াই আনিছা তুমি
বলিয়া প্ৰেমৰ নতুন বলয় তুমি
বহুকেইখন মুখৰ মাজত
ভাল লগা মুখখনি তুমি।।

# ভাগৰুৱা পথিকৰ বিলাপ

হিমাদ্রী বিশ্বাস
প্রবক্তা, কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়,ছয়গাঁও



অভিধানখন তন্ন-তন্নকৈ চালোঁ
হাইৰাণ হ'লো বিচাৰি
এটি শব্দৰ অৰ্থ
নাপালো বিচাৰি মই
মানৱতাৰ প্ৰকৃত অৰ্থ!

এচাম নৰপিশাচৰ বাবে যেন
সহানুভূতি এক বিগৰ্হিত কাৰ্য
মানৱৰ বিলাপ যেন
কেতিয়াবা হৈ পৰে
এক হাস্যৰসৰ পাত্ৰ।

এচাম অমানৱৰূপী দানৱ
ভাগৰা নাই এতিয়াও
গলৰ পিয়াঁহ নৰৰক্তৰে গুচাবলৈ
কিন্তু...
ভাগৰি পৰো কেতিয়াবা
আমি মানৱজাতি
হাৰ মানি যাওঁ কেতিয়াবা
এই জীৱন নাটৰ মঞ্চত,
য'ত হেৰাই গৈছে
মানুহৰ মনৰ শান্তি।

হিংসা, হত্যা, লুণ্ঠন, বিদ্বেষ ইত্যাদি
শব্দবোৰৰ হে যেন অৰ্থ প্ৰিয় হৈ পৰিছে,
এচাম অমানৱৰূপী দানৱৰ বাবে!
তোমোলোকে শুনিছানে?
ভাগৰুৱা পথিকৰ মানৱতাৰ গান!
মোৰ কলমৰ চিয়াঁহীৰে
শুনোৱাব বিচাৰিছোঁ
অমানৱৰূপী দানৱক ভাগৰুৱা পথিকৰ
অন্তৰৰ বিলাপ...

ভাগৰুৱা পথিক মই
ক্লান্ত দেহা মোৰ,
কেতিয়াবা...
যুঁজি যুঁজি ভাগৰি পৰোঁ
সত্যৰ পথত।
কেতিয়াবা...
ভগ্ন হৃদয়ৰ অশ্ৰু নিগৰাইছো
জীৱন সংগ্ৰামৰ দুৱাৰদলিত।

কিন্তু এতিয়াও
মই হেৰুৱাই দিয়া নাই
মানৱতাৰ প্ৰকৃত অৰ্থ
হাজাৰ দুখৰ মাজতো
আন এজনক সুখী কৰিবলৈ
নকৰো কেতিয়াও কুণ্ঠাবোধ

ভাগৰুৱা পথিক মই
জীৱন সংগ্ৰামৰ
কেৱল মাথোঁ ভাগৰি নপৰো
আনৰ মুখত এটি হাঁহিৰ ঢৌ তুলি দিবলৈ।

# অকবিতাৰ গাথাৰে

**প্ৰত্যাশা শৰ্মা**
বি.এড., প্ৰথম বৰ্ষ

সৌৱা যে শুনিছা দুৰণীবটীয়া
ৰেলগাড়ীখনৰ উকি
যিমানেই ওচৰ চাপিছে
কলিজাত বাজি ৰোৱা
গীটাৰ খনৰ ষ্ট্ৰিং ডাল
কঁপি কঁপি চিঙিব ধৰিছে
নিতাল মাৰি ৰোৱা প্লেটফৰ্মৰ
ঘড়ীত তেতিয়া বাৰ বাজিছে
জিলিৰ মাতটোও তীব্ৰতৰ হৈছে।
ৰ'বা না....
আৰু কিছুপৰ নোৱাৰানে
মোৰ লগত থাকিব?
নে ভয় খাইছা
ঘড়ীৰ কঁটাৰ আঁচোৰত
ৰক্তাক্ত হ'বা বুলি?
ভয় নাখাবা তুমি।
সামৰি থোৱা সকলো
শব্দময় ভাৱনা;
মাথোঁ বৈ থাকিবলৈ দিয়া
মোৰ বুকুত সংগোপনে সাঁচি ৰখা
প্লেটাৰিক প্ৰেমৰ ঝৰ্ণাটি...
চোৱাচোন, বৰষুণ পৰিছে আকৌ এবাৰ!
এৰা! তুমিনো কি বুজিবা
সৌ দূৰণীবটীয়া ৰেলখনৰ উকিৰ স'তে
ভাহি অহা নিঃসংগতাৰ ভৰ
কিমান যে দুঃসহ!!



# দৈনন্দিন

**লুকেশ কলিতা**
বি.এড., প্ৰথম বৰ্ষ

এতিয়া কি কৰি আছা?
মছনদ দখলৰ বাবে
চলি থকা সংগ্ৰামৰ
লহৰত চামিল হৈছা।
বিশৃংখল জীৱনক শৃংখলতাৰ
শিকলি পিন্ধোৱাৰ চেষ্টা কৰিছো।
এতিয়া ক'ত আছা?
দিনতে এন্ধাৰ হৈ থকা
কুপ এটাত, যাৰ 'চাবিপাত'
আছে 'সমাজ' নামৰ
চকীদাৰটোৰ হাতত।
এতিয়া কেনে আছা?
শ্লোগান দিয়াৰ বাবদ
পোৱা টকাৰে পেট চলাইছো
মানে ভালে আছো।

# শিক্ষক

অনামিকা দাস
বি.এড., দ্বিতীয় বৰ্ষ

আইৰ মমতাৰ আঁচলৰ ছাঁ
আৰু পিতাইৰ নিৰাপদ হাতখনৰ পাছত
কোন থাকে বৈ কাৰ বাবে

সযতনে দিয়া এখোজ দুখোজ ভৰি
থোকা-থুকি ওলোৱা ফুটো-নুফুটো মাত
তাৰ পাছত ঘূৰি থাকে
জীৱন নামৰ এটা ঘড়ী

মাটি পেঞ্চিলেৰে ফলিত ঘঁহি ঘঁহি
'অ' মানে অমিতা, 'আ' মানে আম
একে একে দুই, একে দুয়ে তিনি
কোনে শিকায়

কাহানিও নাছিল ইমান পোহৰ
কোনে ভেটিছে আন্ধাৰ আমাৰ হৈ
জ্বলাইছে জ্ঞানৰ ৰূপোৱালী শিখা

সেই মহান নিৰবধি এটা সত্বা
শ্ৰদ্ধাত মূৰ দো খাই যোৱা পৱিত্ৰতা
সমস্ত সভ্যতাক ঋণী কৰি
আপুনি জীৱন দি ৰাখিছে আমাক
হে প্ৰাচীনতম জ্ঞানবৃক্ষ।।



# সপোনৰ ঠিকনা বিচাৰি

সুস্মিতা কুমাৰী
বি.এড., প্ৰথম বৰ্ষ

সপোন, সপোন এক বিষাদ, সপোন এক ভাললগা
সপোনৰ ডায়েৰীখন বহু বিশাল, বহু ৰোমান্টিক
খালী পৃষ্ঠাবোৰত লিখি যোৱা সপোনবোৰে আৰু কিমান
দিন বৈ থাকিব পূৰ্ণতা পাবলৈ? সেয়া মই নাজানো...
নাজানো মই সেই শব্দবোৰে কেতিয়া দিঠকৰ ৰূপ ল'ব
নে এই ইচ্ছা কেতিয়াও পূৰ নহ'ব...
জীৱনৰ বাটৰ যুদ্ধত তুমি মোৰ লগৰী হ'বানে সেয়াও নাজানো
নাজানো মই সময়ৰ আঁক-পাকবোৰ
তোমাক প্ৰাপ্তিৰ আশাই বহু দূৰ ঠেলি দিলে
তোমাক পোৱাৰ যোগ্য হয়নে মই তাকো নাজানো
জানো কেৱল তোমাৰ প্ৰতি থকা মোৰ ভালপোৱা
মৰিচিকা খেদি খেদি ভাগৰি পৰিলো
তথাপিও তোমাক বিচাৰি নাপালো
সপোনবোৰ সপোন হৈয়ে ৰ'ল
তোমাক নোপোৱাৰ বিষাদে মোক আধৰুৱা কৰিলে
তোমাক প্ৰাপ্তিৰ সপোন, সপোন হৈয়ে ৰ'ল।।

# কে.আৰ.ডি. কলেজ অৱ এজ্যুকেচন



লীনা শৰ্মা
বি.এড., প্ৰথম বৰ্ষ

কে.আৰ.ডি. কলেজ অৱ এজ্যুকেচন
নামতেই আছে যাৰ পৰিচয়
নীলাবৰণীয়া তিনিমহলীয়া অট্টালিকাত
গঢ় দিয়া হৈ আছে এজাক তৰুণ-তৰুণীক
যাৰ চকুত উজ্জীৱিত হৈ আছে
একোজন সুনাগৰিক গঢ় দিয়াৰ অযুত সপোন
কেতিয়াবা সৌ বকুলজোপালৈ
মন কৰিছানে?
য'ত বহি থাকে প্ৰেমিক যুগল
যাৰ চকুত উজ্জ্বলিত হৈ আছে
একেলগে জীৱন গঢ়াৰ অপাৰ হেঁপাহ
এতিয়া বাৰু চকু ফুৰাইছানে?
সেই মদাৰ, নাহৰ, পলাশলৈ
যিয়ে ৰৈ আছেহি নতুন সাঁজত
আমাক ব'হাগৰ বতৰা দিবলৈ
পাতৰ আঁৰৰ পৰা ভাহি আহিছেহি
কুলি, কেতেকীৰ মৌসনা কণ্ঠ
হৈছেহি আপ্লুত আমাৰ প্ৰতিজন
কে.আৰ.ডি.আন পৰিয়ালবৰ্গ
এবাৰ আহিবাচোন কেন্টিন খনলৈ
য'ত সৱে মিলি দূৰ কৰে
বিষাদ, অৱসাদ
অন্তত ফুটি উঠেহি
প্ৰশান্তিৰ এটি মিঠা হাঁহি
এইয়াই হ'ল আমাৰ পাৰিপাৰ্শ্বিক
ঐতিহ্যমণ্ডিত কে.আৰ.ডি. কলেজ অৱ এজ্যুকেচনৰ।।

# মাথো তুমি

জেছমিনা আহমেদ
বি.এড., প্ৰথম বৰ্ষ

জীৱন বুলিলে তোমাকে বুজো
মৰম মানেও তুমি
সপোনৰ ৰাজমহলত
হৃদয়ৰ নিভৃত কোণত
সাঁজি ৰাখিছো
তোমালৈ এটি
মৰমৰ পঁজা
আহিবানে তুমি
মোৰ পঁজাখন শুৱনি
কৰি মোক মৰম দিবলৈ
হৃদয়ত এজাক সপোনৰ ধুমুহা
মাথোঁ তোমাৰ অপেক্ষাত
জীৱন সপোন বাস্তৱ
সকলো তুমি
তোমাৰ পৰশত এই মৰহা
শৰীৰে প্ৰাণ পাব বিচাৰে
তুমি আহিবানে?
তোমাৰ অপেক্ষাত....

# পুথি মুকুতা

আব্দুছ ছালাম
বি.এড., প্ৰথম বৰ্ষ

পুথিৰ বিদ্যাধন নহয় ক্ষয়
মুৰ্খৰ জীৱন মহা অভিশাপ,
পুথি অধ্যয়নে গঢ়ে পৰিচয়
উজলি উঠি লভে খিতাপ
দূৰভিত কৰে নিঃসংগাতৰ সঙ্গী
শব্দ বাক্য অৰ্থৰ স্থায়ী ছপাঘৰ
চৰিত্ৰ গঠন বুদ্ধিমত্তাৰ সাঙী
যাৰ পৃষ্ঠা বগা-কলা আখৰ
মুকুতা মিলে পঢ়িলে একাগ্ৰতাৰে
বিশ্ব জ্ঞানৰ উৎকৃষ্ঠ সমল
পূৰ্ণতা পায় যুটিয়ে মন বিবেক
অজ্ঞতা অন্ধতা দহনৰ অনল
পুথিয়ে লক্ষ্য উদগতিৰ জখলা
প্ৰণেতাৰ সৃষ্টিয়ে বিলাই সুবাস,
পঢ়ুৱৈৰ খোৰাক মনোৰঞ্জনৰ খেলা
যাৰ পৃষ্ঠাত খোদিত হয় বিশ্ব ইতিহাস
সৰ্ব লিখৰ পুথি অমিয়া অনুপাত
থুপাই থোৱা পুথিৰ বিদ্যা সৰ্বোত্তম
ভিন্ন ভাষাৰ ভিন্ন পুথি বিদ্যামান
ভাব বিনিময়ৰ ক্ষীপ্ৰতম মাধ্যম।



# কবিতা

সীমা মেধি
বি.এড., প্ৰথম বৰ্ষ

(১)
মই কি বুলি লিখিছিলো
জীৱনৰ প্ৰথমটো কবিতা
কি আছিল শিৰোনাম

ভোকে ভাগৰে হাতত বাজে
দুপাত পিতলৰ খাৰু
নীলা পাৰিৰ চাঁদৰখন শিতানৰ গাৰু

কেতিয়া উচ্চাৰণ কৰিছিলো
জীৱনৰ প্ৰথম শব্দ-মা

(২)
মই কি বুলি লিখিম
জীৱনৰ শেষৰটো কবিতা

পাহৰা নাযায় সেই কৰুণ চকুযুৰি
পাহৰা নাযায় সেই বুকুৰ আপোন মাত
নদীৰ বুকু ওফন্দি উঠা ঢল বানত
মই হেৰুৱাই পেলাইছো মোৰ আকাশ

উচুপনিৰ বাহিৰে কাহানিও উচ্চাৰণ নোহোৱা
জীৱনৰ প্ৰিয়তম শব্দ- দেউতা




# Importance of B.Ed. Course
## for Prospective Teachers

**Md. Karim Ali**
Lecturer, K.R.D.College of Education

In the teaching learning process the central position is taken by the teacher. The teacher has been called the "maker of History", "the builder of the nation" and the "Social Engineer." Even the best system of education is likely to provide ineffective in absence of professionally and academically well qualified teachers. According to Aristotle "those who educate children well are more to be honoured that even their parents for those only give them life, those art of living well." In the Kothari Commission Report (1964-66), it is stated that , " Of all the different factors which influence the quality of education and its contribution to national development , the quality, competence, and the character of teachers are undoubtedly the most significant." The National policy of Education also stated "No people can rise above the level of its teachers". Rabindranath Tagore, the Indian Philosopher And Poet said "if there is any profession of paramount importance , I believe it is that of the school master." So teachers indeed has a powerful role in moulding and shaping the attitudes, habits, manners, the character and whole personality of the students. Teacher is the dynamic force of the educational system. Education without a teacher is just like a body without soul, skeleton without flesh and blood, a shadow without substance.

Teaching is called a sublime art. Children are the raw material with which the teacher has to deal. The teacher unconsciously designs the child entrusted to him. The teacher has a purpose and he modifies the child accordingly. It is impossible to separate the teacher and teaching. The teacher, in fact, mirrors himself into the child, he puts and indelible stamp on the young, growing plastic mind of the child. The child generally takes after the teacher.

The profession of teaching is a very attractive career as it demands huge respect from the society. India has always had a tradition of holding teachers in great regard. And it should never be ignored that apart from parents, teacher is the most crucial person in shaping the minds of young students. So in order to pursue students dream of becoming a teacher professionally, students have to complete their graduation degree followed by a B.Ed. which is a two years course. These two years help the student in building their portfolio as a teacher. A B. Ed course will make students learn the art of teaching at different school levels such as the secondary and senior secondary and a host of other benefits.

Being a teacher is not just a profession, it is a dream that most children want to fulfill when then grow up. It is considered one of the crucial ways to apply knowledge, skills and provide special service to meet the informative requirements of individuals and society. The requirement of tutor jobs, however, varies. In schools, the teachers are required in larger amounts because students need to learn various subjects. From the board exam the streams get divided, and students can choose the subject group they want to learn. At graduation and post graduation levels, the specification of the subject narrow down. After graduation, many students go for masters and then others. So the requirement for teachers is always there.

If there is any profession that is universally reversed and considered as the most important stakeholder of a healthy academic system, it is the profession of a teacher. A teacher plays a pivotal role in shaping young minds into well –rounded individuals towards contributing to the growth and success of a country. Most of us decide our ambition of becoming a teacher since childhood. However, in order to become a prospective teacher by profession, one has to qualify and fulfill certain criteria proposed by the state as well as central government, and pursuing a B.Ed. the course is one of the mandatory qualifications that each aspiring teacher is required to attain. In India and our state Assam, for teaching in schools, one must have a B.Ed. after acquiring a graduation degree. B.Ed. the course is approximately spanned for two years at present.

B. Ed course helps a prospective teacher in various dimensions in the following ways:

**A Real-Life Session with the Students :**

During the B. Ed. Course, prospective teachers are given the opportunity to walk into schools and teach student in a classroom environment. This gives real-life classroom exposure about the experience of teaching and what all challenges they could potentially face. Apart from this, the prospective teachers become confident and get to explore different teaching methods.

**Discovering Diverse Teaching Methods and Techniques :**

The main aim to pursue B. Ed. Degree is to learn how to teach. Many of us have a vast amount of knowledge but when it comes to imparting it to others, it is a completely different cup of tea. This is why a B. Ed. Course exactly helps us to do. Hence, in the course, the prospective teachers are taught how to gain attention of the students so that they try to learn the knowledge the teachers impart. While pursuing the course, prospective teachers will also get to learn about ICT, short for Information and Communication Technology. The course helps understand ICT and its applications. This is done in order to make the process of

learning easier, both for the teachers and the students.

**Managing the School Affairs at a Large Stage :**

Pursuing B. Ed course not only teaches the prospective teachers to inculcate good teaching skills but also how to the work in the administrative aspect of an education system. Good teaching is the basic foundation of a good education system. Thus, a good education system is directly related to the management of school affairs and administrative aspect of education. Throughout the B. Ed course, a teacher learns how to play their part in administrative roles at a later stage of carrier.

**Know the History of Teaching Profession :**

Applied theories in the course help the prospective teachers fetch an insight into the historical background of teaching including the committees and commissions that significantly contributed towards the profession.

**Well Student and Teacher Interaction :**

Many of the teachers find it difficult to interact with students. Lack of confidence could be one reason behind such issue. During this course, the would be teachers have to interact with students. This gives them a good idea of how the experience of teaching is going to be. Because of such prior experience, most teachers during the period get an idea and become confident in dealing with students.

**Other Benefits :**

During the course, the prospective teachers learn to recognize the various educational issues at a broader level. At the end of the course, prospective teachers are able to assess diverse learning environments such as private, government, international or world schools independently. They gain the knowledge of the socio- economic and political conditions of the society and how to adapt with the appropriate teaching pedagogy to the changing scenarios.

More over these, after completion of this course the prospective teachers will be able to:

Integrate the art, music, drama and yoga in education.

Nurture creativity and aesthetic sensibilities

Understand the local culture and art forms and interpret art works, movies and other media

Involve the community to participate in educational and social change.

These are some of the ways in which a B. Ed course helps a prospective teacher.

At present, B. ED course is one of the most important and compulsory course needed in India as well as in our state (Assam) to be eligible to become a teacher. But one should be aware of all the details of B. Ed course to become a prosperous teacher. With education becoming an important factor responsible for the development of a country, it has become a sector for a huge number of jobs. From recent research data, it was found that there are approximately 1.3 million schools in India. Thus, there is a lot of scope in this sector. And to enter this sector, a B.Ed. degree is must. Under the RTE act, it has been made compulsory to have B.Ed. degree to become a teacher. It also helps in getting appointed as teacher in both Government and public schools. This course helps one to learn the methodologies involved in the teaching profession. It consists of the training process that will make a person a very efficient teacher.❑

# ROLE OF CHANDRAPRABHA SAIKIANI IN THE FREEDOM STRUGGLE OF INDIA



**Anamika Das**
Lecturer
K.R.D. College of Education

India has produced great women throughout long political, social and cultural existence. One is reminded by the history, of the gallant role playes by the Indian women in the period between 1921-1947, for the attainment of "Swaraj" of India. The women of Assam also played their role in the freedom struggle with great distinction. Emboldened by the call of Gandhi, the women of Assam came out from their four walls of their domestic life and took active part in the struggle for Indian's independece. Chandraprabha Saikiani was one of such women leader who took up active participation in the movement. She was also known as 'The Architect of the Women's Movement' in Assam. Chandraprabha Saikiani is a very well-- known name in Assam. She was prominent social worker, a fearless fighter of Indian Independence Movement, an efficient orator, as well as a good writer of Assam.

Chandraprabha Saikiani had become associated with taking up social fighting injustice and oppression of women and denouncing untouchability, taking up cudgels against the discrimination of all kinds. In 1919 Saikiani also attended the third Conference of Assam Sahitya Sabha, where she gave speech on untouchability.

Assam was actively drawn to the national mainstream only for 1921. The Indian

National Congress at a special session held at Culcutta in 1920, decided to launched the Non-Cooperation Movement under the leadership of Gandhi. The Non-Cooperation Movement had a tremendous impact on Assam. Gandhiji's visit to Assam in 1921 was a major event and that alone drew a large number of people including women into the struggle for India's independence. Gandhi's tremendous confidence in women's ability and his high impression on the women of Assam in particular, had drawn them to national politica; life with enough self confidence and strength of mind.

In the beginning the conservative society in Assam stood in the way of the participation of women in the movement and active participation was limited to a small of women like Chandraprabha Saikiani, Bidyutprabha Devi, Girija Devi, Hemanta Kumari Devi, Nalinibala Devi, Puspalata Das, Guneswari Nath etc. All of them belongs to or had connection with families of congress leaders. They organized meetings in urban and rural areas, to spread the message of non-cooperation, swadeshi and constructive works. But their task was not easy. They often had to confront hostile situations, especially in remote rural areas, but the fact that they persisted despire threats to their ives on several occasions, is testimony on their commitment to the cause.

Chandraprabha Saikiani played very significant role in the freedom struggle of India. She had joined in congress when she was about 17/18 years old. Inspired by Gandhian ideology Chandraprabha Joined the Non-Cooperation Movement in 1921.

Chandraprabha Saikiani often attended meetings where in spite of the predominance of male members, women's issues also formed a part of the agenda. Her meeting with front-ranking leaders from various parts of the country inspired her to work night and day for the contry's freedom and for the development of women. Chandraprabha's conviction about the necessity of bringing about awakening amongst women and encouraging them to come out of their household, inspired other women like Girija Barua, Nalinibala Devi, Bijuli Phookan, Kiranmayee Agarwala, Snehalata Devi Baruah, Rajabala Das, Induprabha Baruah, Gandhamoyee Devi, Bhubaneswari Devi etc. to join the movement.

Gradually Chandraprabha came to realized the need of an All Assam Women organization. As a result, under her great effort, "Asom Mahila Samiti" was formed in 1926. Chandraprabha was the first secretary of the Samiti. The objectives of this organization was women emancipation, equal right of women, to prevent child marriage, polygamy, cast discrimination, spread the message boycott of forign goods, education of women etc. The role of Assamese women in promoting Gandhi's constructive programme is unique. Gandhi's call for the use of Khadi was immediately appropriate by the members of the Asom Mahila Samiti. The Asom Mahila Samiti playing a double role, to promoting swadeshi goods at the political level and generating self-reliance among women at the social of individual level. It was during this period that through the organizational efforts of the members of the samiti, the spirit of nationalism and patriotism deep in to the minds of the

common Assamese women.

In 1926, when the annual conference of the Indian National Congress was held at Pandu (Assam), Chandraprabha was not granted the leave to attend the conference. Therefore, she resigned the job and went to Pandu. She alsi emphasized the need for promotion of Assamese handicrafts and handloom industry. The task of popularizing hand woven clothes in Assam was never difficult task as it received the support of the grandmotherly and motherly classes. The explained to the younger generation that while the purchase of foreign clothes enriches only a few, the plight of the common masses remained unchanged. A spinning machine brought wealth only a few, while the charkha could provide employment to many. In the weaving centres women were trained in the art of spinning and weaving as well as various other crafts to enable them to earn a livlehood. Mahila Samities also request the government to introduce weaving classes in every girl's schools. With the co-operation of other leaders Chandraprabha Saikiani collected money for the Tilak Swaraj und. Many women donated all their ornaments to this fund.

Assamese women actively participated in the Civil-Disobedience Movement. Picketing organized by the women in front of the shops dealing liqueur, opium etc. Women volunters like Basantalata Hazarika, Sashiprabha Hazarika, Muktaprabha Agarwala etc organized picketing in front of the Cotton College. But the mass uprising that had occured under the leadership of Chandraprabha Saikiani at Nagon, led to the arrest Saikiani and many others.

Assamese women played very significant role in the Quit India Movement (1942). During that period Chandraprabha Saikiani, Puspalata Das, Amalprabha Das and many other women took many organizational works. Chandraprabha visited many places and attended many meetings with a patriotic mind-set. Under her leadership, women of Patkuchi organized a precession on 12 Oct, 1942, where about 2000 women joined in the procession. During this period, she even workes in underground. Due to her political works she had to face continous harassment from police. But she continued here motive.

Saikiani also tried to reform the social norms which make a woman in a very dominant position in a male dominated society. She always against the cast and advocated the equality of all section of the people, widow remmariage etc. Even only due to her effort, the entry of Hajo Haygrib Madhab Mandir was open to all women of the society. During that time the society was stripped in tradition and and superstition. As she become an unwed mother during that situation she had to face many problems. But she brought up her son as a single mother perfectly. (Ahmed 2001-166) She brethed her last on March 16, 1972. For her selfless work and dedication she was honoured with Padmashree Award in 1973. (posthumously)❑

# Emotional Health and Its Relevance in Today's World

**Niharika Bujar Baruah**
Lecturer
K.R.D. College of Education, Chhaygaon

Health is not only basic to leading a happy life for an individual but neccessary for all the productive activities of life. Good health enables us to perform at our best as individuals as families, as comunities and as a nation.

Emotional health is about how we think and feel. It is all about our sense of well being, our ability to talk with others, our own emotions as those of others. As emotions influence all the aspect of an individual's personality. Emotions are the prime motive forces of thoughts and conduct. As it is rightly said, "To keep One's emotions under control and be able to conceal them is considered a mark of strong character."

Mental health involves processing all the information we encounter while in contrast to emotional health is more about the feelings provoked as emotional health blends emotional intelligence with emotional regulation.

"Mental health is the hardware and emotional health is the software."

Emotions are based on values & concerns those are the things people care about. However, in today's society there is degeneration of values, emotions among people. As people tend to share their emotions on social media which could lead to emotional contagion climate in a society. Furthermore, the presence of emotional-moral words in social media increase their spreading substaintially.

As emotions are purely ones own feelings and thoughts. It can play an important role about what we think and how we behave.

**Ways to Improve Emotional health**: emotional health allows to work productively and cope with any kind of stress in life. There are many ways to it :

1. Aware of your emotions and reactions.
2. Express your feelings in appropriate ways.
3. Think before you act.
4. Strive for balance.
5. Manage stress.
6. Connect with others.



# Importance of *Yoga* In Students' Life

**Dulumoni Medhi**
Lecturer
K.R.D College of Education Chhaygaon

Yogic practice shall start with a prayer or prayerful mood to enhance the benefits of practice.

*"Samgacchadhvam samvadadhvam*
*Sam vomanamsijanatam*
*Devabhagamyathapurve*
*Sanjananaupasate"*

May you move in harmony; May you speak in unison; Let the mind be equanimous like in the beginning; Let the divinity manifest in sacred endeavours.

Through the practice of yoga, Students can become more aware of emotional,mental and physical health. Yoga includes physical poses called Asana, Breathing techniques called Pranayama,Meditation, Shatkarma and Bandha-Mudra.

Teenage is the time period of students when they are stucked between variety of workload and pressures.They need to perfectly accomplish their school or college task, prepare for variety of exams or test, need to score excellent marks, work better in their workplace and improve their performance and many other lessions.

**Impacts of Yoga in the life of students:**

Yoga brings a positive vibes among the students and if they do it regularly it will help in bringing positive outcomes which is advantageous for the students.

Some of the benefits of yoga to students:

**1. De-stress students:**

Students face a lot of depression and stress due to a variety of reasons such as family pressure, financial pressure or any other depression. Yoga is one of the best way to eliminate all the

pressure.

**2. Concentration and Sharpness :** Yoga helps in increasing the sharpness of brain and concentration power. It helps in relaxing mind and gives peace of mind to the students.

**3. Strength :** Strength is required by the body to fulfil all the day activities appropriately. Especially young students need a lot of strength as they are overloaded with lot of task. Therefore yoga helps in building strength and gives power to the students.

**4. Health benefits :** Medically proved that yoga have various medical benefits. A lot of diseases can be improved by practising yoga regularly. It helps to reduce hypertension of the students.

**5. Weight management and Flexibility :** Flexibility of the body is another advantage of doing yoga regularly. Practising yoga and asanas, the muscles are stretched thereby increasing the flexibility of the body. Uneasiness in breathing and obesity are some of the problems related to weight which is very common among the students. Due to high calories drinks and food intake,students have to face such type of problems. By practising yoga regularly,it will help in their weight management system.

**6. Advancement of educational Brain :** Doing yoga regularly helps in advancing brain muscles and helps students to score the highest grades. Hence yoga helps learners to stay relaxed and stress free from all the depressions.

**7. Enhances power and memory :** Yoga is the power for all the students that helps in enhancing their memory and provides them more energy and power.

**8. Increases focus :** Students can enhance their focus and concentration with the help of yoga. A student can receive multiple benefits with the help of yoga.

**9. Balancing :** With balanced poses one can increase attention naturally. Poses and games, focused on balancing skills, develop an intrinsic strength, evoke a meditative feeling and promote stillness and quieting of the mind. This can help kids to deal with the stress of living in a chaotic world where constant stimulation is almost a regular part of life.

